www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

কাহানিও ধৈৰ্য আৰু সাহস নেহেৰুৱাব। হতাশ নহ'ব কাহানিও, যদি হতাশো হয় তেন্তে সেই অৱস্থাতেই একাগ্ৰতাৰে যন্ত্ৰৱৎ কাম কৰি যাব। - বিখ্যাত ৰাজনীতিবিদ এডমাণ্ড বাৰ্ক

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

❑ সপ্তম বছৰ ❑ সংখ্যা - ১০ ❑ সোমবাৰ ❑ ১২ জানুৱাৰী, ২০২৬ চন ❑ ২৭ পুহ, ১৯৪৭ শক ❑ VOL - 7 ❑ NO.- 10 ❑ Monday ❑ 12th January, 2026 ❑ মূল্য ঃ ১০.০০ টকা ❑ মুঠ পৃষ্ঠা ঃ ৮

আৰক্ষীৰ উদ্ধাৰ কৰি হাস্পাতালত ভৰ্তি পদ্মশ্ৰী এলি আহমেদক

## বন্ধ কোঠাৰ মজিয়াত তিনিদিন পৰি থাকিল নিসংগ পখিলা

❑ বৰ্তমান গুৱাহাটীৰ ৰহমান হাস্পাতালত চিকিৎসাধীন ❑



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১১ জানুৱাৰী ঃ** অসমৰ পদ্মশ্ৰীপ্ৰাপ্ত বিশিষ্ট লেখিকা তথা শিশু সাহিত্যিক এলি আহমেদ গুৰুতৰ অসুস্থ হৈ পৰিছে। দেওবাৰে (১১ জানুৱাৰী) চানমাৰিৰ অসম ৰাজ্যিক হাউচিং কলনীৰ ব্লক-২, ইউনিট-৬নং ঘৰটোৰ » ৬ পৃষ্ঠাত

## অভিনেতা, INDIA IDOL ছিজন-3ৰ বিজয়ী প্ৰশান্ত টামাঙৰ দেহাৱসান

জনপ্ৰিয় গায়ক জনৰ আকস্মিক মৃত্যুত শোকাহত সমগ্ৰ দেশ

**অনলাইন ডেস্ক, অসম বাৰ্তা, ১১ জানুৱাৰী ঃ** ইণ্ডিয়ান আইডল ছিজন-৩ৰ বিজয়ী তথা জনপ্ৰিয় কণ্ঠশিল্পী আৰু অভিনেতা প্ৰশান্ত তামাঙৰ আকস্মিক মৃত্যুৱে সংগীত আৰু বিনোদন জগতত গভীৰ শোকৰ ছায়া পেলাইছে। মাত্ৰ ৪৩ বছৰ বয়সতে হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হোৱাৰ ফলত ১১ জানুৱাৰী, ২০২৬ চনৰ ৰবিবাৰে নতুন দিল্লীৰ নিজা বাসগৃহতে তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। » ৬ পৃষ্ঠাত



আত্মনিৰ্ভৰতাৰ নতুন যুগৰ সূচনা

## চাৰিদিনীয়া 'আত্মনিৰ্ভৰ ধেমাজি' মেলাত কৃষক-উদ্যোগী সকলৰ বাবে বিশেষ মঞ্চ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১১ জানুৱাৰী ঃ** ধেমাজি জিলাৰ কৃষি, পশুপালন, মৎস্য পালন, ৰেচম শিল্প আদিৰ সৈতে জড়িত কৃষক, মহিলা উদ্যোগী আৰু যুৱক-যুৱতীসকলক » ৬ পৃষ্ঠাত

■ ন্যস্ত স্বাৰ্থৰ বাবেই উচ্চ ন্যায়ালয় স্থানান্তৰৰ বিৰোধিতা ঃ মুখ্য ন্যায়াধীশ সূৰ্যকান্ত ■

# ৰংমহলত নতুন ন্যায়িক চহৰৰ আধাৰশিলা স্থাপন

গুৱাহাটী বাৰ এছ'চিয়েশ্যনৰ প্ৰতিবাদক 'অযুক্তি' অভিহিত

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১১ জানুৱাৰী ঃ** দেশৰ মুখ্য ন্যায়াধীশ সূৰ্যকান্তই উত্তৰ গুৱাহাটীৰ ৰংমহলত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নতুন সংহত ন্যায়িক চৌহদৰ আধাৰশিলা স্থাপন কৰি এই প্ৰকল্পৰ বিৰোধিতা কৰা গুৱাহাটী বাৰ এছ'চিয়েশ্যনৰ কিছুমান অধিবক্তাক তীব্ৰ সমালোচনা কৰিছে। তেওঁ অভিযোগ কৰিছে যে, নিজৰ ন্যস্ত স্বাৰ্থ আৰু ব্যক্তিগত সুবিধাৰ বাবেই কিছুমানে এই আধুনিক ন্যায়িক আন্তঃগাঁথনিৰ বিৰোধিতা কৰি আছে। দেওবাৰে এক বিশাল অনুষ্ঠানৰ মাজেৰে ৰংমহলত নিৰ্মাণ হ'বলগীয়া এই নতুন 'জুডিচিয়েল চিটী'ৰ ভূমিপূজন সম্পন্ন হয়। মুখ্য ন্যায়াধীশ ৬ পৃষ্ঠাত



## ৰাজ্যৰ বিভিন্ন প্ৰান্তত মাঘ বিহুৰ উৰুকাৰ ব্যাপক প্ৰস্তুতি

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১১ জানুৱাৰী ঃ** মাঘ বিহুৰ উৰুকালৈ মাজত এটা দিন বাকী থকা অৱস্থাত ৰাজ্যৰ বিভিন্ন প্ৰান্তত উৰুকাৰ বাবে ব্যাপক প্ৰস্তুতি চলিছে। গুৱাহাটী মহানগৰীকে » ৬ পৃষ্ঠাত

'হু ইজ হিমন্ত বিশ্ব শৰ্মা' প্ৰশ্নৰ প্ৰত্যুত্তৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ




## মই এজন মিডল ক্লাছ ফেমিলীৰ ল'ৰা ঃ মুখ্যমন্ত্ৰী

❑ 'মই সাধাৰণ অসমীয়া ল'ৰা, অসমীয়াত্বহে ডাঙৰ' ❑

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১১ জানুৱাৰী ঃ** অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কংগ্ৰেছ সাংসদ গৌৰৱ গগৈৰ "হু ইজ হিমন্ত বিশ্ব শৰ্মা" বুলি কৰা তীব্ৰ সমালোচনামূলক মন্তব্যক অত্যন্ত চোকা আৰু আক্ৰমণাত্মকভাৱে প্ৰত্যুত্তৰ দিছে। মুখ্যমন্ত্ৰীয়ে নিজকে "সাধাৰণ অসমীয়া মধ্যবিত্ত পৰিয়ালৰ ল'ৰা" বুলি উল্লেখ কৰি কয় যে, তেওঁক এনে প্ৰশ্ন কৰাৰ » ৬ পৃষ্ঠাত

■ ভোগালী বিহুৰ প্ৰাক্‌ক্ষণত মাজুলীত নৃশংস কাণ্ড ■

## পিতৃয়ে ঘপিয়ালে দুই পুত্ৰসহ ৫ জনক; সংকটজনক দুয়োকে চিকিৎসালয় ভৰ্তি

**অসম বাৰ্তা, উজনী মাজুলী, ১১ জানুৱাৰী ঃ** মাজুলী জিলাৰ ফুলনি আৰক্ষী চকীৰ অন্তৰ্গত অশোকগুৰি দাধৰা গাঁৱত ভোগালী বিহুৰ প্ৰাক্‌ক্ষণতে নিশা এক ভয়ংকৰ নৃশংস ঘটনাই অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। প্ৰাপ্ত তথ্য অনুসৰি, প্ৰদীপ দাস নামৰ এজন » ৮ পৃষ্ঠাত

■ পাকিস্তান সংযোগৰ তথ্য-প্ৰমাণৰ ডেডলাইনৰ প্ৰতিক্ৰিয়া ■

## মুখ্যমন্ত্ৰী আৰু ১৫০০ টকীয়া ট্ৰলৰ মাজত কোনো পাৰ্থক্য নাই ঃ গৌৰৱ গগৈ




**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১১ জানুৱাৰী ঃ** অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সাংসদ গৌৰৱ গগৈৰ পাকিস্তান সংযোগৰ তথ্য-প্ৰমাণ এই জানুৱাৰী মাহৰ ভিতৰতে ৰাজহুৱা কৰাৰ ঘোষণাৰ » ৬ পৃষ্ঠাত

এগৰাকী মুকবধিৰ যুৱতীক ধৰ্ষণ কৰিছিল গুলীবিদ্ধ ৰফিকুল ইছলামে

## কোকৰাঝাৰত ধৰ্ষণৰ অভিযুক্তলৈ আৰক্ষীৰ গুলী

**ষ্টাফ ৰিপ'ৰ্টাৰ, কোকৰাঝাৰ, ১১ জানুৱাৰী ঃ** কোকৰাঝাৰ সদৰ চহৰৰ পাথৰঘাটত মানসিকভাৱে অসুস্থ এগৰাকী যুৱতীক ধৰ্ষণ কৰাৰ অভিযোগত গ্ৰেপ্তাৰ হোৱা ৰফিকুল ইছলাম নামৰ অভিযুক্তজনক আৰক্ষীৰ হেফাজতত থকা অৱস্থাত দেওবাৰে সন্ধিয়া » ৬ পৃষ্ঠাত

আৰক্ষীক আক্ৰমণ কৰি অস্ত্ৰ কাঢ়িবলৈ চেষ্টা চলাই গুলীবিদ্ধ ৰফিকুল ইছলাম

## বিধানসভা নিৰ্বাচনৰ বাবে ইস্তাহাৰ প্ৰস্তুতি; গুৱাহাটীত বিশিষ্ট ব্যক্তিৰ পৰামৰ্শ গ্ৰহণ কংগ্ৰেছৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১১ জানুৱাৰী ঃ** অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ (এপিচিচি) সভাপতি গৌৰৱ গগৈৰ নেতৃত্বত "ৰাইজৰ পদূলিত ৰাইজৰ কংগ্ৰেছ" শীৰ্ষক বিশেষ অভিযানৰ » ৬ পৃষ্ঠাত

অসমৰ ৰাইজে এদিন সুধিব 'হু ৰাজ্ হিমন্ত বিশ্ব শৰ্মা ঃ গৌৰৱ গগৈ

## কংগ্ৰেছত যোগদান আমছুৰ প্ৰাক্তন সভাপতি ৰেজাউল কৰিম সৰকাৰসহ প্ৰাক্তন বিজেপি নেতাৰ




**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১১ জানুৱাৰী ঃ** আগন্তুক ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ অংশ হিচাপে অসম প্ৰদেশ কংগ্ৰেছ কমিটিয়ে সাংগঠনিক ভিত্তি অধিক মজবুত কৰি তুলিবলৈ গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। আজি গুৱাহাটীৰ » ৬ পৃষ্ঠাত

## মিচিচিপিত বন্দুকধাৰীয়ে গুলীয়াই হত্যা কৰিলে শিশুসহ ছয়জনক

**অনলাইন ডেস্ক, অসম বাৰ্তা, ১১ জানুৱাৰী ঃ** আমেৰিকাৰ মিচিচিপিৰ এজন ২৪ বছৰীয়া লোকে ছয়জন লোকক গুলীয়াই » ৭ পৃষ্ঠাত

এইবাৰ বিজেপিৰ চৰকাৰ নাহিলে মুখ্যমন্ত্ৰী ক'ত থাকিব ?

## আঞ্চলিক দলক 'গোলাম' হিচাপে ব্যৱহাৰ কৰে বিজেপিয়ে ঃ চিত্তৰঞ্জন বসুমতাৰীৰ অভিযোগ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১১ জানুৱাৰী ঃ** আগন্তুক ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনৰ পূৰ্বে ৰাজ্যৰ ৰাজনৈতিক পৰিৱেশত বাক-বিতণ্ডা তীব্ৰতৰ » ৬ পৃষ্ঠাত

❑ তুলিৰাম ৰংহাঙৰ পাঁচোটা সমষ্টিতে বৃহৎ জয়ৰ দাবী ❑

## ২০২৬ নিৰ্বাচনৰ পূৰ্বে কাৰ্বি পাহাৰত বিজেপিৰ যোগদানৰ ঢল

কংগ্ৰেছ-এপিএইচএলচিৰ ভেঁটি কঁপাই ডংকামোকামত তিনি সহস্ৰাধিকৰ বিজেপিত যোগদান

**কাৰ্বি আংলং, অসম বাৰ্তা, ১১ জানুৱাৰী ঃ** আগন্তুক ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনৰ দিন যিমানেই » ৬ পৃষ্ঠাত



অপ্ৰীতিকৰ পৰিস্থিতি, গঠন নহ'ল নতুন কমিটি, অমীমাংসিত অৱস্থাত প্ৰতিনিধি সভা সমাপ্ত

## বিভিন্ন জাতি-জনগোষ্ঠীৰ কলা-কৃষ্টিৰ মিলনভূমিত পৰিণত থেংফাখ্ৰী পথাৰ

**অসম বাৰ্তা, বিজনী, ১১ জানুৱাৰী ঃ** চিৰাং জিলাৰ বিজনীৰ বৰলাউগাঁৱৰ থেংফাখ্ৰী পথাৰত তিনিদিনীয়াকৈ অনুষ্ঠিত বড়ো সাহিত্য সভাৰ ৫৬ সংখ্যক কেন্দ্ৰীয় বাৰ্ষিক অধিৱেশনৰ আজি » ৬ পৃষ্ঠাত



বড়ো সাহিত্য সভাৰ ৬৫ সংখ্যক বাৰ্ষিক অধিৱেশনৰ সামৰণি



# ঢেকীয়াজুলিত ৭২ সংখ্যক কেন্দ্ৰীয় ৰঙালী বিহু উদ্‌যাপনৰ বাবে নতুন শক্তিশালী সমিতি গঠন



**অসম বাৰ্তা, ঢেকীয়াজুলি, ১০ জানুৱাৰী ঃ** শোণিতপুৰ জিলাৰ অন্তৰ্গত ঢেকীয়াজুলিৰ ট্ৰাক ব্যৱসায়ী সন্থাৰ ভৱনত আজি ঢেকীয়াজুলি কেন্দ্ৰীয় ৰঙালী বিহু উদ্‌যাপন সমিতিৰ এখনি গুৰুত্বপূৰ্ণ সাধাৰণ সভা অনুষ্ঠিত হয়। ৭১ সংখ্যক ঢেকীয়াজুলি কেন্দ্ৰীয় ৰঙালী বিহু উদ্‌যাপন সমিতিৰ সভাপতি কাজল বৰা দেৱে সভাপতিত্ব কৰা এই সভাত বিগত বৰ্ষৰ আয়-ব্যয় তথা হিচাপনিকাচ দাখিল কৰে যুটীয়া সম্পাদক মাধুৰ্য্য বৰায়। সভাত পূৰ্বৰ কমিটিখনৰ কাৰ্যকাল সম্পূৰ্ণ হোৱাৰ লগে লগে ৭১ সংখ্যক ঢেকীয়াজুলি কেন্দ্ৰীয় ৰঙালী বিহু উদ্‌যাপন সমিতিৰ পুৰণি কমিটি আনুষ্ঠানিকভাৱে ভংগ কৰা হয়। ইয়াৰ পিছতেই আগন্তুক বৰ্ষৰ বিহু উদ্‌যাপনৰ লক্ষ্যৰে নতুন সমিতি গঠনৰ উদ্দেশ্যে দীপ্তি কলিতাৰ তত্ত্বৱধানত এখন বিষয়-বাচনী সভা অনুষ্ঠিত হয়। উক্ত সভাত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় মুখ্য উপদেষ্টা ৰাণা প্ৰতাপ বৰুৱা, বিশিষ্ট সমাজকৰ্মী বিধুভোষন ৰায়, বগীৰাম বড়ো, অগপ নেতা ৰাতুল কুমাৰ নাথ, দীপক কুমাৰ দাস, বিপুল কুমাৰ দত্ত, কৰুণা দত্ত বৰা, বাবুল মজুমদাৰ, প্ৰণৱজ্যোতি কলিতা, প্ৰতিষ্ঠিত ব্যৱসায়ী বলৰাম বাৰ্মা, সদৌ শোণিতপুৰ জিলা ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদক শংকৰ দাস, সনাতনী বীৰ হিন্দু সেনাৰ অসম প্ৰান্তৰ সহ প্ৰমুখ মণিকণ দাস, প্ৰাক্তন ছাত্ৰ নেতা দীপক তালুকদাৰ, সংবাদকৰ্মী পলিমা চেতীয়া বড়ো, প্ৰশান্ত বৈশ্য, সমাজকৰ্মী আজাদ বৰভূঞা, আৱাল হুছেইনৰ লগতে বহুতো বিশিষ্ট ব্যক্তি উপস্থিত থাকে। সভাৰ শেষত সৰ্বসন্মতিত আগন্তুক ৭২ সংখ্যক ঢেকীয়াজুলি কেন্দ্ৰীয় ৰঙালী বিহু সাফল্যমণ্ডিতভাৱে উদ্‌যাপন কৰাৰ উদ্দেশ্যে এখনি নতুন শক্তিশালী সমিতি গঠন কৰা হয়। উক্ত সমিতিত সমাজকৰ্মী ৰোহিনী কেউটক সভাপতি, নন্দলাল দাসক কাৰ্যকৰী সভাপতি, জ্যেষ্ঠ সংবাদকৰ্মী কল্পজ্যোতি নাথ আৰু সমাজকৰ্মী অঞ্জন বৰুৱাক যুটীয়া সম্পাদক হিচাপে নিৰ্বাচিত কৰা হয়। নতুন সমিতিয়ে ঢেকীয়াজুলিত ৰঙালী বিহুক অধিক ৰঙীন, সাংস্কৃতিকভাৱে সমৃদ্ধ আৰু জনসাধাৰণৰ বাবে স্মৰণীয় কৰি তুলিব বুলি আশা প্ৰকাশ কৰা হৈছে। ইয়াৰ পিছতে নৱগঠিত সমিতিখনৰ চিনাকি পৰ্বৰ জৰিয়তে অনুষ্ঠানটিৰ সামৰণি পৰে।

### অসম দলৰ ৯৮ ৰানত জয়লাভ

# মঙলদৈত নামিবিয়া আৰু অসম মহিলা ক্ৰিকেট দলৰ মাজত এদিনীয়া মেছ

**অসম বাৰ্তা বিশেষ, মঙলদৈ, ১০ জানুৱাৰী ঃ** মঙলদৈ ক্ৰীড়া সন্থাৰ ইতিহাসত আজি এটা বিৰল দিন হিচাপে লিপিবদ্ধ হ'ল। ক্ৰীড়া সন্থাৰ ষ্টেডিয়ামত আজি প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হ'ল এখন আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট প্ৰতিযোগিতা। গুৱাহাটীৰ বাহিৰে ৰাজ্যখনৰ অন্য প্ৰান্তত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট প্ৰতিযোগিতা সম্ভৱত এইখনেই প্ৰথম। আজি নামিবিয়া আৰু অসম মহিলা দলৰ মাজত অনুষ্ঠিত হ'ল এখন এদিনীয়া আন্তঃৰাষ্ট্ৰীয় ফ্ৰেণ্ডলি মেছ। খেলখনত অসম দলে বিদেশী দল নামিবিয়াক ৯৮ ৰানত পৰাস্ত কৰে। নামিবিয়াৰ কেপ্টেইন চুনে উইট্ৰমেনে টছত জয়ী হৈ ফিল্ডিং কৰাৰ সিদ্ধান্ত লোৱাত ঘৰুৱা দল অসমে পোনতে বেটিং কৰি ৪৪.১ অভাৰত সকলো উইকেট হেৰুৱাই ২৪৬ ৰান কৰে। দলৰ গায়ত্ৰী গুৰুঙে ৫৮(৮×৪), অধিনায়িকা উমা ছেত্ৰীয়ে ৫৭(৯×৪, ২×৬), অমন্তিকা মুণ্ডাই ২৭, মণিষা দাসে ১৫, ফ্লৰিনা টায়েই ১৪ ৰান কৰে। নামিবিয়াৰ ছাইমা তুহাডেলেনিয়ে ৩৭ ৰানত তিনিটা, উইলকা মওটাইলে ৩৮ ৰানত দুটা, কেপ্টেইন চুনে উইট্ৰমেনে ৩৯ ৰানত দুটা, এভিলিন কেজাৰুকুৰা আৰু মেকেলায়ে মওটাইলে এটাকৈ উইকেট পায়। প্ৰত্যুত্তৰত নামিবিয়াই বেটিং কৰিবলৈ লৈ ৪০.১ অভাৰত ১৪৮ ৰানত ইনিংছ সামৰে। দলৰ উইলকা মওটাইলেই অপৰাজিতভাৱে ৪১(৩×৪, ১×৬), মেকেলায়ে মওটাইলেই ২৫, কেলিন গ্ৰীণে ২২, মেজেৰলি গৰাচেচে ১৫ ৰানৰ বৰঙণি আগবঢ়ায়। অসমৰ ৰশ্মিয়ে ৪৪ ৰানত চাৰিটা, মণিষা দাসে ৮ ৰানত দুটা উৰ্মিলা ছেটোৰ্জী, প্ৰিয়ংকা কলিতা আৰু গায়ত্ৰী গুৰুং এটাকৈ উইকেট পায়। খেলৰ আৰম্ভণিতে অসম ক্ৰিকেট সন্থাৰ কোষাধ্যক্ষ তথা মঙলদৈ ক্ৰীড়া সন্থাৰ প্ৰাক্তন সাধাৰণ সম্পাদক অনুপম ডেকাই বিদেশী দল নামিবিয়াৰ লগতে অসম দলটোকো উষ্ম আদৰণি জনায়।

### কোঁচ ৰাজবংশী জনগোষ্ঠীৰ কৃষ্টি-সংস্কৃতি বিকাশৰ আহ্বান

# চতুৰ্থ কামতা মিউজিক ফেষ্টিভেলৰ লগত সংগতি ৰাখি পাঁচশ নাচনীয়ে প্ৰদৰ্শন কৰিলে কৃশান-গোৱালিনী-হুদুম নৃত্য




**অসম বাৰ্তা, বাসুগাঁও, ১০ জানুৱাৰী ঃ** চতুৰ্থ কামতা মিউজিক ফেষ্টিভেলৰ লগত সংগতি ৰাখি আজি অঞ্চলৰ পাঁচশ নাচনীয়ে প্ৰদৰ্শন কৰে গোৱালনী-কৃশান আৰু হুদুম নৃত্য। কোকৰাঝাৰ চহৰৰ নিকটৱৰ্তী দিয়াঝিজিৰি গাঁৱৰ তাৰাং নৈৰ পাৰত উক্ত কোঁচ ৰাজবংশী জনগোষ্ঠীৰ কৃষ্টি প্ৰদৰ্শন অনুষ্ঠানত বি টি চি পৰিষদৰ ভাৰপ্ৰাপ্ত কাৰ্যবাহী সদস্য কৰ্মেশ্বৰ ৰায় উপস্থিত থাকে। তেওঁ অনুষ্ঠানটিত কোঁচ ৰাজবংশী জনগোষ্ঠীৰ বৰ্ণাঢ্য কৃষ্টি-সংস্কৃতি সমূহ হেৰাই যাবলৈ ধৰিছে বুলি কয়। কিন্তু একাংশ শিল্পীৰ নেৰানেপেৰা প্ৰচেষ্টাত উত্তোৰণৰ দিশত আগবাঢ়ি অহাত তেওঁলোকক ধন্যবাদ জ্ঞাপন কৰে। কোঁচ ৰাজবংশী কালচাৰেল ছ'চাইটিৰ সভাপতি বুদ্ধেশ্বৰ ৰায়ে কয় যে কোঁচ ৰাজবংশী জনগোষ্ঠী সিচৰিত হৈ থকা অসম, বেংগল, নেপাল, বাংলাদেশ ইত্যাদি ঠাইৰ কলাকৃষ্টি ঐক্যবদ্ধ হৈ আগবাঢ়ি যাব লাগিব। লগতে কোঁচ ৰাজবংশী জনগোষ্ঠীৰ হেৰাই যাবলৈ ধৰা কলা-কৃষ্টি সমূহ আগবঢ়াই লৈ যোৱাৰ ক্ষেত্ৰত কমতাপুৰ আৰ্টিছ চছাইটিয়ে যাতে আগবাঢ়ি যায় তাক তেওঁ আহ্বান জনায়। কোঁচ ৰাজবংশী কালচাৰেল ছ'চাইটিও উক্ত ক্ষেত্ৰত বিভিন্ন কাম-কাজ কৰি অহা বুলি উল্লেখ কৰে। অনুষ্ঠানটিত কমতাপুৰ অটোনমাচ কাউন্সিলৰ অধ্যক্ষ হিতেশ্বৰ বৰ্মনেও বক্তব্য দাঙি ধৰে। অনুষ্ঠানটিত কাৰ্যবাহী সদস্য পূৰবী সৰকাৰ, সাধাৰণ সদস্য সবিতা সিংহ, কোঁচ ৰাজবংশী উন্নয়ন পৰিষদৰ সদস্য দুৰ্বাসা মোহন ৰায়, টি চি এল চি চিৰ চেয়াৰমেন নৃপেন ৰায়, চিৰাং জিলা বি জে পি দলৰ সভাপতি ৰতন চন্দ্ৰ ৰায়, প্ৰাক্তন আছু নেতা তথা সমাজকৰ্মী সুভাষ অধিকাৰী আদি উপস্থিত থাকি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে। কামতা মিউজিক ফেষ্টিভেল উদ্‌যাপন সমিতিৰ সভাপতি হেমন্ত কুমাৰ বৰ্গনৰ সভাপতিত্বত অনুষ্ঠানটি পৰিচালনাত বিশেষ ভূমিকা গ্ৰহণ কৰে শিল্পী ডিজেন্দ্ৰ কোচ, দিলীপ ৰায় আৰু ধনজিত বৰ্মনে। উল্লেখযোগ্য যে যোৱা পহিলা জানুৱাৰীত পাঁচ হাজাৰ নাচনীয়ে একেলগে নৃত্য পৰিৱেশন কৰাৰ কথা আছিল যদিও বিশেষ অসুবিধা হেতু সম্ভৱ হোৱা নাছিল।

### চুৰহাব উদ্দিন নতুন প্ৰাৰ্থীত্ব প্ৰত্যাশী হিচাপে আত্মপ্ৰকাশ

# ধিং বিধানসভা সমষ্টিত কংগ্ৰেছ প্ৰাৰ্থীত্বৰ যুঁজ তীব্ৰ

**অসম বাৰ্তা, বটদ্ৰৱা, ১০ জানুৱাৰী ঃ** আগন্তুক ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ দিন যিমানেই ওচৰ চাপি আহিছে, সিমানেই নগাঁও জিলাৰ ৫৫ নং ধিং বিধানসভা সমষ্টিত কংগ্ৰেছ দলৰ নিৰ্বাচনী তৎপৰতা বৃদ্ধি পাইছে। দিনক-দিনে এই সমষ্টিত কংগ্ৰেছৰ প্ৰাৰ্থীত্ব প্ৰত্যাশীৰ সংখ্যা বাঢ়ি গৈ আছে, যাৰ ফলত প্ৰাৰ্থীত্বৰ যুঁজ অধিক আকৰ্ষণীয় হৈ পৰিছে। ইতিমধ্যে প্ৰত্যাশীৰ সংখ্যা ডেৰ কুৰিটাতকৈও অধিক হৈছে, আজি আকৌ এগৰাকী নতুন প্ৰাৰ্থীত্ব প্ৰত্যাশী হিচাপে ওলাই আহিছে চুৰহাব উদ্দিন। সংখ্যালঘু অধ্যুষিত এই সমষ্টিটো বিগত প্ৰায় ২০ বছৰ ধৰি অল ইণ্ডিয়া য়ুনাইটেড ডেমোক্ৰেটিক ফ্ৰণ্ট (এ আই ইউ ডি এফ)ৰ দখলত আছে। এ আই ইউ ডি এফৰ পক্ষৰ পৰা কেৱল এগৰাকী প্ৰত্যাশী থকাৰ বিপৰীতে, কংগ্ৰেছত নবীন-প্ৰবীণ আৰু আজীৱন দলৰ বিভিন্ন পদত কাম কৰি অহা নেতাসকলে প্ৰাৰ্থীত্ব বিচাৰি নিৰ্বাচনী প্ৰচাৰত নামি পৰিছে। ইতিমধ্যে মনোৱাৰ, আনোৱাৰ, আনোৱাৰা, ৰাইহানকে আদি নামৰ প্ৰত্যাশীসকলৰ মাজত আজি যোগ দিছে চুৰহাব উদ্দিনে। চুৰহাব উদ্দিনে নিজকে ছাত্ৰাৱস্থাৰ পৰাই কংগ্ৰেছৰ এগৰাকী কৰ্মী হিচাপে পৰিচয় দিয়ে। তেওঁ বিভিন্ন সময়ত দলৰ প্ৰাথমিক সদস্য হিচাপে কাম কৰি আহিছে আৰু পেচাত এগৰাকী ঠিকাদাৰ। আজি সমষ্টিটোৰ কদমনি ৰামপুৰ সত্ৰত তেওঁৰ প্ৰাৰ্থীত্বৰ দাবীত সহস্ৰাধিক পুৰুষ-মহিলা কংগ্ৰেছ কৰ্মী ওলাই আহিছে। এইসকল কৰ্মীয়ে কংগ্ৰেছৰ শীৰ্ষ নেতৃত্বৰ ওচৰত চুৰহাব উদ্দিনক প্ৰাৰ্থীত্ব প্ৰদান কৰিবলৈ দাবী উত্থাপন কৰিছে। এই পৰিস্থিতিত ধিং সমষ্টিত কংগ্ৰেছৰ অভ্যন্তৰীণ প্ৰতিযোগিতা তীব্ৰ হোৱাত নিৰ্বাচনী পৰিৱেশ অধিক উত্তেজনাপূৰ্ণ হৈ পৰিছে। দলৰ নেতৃত্বই কাক চূড়ান্ত প্ৰাৰ্থী হিচাপে ঘোষণা কৰিব সেয়া এতিয়া চৰ্চাৰ বিষয় হৈ পৰিছে।

# আই কে একাডেমীৰ দ্বিতীয় বাৰ্ষিক অধিৱেশনৰ সামৰণি

**অসম বাৰ্তা, জনীয়া, ১০ জানুৱাৰী ঃ** বৰপেটা জিলাৰ অন্তৰ্গত জনীয়াৰ সালেকুৰাত ২০২৩ চনত জেহেৰুল ইছলাম খানৰ প্ৰচেষ্টাত প্ৰতিষ্ঠিত জে আই কে একাডেমীৰ দ্বিতীয় বাৰ্ষিক অধিবেশন ৬ আৰু ৭ জানুৱাৰী দুদিনীয়া কাৰ্যসূচীৰে সফল সামৰণি পৰে। কাৰ্যসূচী মতে ৬ জানুৱাৰীত ৮ বজাত পতাকা উত্তোলন কৰে জে আই কে একাডেমীৰ অভিভাৱক সমিতিৰ সভাপতি তাইজ উদ্দিন আহমেদে। কাৰ্যসূচী মতে পুৱা ৯ বজাৰ পৰা গছ পুলি ৰোপণ, কাষ্টম, আকস্মিক বক্তৃতা, কবিতা আবৃত্তি প্ৰতিযোগিতা অনুষ্ঠিত হয়। অন্তিম দিনা অৰ্থাৎ ৭ জানুৱাৰীত পুৱা ১১ বজাত অধিবক্তা লোকমান হুছেইন খানৰ তত্ত্বাৱধানত কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হয়। আবেলি ১ বজাত মন্দিয়া আঞ্চলিক কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যাপক লিয়াকত খানৰ সভাপতিত্বত মুকলি সভা উদ্বোধন কৰে জে আই কে প্ৰাক্তন সভাপতি দীপক কুমাৰ সৰকাৰে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে জে আই কে একাডেমীৰ অধ্যক্ষ ৰেচমা নাচৰিনে। অতিথি আদৰণি পৰ্ব পৰিচালনা কৰে জে আই কে একাডেমীৰ প্ৰতিষ্ঠাপক জেহৰুল ইছলাম খানে। উক্ত মুকলি সভাত সন্মানীয় অতিথি হিচাপে জনীয়া আঞ্চলিক গ্ৰাম উন্নয়ন পৰিষদৰ সভাপতি আব্দুল মালিক, জনীয়া ফখৰুদ্দিন আলী আহমেদ মেমোৰিয়েল ছিনিয়ৰ ছেকণ্ডাৰী স্কুলৰ পি জি টি জহুৰ উদ্দিন আহমেদ, কাদং হাইস্কুলৰ সহকাৰী শিক্ষক হাইদৰ তালুকদাৰ, জনীয়া প্ৰেছ ক্লাবৰ সভাপতি মইনুল হক চৌধুৰী, আমন্ত্ৰিত অতিথি হিচাপে জনীয়া গাঁও পঞ্চায়তৰ সভানেত্ৰী আফছানা পাৰবিন, কবি তথা লেখক নুৰ মহম্মদ, সংখ্যালঘু সংগ্ৰাম পৰিষদৰ বৰপেটা জিলা সমিতিৰ সভাপতি ইব্ৰাহিম আলী, জনীয়া সালেকুৰা বজাৰ কমিটিৰ সম্পাদক ছাহজাহান আলী, জনীয়া সালেকুৰা ব্যৱসায় সন্থাৰ সভাপতি ইউছুব আলী হাফিজ উপস্থিত থাকে। সন্ধিয়া ৫ বজাত সাংস্কৃতিক কাৰ্যসূচীৰ শুভ উদ্বোধন কৰে জনীয়া গাঁও পঞ্চায়তৰ জি পি চি চিৰাজুল হকে।

# কাটৰি চাপৰি উচ্চ মাধ্যমিক বিদ্যালয়ৰ ৪৫ সংখ্যক বাৰ্ষিক অধিৱেশন আৰু অভিভাৱক সন্মিলনৰ সামৰণি

**অসম বাৰ্তা, লখিমপুৰ বিশেষ, ১০ জানুৱাৰী ঃ** লখিমপুৰ শিক্ষাখণ্ডৰ অন্তৰ্গত কাটৰি চাপৰি উচ্চ মাধ্যমিক বিদ্যালয়ৰ ৪৫ সংখ্যক বাৰ্ষিক অধিৱেশন আৰু অভিভাৱক সন্মিলনৰ আজি সামৰণি পৰে। যোৱা ৬ জানুৱাৰীৰ পৰা পাঁচদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হৈছিল বাৰ্ষিক অধিৱেশনখন। আজি মুকলি সভা আৰু বঁটা বিতৰণী অনুষ্ঠান অনুষ্ঠিত হয়। বাৰ্ষিক অধিৱেশনৰ প্ৰথমদিনা পতাকা উত্তোলন কৰে কাটৰি চাপৰি উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক প্ৰশান্ত হাজৰিকাই। বাৰ্ষিক অধিৱেশনৰ লগত সংগতি ৰাখি বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত পাঁচোদিনতে ক্ৰীড়া, সাহিত্য, কৃষ্টি, সাংস্কৃতিক প্ৰতিযোগিতা অনুষ্ঠিত হয়। আজি দুপৰীয়া ১২ বজাৰ পৰা মুকলি সভা আৰু বঁটা বিতৰণী সভা অনুষ্ঠিত হয়। মুকলি সভা আৰু বঁটা বিতৰণী সভাত সভাপতিত্ব কৰে কাটৰি চাপৰি উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক খুদিৰাম মুদৈয়ে তথা সভাৰ উদ্বোধন কৰে কাটৰি চাপৰি উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক লক্ষ্মীনাৰায়ণ শইকীয়াই। নিৰ্দিষ্ট বক্তাৰ ভাষণ প্ৰদান কৰে বিহপুৰীয়াস্থিত মাধৱদেৱ উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ভৱ পূজাৰীয়ে। আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে কাটৰি চাপৰি উচ্চ মাধ্যমিক বিদ্যালয় পৰিচালনা সমিতিৰ উপ-সভাপতি দিনমণি মহন্ত, কাটৰি চাপৰি উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক দণ্ডিনাথ বৰা, ৰূপেশ্বৰ মুদৈ, ৰূপহী উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক কমল নেওগ আদি উপস্থিত থাকে। সভাৰ শেষত পুৰস্কাৰ প্ৰাপ্ত ছাত্ৰ-ছাত্ৰীসকলক বঁটা প্ৰদান কৰা হয়।

# উচ্ছেদিত ৰাইজক বৃহৎ খাদ্য-সামগ্ৰী বিতৰণ জমিয়তৰ

**অসম বাৰ্তা, মোৰাঝাৰ, ১০ জানুৱাৰী ঃ** যোৱা এসপ্তাহ পূৰ্বে যমুনা-মৌডংগা সংৰক্ষিত বনাঞ্চলত হোজাই জিলা প্ৰশাসনে ৬০০০ বিঘা ভূমিত ১২৫০ পৰিয়ালক বৃহৎ উচ্ছেদ অভিযান সম্পন্ন কৰাৰ পিছতে উচ্ছেদিত ৰাইজে আঠটাকৈ স্থানত অস্থায়ী শিবিৰ স্থাপন কৰি আশ্ৰয় লৈ আছিল। শিবিৰত আশ্ৰয় লোৱা লোকসকলৰ মাজত খোৱা-বোৱা আদিকৰি বিভিন্ন সমস্যাই দেখা দিছিল। আজি সেই লোক সকলক ৰাজ্যিক জমিয়তৰ সভাপতি মস্তাক আনফৰ নেতৃত্বাধীন জমিয়তৰ এটি সঁজাতি দলে বৃহৎ আকাৰৰ খাদ্য-সামগ্ৰী লৈ উক্ত শিবিৰ সমূহত উপস্থিত হৈ ৰাইজৰ মাজত বিতৰণ কৰে। বিতৰণ কৰাৰ সময়চোৱাত উপস্থিত থাকে হোজাই জিলা জমিয়তৰ সাধাৰণ সম্পাদক মুফতি নুৰ আহমেদ, উপ-সভাপতি কপিল উদ্দিন আদিকৰি বিভিন্ন স্তৰৰ নেতৃবৰ্গ। আজি মৌলানা মস্তাক আনফৰৰ এই সহায় লাভ কৰি উচ্ছেদিত ৰাইজে জমিয়তৰ শলাগ লোৱাৰ লগতে মস্তাক আনফৰক ধন্যবাদ জনায়। লগতে উচ্ছেদিত ৰাইজক বাসস্থানৰ বাবে চৰকাৰৰ পৰা কমেও আধা বিঘাকৈ আনি দিবলৈ মস্তাক আনফৰক অনুৰোধ জনায়।

### যন্ত্ৰই কেতিয়াও মানুহৰ হৃদয় আৰু মগজু আন্দোলিত আৰু আহ্লাদিত কৰিব নোৱাৰে, গ্ৰন্থইহে মানুহৰ মন-মগজু বিকাশ কৰিব পাৰে ঃ নিতুমনি শইকীয়া

# নৈনৈপৰীয়া গ্ৰন্থ উৎসৱ আৰু কৃষিমেলা উদ্বোধন প্ৰতিদিন টাইমৰ মুখ্য সম্পাদক নিতুমণি শইকীয়াৰ

**অসম বাৰ্তা, বঢ়মপুৰ, ১০ জানুৱাৰী ঃ** "যন্ত্ৰই কেতিয়াও মানুহৰ হৃদয় আৰু মগজু আন্দোলিত আৰু আহ্লাদিত কৰিব কৰিব নোৱাৰে, গ্ৰন্থইহে মানুহৰ মন-মগজু বিকাশ কৰিব পাৰে" এই মন্তব্যৰে নগাঁৱৰ "নৈনৈপৰীয়া গ্ৰন্থ উৎসৱ আৰু কৃষি মেলা"ৰ শুভ উদ্বোধন কৰে প্ৰতিদিন টাইমৰ মুখ্য সম্পাদক নিতুমনি শইকীয়াই। নগাঁৱৰ নৈনৈ হাঁহিলা বিলৰ পাৰৰ জুবিন গাৰ্গ ক্ষেত্ৰত আজিৰে পৰা চাৰিদিনীয়াকৈ অনুষ্ঠিত হৈছে গ্ৰন্থ উৎসৱ আৰু কৃষিমেলাৰ। এই গ্ৰন্থমেলাত বহুকেইখন গ্ৰন্থ বিপণী আৰু থলুৱাভাৱে উৎপাদিত শাক-পাচলিৰ বিপণীয়ে অংশগ্ৰহণ কৰে। গ্ৰন্থ উৎসৱৰ দিনকেইটাত বিশিষ্ট সাহিত্যিক ময়ূৰ বৰা, বুদ্ধিজীৱি চিন্তাবিদ হীৰেন গোঁহাই, সাহিত্যিক জয়ন্ত মাধৱ বৰা, বিশিষ্ট কবি প্ৰণৱ কুমাৰ বৰ্মণ, নগাঁও জিলাৰ আয়ুক্ত দেৱাশীষ শৰ্মা, নগাঁও বিশ্ববিদ্যালয়ৰ উপাধ্যক্ষ হিতেশ ডেকাৰ লগতে বহু কেইগৰাকী কবি-সাহিত্যিক উপস্থিত থাকিব বুলি জানিব পৰা গৈছে।

# অভয়াপুৰী শংকৰদেৱ শিশু নিকেতনত "সপ্ত শক্তি সংগম" মাতৃ সন্মিলন

**অসম বাৰ্তা, সৃজনগ্ৰাম, ১০ জানুৱাৰী ঃ** অভয়াপুৰী শংকৰদেৱ শিশু নিকেতনত ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ শতবৰ্ষ উদ্‌যাপনৰ অংশ হিচাপে ভাতৃ সংগঠনসমূহৰ জৰিয়তে বিভিন্ন সমাজমুখী কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। এই কাৰ্যসূচীৰ অংশ হিচাপে সমগ্ৰ অসমত থকা শংকৰদেৱ শিশু নিকেতনসমূহত অভিভাৱক তথা বিশেষকৈ মাতৃসকলক সামাজিক আৰু নৈতিক দিশত অধিক সজাগ কৰি তুলিবলৈ "সপ্ত শক্তি সংগম" শীৰ্ষক এক মাতৃ সন্মিলন অনুষ্ঠানৰ আয়োজন কৰা হয়। এই কাৰ্যসূচীৰ লগত সংগতি ৰাখি অভয়াপুৰী শংকৰদেৱ শিশু নিকেতনত অনুষ্ঠিত এই অনুষ্ঠানত অঞ্চলটোৰ বিভিন্ন ঠাইৰ পৰা অহা বহু সংখ্যক মাতৃয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানত মাতৃসকলক সমাজ গঠন আৰু সন্তান গঢ়াৰ ক্ষেত্ৰত থকা গুৰুত্বপূৰ্ণ ভূমিকা সম্পৰ্কে আলোকপাত কৰা হয়। বক্তাসকলে কয় যে এখন সুস্থ, শক্তিশালী আৰু সংস্কৃতিসম্পন্ন সমাজ গঢ়ি তুলিবলৈ মাতৃৰ অৱদান অপৰিসীম। সন্তানৰ আখল-বাখল, নৈতিকতা আৰু মূল্যবোধ গঢ়াৰ ক্ষেত্ৰত মাতৃয়ে কেন্দ্ৰীয় ভূমিকা পালন কৰে। অনুষ্ঠানত সমাজৰ বিভিন্ন ক্ষেত্ৰত উল্লেখযোগ্য অৱদান আগবঢ়োৱা অঞ্চলৰ কেইবাগৰাকী মাতৃক সম্বৰ্ধনা জনোৱা হয়। এই সম্বৰ্ধনাৰ জৰিয়তে মাতৃসকলৰ আত্মবিশ্বাস বৃদ্ধি কৰাৰ লগতে সমাজৰ মাজত তেওঁলোকৰ অন্তৰ্নিহিত প্ৰতিভা আৰু গুণসমূহ আগবঢ়াই ধৰাৰ প্ৰয়াস কৰা হয়। আয়োজকসকলে উল্লেখ কৰে যে বহু মাতৃৰ ভিতৰত থকা নেতৃত্ব, সংগঠনিক দক্ষতা, সামাজিক দায়িত্ববোধ আদি গুণ সমাজৰ কল্যাণৰ বাবে ব্যৱহাৰ হ'ব পাৰিলে সমাজ অধিক শক্তিশালী হ'ব। "সপ্ত শক্তি সংগম"ৰ মূল লক্ষ্য হৈছে মাতৃসকলক একত্ৰিত কৰি তেওঁলোকক সচেতন, সংগঠিত আৰু সক্ৰিয় কৰা। এই ধৰণৰ কাৰ্যসূচীৰ জৰিয়তে মাতৃসকলৰ মাজত সামাজিক সচেতনতা বৃদ্ধি পোৱাৰ লগতে দেশ, সমাজ আৰু পৰিয়ালৰ প্ৰতি দায়িত্ববোধ অধিক দৃঢ় হয় বুলি আয়োজকসকলে মত প্ৰকাশ কৰে। অভয়াপুৰী শংকৰদেৱ শিশু নিকেতনক কেন্দ্ৰ কৰি আয়োজন কৰা এই অনুষ্ঠানটোৱে অঞ্চলজুৰি এক ইতিবাচক বাৰ্তা প্ৰেৰণ কৰিবলৈ সক্ষম হৈছে।

# ধিঙৰ খৈৰামাৰী কান্ধুলীমাৰীত অসম গণ পৰিষদ দলৰ প্ৰাৰ্থীত্ব প্ৰত্যাশী পাৰবিন চুলতানাৰ নিৰ্বাচনী তৎপৰতা

**অসম বাৰ্তা, বটদ্ৰৱা, ৰঞ্জু জানুৱাৰী ঃ** নগাঁও জিলাৰ ৫৫ নং ধিং বিধানসভা সমষ্টিত অসম গনপৰিষদ দলৰ প্ৰাৰ্থীত্ব প্ৰত্যাশী পাৰবিন চুলতানায় নিৰ্বাচনী তৎপৰতা অধিক তীব্ৰ কৰি তুলিছে। উল্লেখ্য যে বিগত প্ৰায় ২০ বছৰ ধৰি ধিং সমষ্টিটো ধাৰাবাহিক ভাৱে এআইইউডিএফৰ দখলত আছে। এইবাৰ সমষ্টিটো উদ্ধাৰৰ লক্ষ্যৰে মিত্ৰজোঁটৰ পৰা অগপ দলৰ শক্তিশালী প্ৰাৰ্থী পাৰবিন চুলতানাই দলীয় কাৰ্যকলাপৰ লগতে নিজৰ ভেটি মজবুত কৰাত ব্যস্ত হৈ পৰিছে। অসম গনপৰিষদ দলৰ মহিলা মৰ্চাৰ নেত্ৰী হিচাপে দীৰ্ঘদিন ধৰি সংগঠনৰ বিভিন্ন পদত থাকি সক্ৰিয় ভাৱে কাম কৰি অহা পাৰবিন চুলতানই আজি সমষ্টিটোৰ অন্তৰ্গত খৈৰামাৰী কান্ধুলীমাৰীত এখন সভাত অংশ গ্ৰহণ কৰে। ধিং সমষ্টিৰ সভাপতি যুবৎ কলিতাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনত ধিং সমষ্টিৰ সংখ্যালঘু পৰিষদৰ সভাপতি আতাবুৰ ৰহমান উপস্থিত থাকি এ আই ইউ ডি এফ আৰু কংগ্ৰেছক ক্ষুৰধাৰ সমালোচনা কৰাৰ লগতে আগন্তুক বিধানসভা নিৰ্বাচনত মিত্ৰজোঁটৰ প্ৰাৰ্থীক ভোট দিবলৈ ৰাইজক আহ্বান জনায়। আজি খৈৰামাৰী কান্ধুলিমাৰীত অনুষ্ঠিত হোৱা এই সভাখনত ধিং বিধান পৰিষদৰ সম্পাদক মইনুল ইছলাম, ধিং বিধান পৰিষদৰ কৃষক পৰিষদৰ আবুল হাসেন, যুৱপৰিষদৰ সম্পাদক নৱ কলিতা, অগপ নেতা হবিবুৰ ৰহমানৰ লগতে অঞ্চলটোৰ প্ৰায় সহস্ৰাধিক ৰাইজ উপস্থিত থাকে।

### অৰন্য মানৱ যাদৱ পায়েংলৈ ডুগডুগী অসম বঁটা ২০২৫-২৬ ঘোষণা

# যুৱ নেতা তথা যুৱ উদ্যোগী-সমাজকৰ্মী উৎপল বনিয়াৰ উদ্যোগ

### নগাঁৱৰ জ্যেষ্ঠ-কনিষ্ঠ সাংবাদিকৰ সৈতে মত বিনিয়ম অনুষ্ঠান

**অসম বাৰ্তা, নগাঁও, ১০ জানুৱাৰী ঃ** ইংৰাজী নৱবৰ্ষ আৰু জিলাৰ বেবেজীয়াৰ সমীপৰ টোকোলাই বেবেজীয়া পথাৰত মুকলি আকাশৰ তলত আজি জিলাখনৰ শতাধিক অগ্ৰজ আৰু অনুজ সাংবাদিকৰ সৈতে কংগ্ৰেছ দলৰ নেতা-কৰ্মীসকল এক বিনিময় অনুষ্ঠানত মিলিত হয়। নগাঁও জিলা কংগ্ৰেছৰ সাধাৰণ সম্পাদক উৎপল বণিয়াৰ উদ্যোগত আয়োজিত এক মত বিনিময় অনুষ্ঠানত উপস্থিত থকা নগাঁও সদৰ, বেবেজীয়া, ৰহা, কচুৱা আদিৰ পৰা সমবেত হোৱা সংবাদসেৱীসকলক ফুলাম গামোচা, এটি স্মাৰক, কেলেণ্ডাৰ আদিৰে ওলগ জনোৱাৰ লগতে এটি প্ৰীতি ভোজেৰে আপ্যায়িত কৰা হয়। নগাঁও মহিলা কংগ্ৰেছৰ সভানেত্ৰী ৰূপালী শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত অনুষ্ঠানটো নগাঁও জিলা কংগ্ৰেছৰ উপ-সভাপতি ভাস্কৰ গোস্বামী, অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সম্পাদক মৃণাল কুমাৰ হাজৰিকা, সদস্য অপূৰ্ব বৰুৱা, নগাঁও জিলা কংগ্ৰেছৰ সাধাৰণ সম্পাদকদ্বয় দিব্যজ্যোতি বৰা, প্ৰদীপ ডেকা, পাখিমৰীয়া আৰু ৰহা ব্লক কংগ্ৰেছৰ সভাপতিদ্বয় হেমন্ত দাস, মুকুট কোঁৱৰ, সম্পাদকদ্বয় ইশ্ৰাফুল হক, বিশ্ব বৰদলৈ, বঢ়মপুৰ ব্লক কংগ্ৰেছৰ সভাপতি ৰঞ্জিত বৰা, পাখিমৰীয়া আৰু ৰহা ব্লক মহিলা কংগ্ৰেছৰ সভাপতিদ্বয় বুলি বৰা, অলকা দাস, যুৱ কংগ্ৰেছৰ সম্পাদকদ্বয় পংকজ কলিতা, ত্ৰিনয়ন বৰুৱা, নগাঁও জিলা ভাষিক সংখ্যালঘু কোষৰ সভাপতি দুলাল দেবনাথকে ধৰি নগাঁও জিলা আৰু ৰহা সমষ্টিৰ এন এছ ইউ আই সভাপতিদ্বয়, ৰহা সমষ্টিৰ নিৰ্বাচনী পৰ্যবেক্ষকসকল উপস্থিত থাকে। একেটা অনুষ্ঠানতে ডুগডুগী ফাউণ্ডেচনে প্ৰতি বছৰে আগবঢ়াই অহা 'ডুগডুগী অসম বঁটা' ২০২৫-২৬ বৰ্ষৰ বাবে অৰণ্য মানৱ তথা পদ্মশ্ৰী যাদৱ পায়েঙলৈ আগবঢ়োৱা হ'ব বুলি ফাউণ্ডেচনৰ অধ্যক্ষ তথা আজিৰ অনুষ্ঠানটোৰ মূল উদ্যোক্তা উৎপল বণিয়াই ঘোষণা কৰে। চলিত মাহতে প্ৰদান কৰিবলগীয়া উক্ত বঁটাৰ জৰিয়তে নগদ ২৫ হাজাৰ টকা, প্ৰশস্তি-পত্ৰ, জাতীয় বস্ত্ৰ, নাহৰৰ পুলি আদিৰে বঁটাপ্ৰাপক যাদৱ পায়েঙক সন্মানিত কৰা হ'ব।

# চোৰাং গৰুৰ বিৰুদ্ধে ছয়গাঁও আৰক্ষীৰ অভিযান

**অসম বাৰ্তা, ছয়গাঁও, ১১ জানুৱাৰী ঃ** দক্ষিণ কামৰূপৰ ছয়গাঁৱৰ গুমীত শনিবাৰে নিশা চোৰাং গৰুৰ বিৰুদ্ধে অভিযান চলায়। অভিযানত জব্দ ২০টা গৰু সহ চালক আৰু হেন্দিমেন। গোপন তথ্যৰ ভিত্তিত আৰক্ষীয়ে ঘটনাস্থলীৰ পৰা বৃহৎ আকাৰৰ ১১০৯ টেইলৰ গাড়ীখন থানালৈ আনে। থানাত পৰীক্ষা কৰি ২০টা বলধ গৰু থকা বুলি জানিব পাৰে। ইয়াৰ উপৰিও গাড়ীখনৰ চালক হেন্দিমেন সহ মুঠ ৩জন গৰু সৰবৰাহকাৰী মাজগুমীৰ ইউনুচ আলী, আইনাল আলী আৰু মিজানুৰ ৰহমানক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি ছয়গাঁও থানাত জেৰা অব্যাহত কৰিছ।

# ধমধমাত বিৰাট দ্বীনি জলছাহৰ ব্যাপক প্ৰস্তুতি

**অসম বাৰ্তা বিশেষ, ধমধমা, ১১ জানুৱাৰী ঃ** ধমধমাৰ ঐতিহাসিক হজৰত মিলাউদ্দিন খানকাহ মছজিদ পৰিচালনা সমিতিৰ উদ্যোগত আৰু জলছাহ পৰিচালনা সমিতিৰ সহযোগত অহা ১৯ জানুৱাৰীত আয়োজন কৰা হৈছে বিৰাট দ্বীনি জলছাহ। নলবাৰী জিলাৰ ভিতৰতে অতি পুৰণি মছজিদ হজৰত মিলাউদ্দিন খানকাহ মছজিদ পৰিচালনা সমিতিৰ উদ্যোগত আৰু জলছাহ পৰিচালনা সমিতিৰ সহযোগত ১৭০৩ খ্ৰীষ্টাব্দত স্থাপিত হোৱা "মছজিদ"টোৰ চাৰিমহলীয়া পুনৰ নিৰ্মাণ কাৰ্য চলি আছে। মানৱ সমাজত শান্তি-সম্প্ৰীতি, একতা ভাতৃত্ববোধ অক্ষুণ্ন ৰখাৰ স্বাৰ্থত উক্ত মছজিদ প্ৰাংগনত দ্বীনি জলছাহৰ আয়োজন কৰা হৈছে। জনশ্ৰুতি অনুসৰি এই মছজিদটোক কেন্দ্ৰ কৰিয়েই বৃহত্তৰ অঞ্চলটোত ইছলাম ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰ হৈছিল বুলি জনা যায়। এই দ্বীনি জলছাহত অসমৰ জনপ্ৰিয় শিল্পী, জিকিৰ সম্ৰাট বুলবুল হুছেইন মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ লগতে জলছাহত আন্তৰাষ্ট্ৰীয় খ্যাতি সম্পন্ন কলকাতা নিবাসী মৌলানা শ্বেখ আনোৱাৰ হুছেইন চাহেব নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকিব। উদযাপন সমিতিয়ে সমূহ ধৰ্মপ্ৰাণ ৰাইজৰ সহায়-সহযোগিতা উপস্থিতি কামনা কৰিছে।

মেধাৰ ভিত্তিত শিক্ষক নিযুক্তিয়ে বিদ্যালয়ৰ গুণগত মান বৃদ্ধি কৰিছে ঃ নাৰায়ণ ডেকা

# বৰক্ষেত্ৰীৰ ৰামপুৰস্থিত জনতা হাইস্কুলৰ দুমহলীয়া ভৱনৰ নিৰ্মাণ কাৰ্য্যৰ শুভাৰম্ভ



**অসম বাৰ্তা, দৌলাশাল, ১১ জানুৱাৰী ঃ** নলবাৰী জিলাৰ পশ্চিম বৰক্ষেত্ৰীৰ অগ্ৰণী শিক্ষানুষ্ঠান ৰামপুৰস্থিত জনতা উচ্চ মাধ্যমিক বিদ্যালয়ৰ আন্তঃগাঁঠনি উন্নয়নৰ অংশস্বৰূপে আজি দুমহলীয়া ভৱনৰ নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভ কৰা হয়। আৰ.আই.ডি.এফ আঁচনিৰ অধীনত প্ৰায় ৮ কৌটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া দুমহলীয়া ভৱনটোৰ নিৰ্মাণ কাৰ্য শুভাৰম্ভ কৰে গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ তথা বৰক্ষেত্ৰী বিধানসভা সমষ্টিৰ প্ৰাক্তন বিধায়ক নাৰায়ন ডেকাই। গৃহ নিৰ্মাণৰ কাম শুভাৰম্ভ কৰাৰ পাছতেই বিদ্যালয়ৰ ৰংগমঞ্চত বিদ্যালয়প্ৰধান পদ্মধৰ দাসৰ সভাপতিত্বত অনুষ্ঠিত হয় এখনি সভা। সভাত লোকনিৰ্মাণ (গৃহ) বিভাগৰ নলবাৰীৰ কাৰ্যবাহী অভিযন্তা নিকুঞ্জ মোহন গোস্বামীয়ে উপস্থিত থাকি দুমহলীয়া ভৱনটো সম্পৰ্কত মন্তব্য কৰি এবছৰৰ ভিতৰত ভৱনটোৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰাৰ বাবে নিবিদা লাভ কৰা "ময়ূৰ এচোচিয়েট" নামৰ প্ৰতিষ্ঠানটোক আহ্বান জনায়। সভাখনত প্ৰাক্তন বিধায়ক নাৰায়ন ডেকাই ভাষণ প্ৰদান কৰি পশ্চিম বৰক্ষেত্ৰী অঞ্চলত মানৱ সম্পদ গঢ়া ৰামপুৰস্থিত জনতা হাইস্কুল অন্যতম বুলি উল্লেখ কৰে। নাৰায়ন ডেকাই ভাষণ প্ৰসংগত কয় যে- "সাম্প্ৰতিক শিক্ষা ব্যৱস্থাৰ লগত ফেৰ মাৰিব পৰাকৈ হাইস্কুলসমূহৰ আন্তঃগাঁঠনিৰ অভাৱ। ৪০ বছৰ পাছত প্ৰৱৰ্তন হোৱা নতুন শিক্ষানীতিৰ স'তে শিক্ষানুষ্ঠানসমূহে ফেৰ মাৰিব পৰাকৈ অসম চৰকাৰৰ দূৰদৰ্শী মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ তৎপৰতাত বিদ্যালয়ৰ আন্তঃগাঁঠনিৰ কাম আৰম্ভ হৈছে। ইয়াৰে অংশস্বৰূপে প্ৰথম পৰ্যায়ত বৰক্ষেত্ৰীত ৩খন উচ্চতৰ আৰু ১খন উচ্চ মাধ্যমিক বিদ্যালয়ৰ আন্তঃগাঁঠনিৰ বাবে চৰকাৰে পুঁজি আৱণ্টন দিছে বুলিও কয় নাৰায়ণ ডেকাই। বৰক্ষেত্ৰীৰ প্ৰাক্তন বিধায়ক নাৰায়ন ডেকাই ভাষণ প্ৰসংগত পুনৰ কয় যে- "চৰকাৰে এফালে বিদ্যালয়ৰ আন্তঃগাঁঠনি নিৰ্মাণ কৰি আহিছে আৰু আনফালে চৰকাৰী বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা উদ্বেগজনকভাৱে হ্ৰাস পাই আহিছে। ইয়াৰ কাৰণ ব্যাখ্যা কৰি তেখেতে কয় যে- ব্যক্তিগত বিদ্যালয়ত তিনি বছৰতে শিশুসকল বিদ্যালয়লৈ যায়, আনহাতে চৰকাৰী বিদ্যালয়ত পাঁচ/ছয় বছৰত ছাত্ৰ-ছাত্ৰীসকল বিদ্যালয়লৈ যাবলগীয়া হয় বাবে চৰকাৰী বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা হ্ৰাস পাই আহিছে। শেহতীয়াকৈ চৰকাৰী বিদ্যালয়ত এই পৰিৱেশ সৃষ্টি কৰাৰ লক্ষ্যৰে ড° হিমন্ত বিশ্ব শৰ্মাৰ দূৰদৰ্শী চিন্তা-চৰ্চাৰে ইতিমধ্যেই ৰাজ্যৰ প্ৰতিটো প্ৰান্ততে আদৰ্শ অংগনবাড়ী কেন্দ্ৰ নিৰ্মাণ কৰিছে।" চৰকাৰী বিদ্যালয়ত পূৰ্বৰ গুণগত শিক্ষাৰ প্ৰসংগ উত্থাপন কৰি নাৰায়ন ডেকাই কয় যে- পূৰ্বতে মন্ত্ৰী, বিধায়কৰ পাছত ঘূৰি-ফুৰি শিক্ষকৰ চাকৰি লাভ কৰিছিল, যাৰ বাবে বিদ্যালয়ত গুণগত শিক্ষাৰ মান নিম্নমানৰ হৈছিল। যাৰ বাবে বহু ছাত্ৰ-ছাত্ৰীয়ে চৰকাৰী বিদ্যালয় এৰি ব্যক্তিগত বিদ্যালয়লৈ ঢাপলি মেলিছিল। এতিয়া মেধাৰ ভিত্তিত শিক্ষক নিযুক্তি হোৱাৰ বাবে চৰকাৰী বিদ্যালয়ৰ গুণগত মান উন্নতিৰ দিশে ধাৱমান হোৱাত ছাত্ৰ-ছাত্ৰীয়ে পুনৰ চৰকাৰী বিদ্যালয়লৈ ঢাপলি মেলা আৰম্ভ হৈছে বুলিও কয় নাৰায়ন ডেকাই। এই অনুষ্ঠানতে জনতা হাইস্কুলৰ নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত চৰকাৰৰ বিনামূলীয়া চাইকেল বিতৰণ কাৰ্যসূচী শুভাৰম্ভ কৰে বিজেপি নেতা তথা প্ৰাক্তন বিধায়ক নাৰায়ন ডেকাই। বিদ্যালয়খনৰ নৱম শ্ৰেণীৰ ১৫৬ গৰাকী ছাত্ৰ-ছাত্ৰীৰ মাজত চাইকেল বিতৰণ কাৰ্যসূচী শুভাৰম্ভ কৰে নাৰায়ন ডেকাই। অনুষ্ঠানটোত বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি হিতেশ গোস্বামী, সমাজহিতৈষী প্ৰশান্ত কুমাৰ গোস্বামী, আলহাজ তৰমুজ আলী, দৌলাশাল-ৰামপুৰ গাঁও পঞ্চায়তৰ সভানেত্ৰী নিশামণি মেধি, উপ সভানেত্ৰী নমিতা গোস্বামী, অৱসৰপ্ৰাপ্ত শিক্ষক চামচুদ্দিন আহমেদ, মুগিদ গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি তাজ উদ্দিন আহমেদ, ভৱন নিৰ্মাণৰ ঠিকাদাৰ তাৰিক হুছেইনকে ধৰি পশ্চিম বৰক্ষেত্ৰীৰ বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। বিদ্যালয়ৰ কাৰ্যালয় সহায়ক চবিন পাঠকে শলাগৰ শৰাই আগবঢ়োৱাৰ পাছতেই সভা ভংগ হয়।

গেলেকীত অসম হাইস্কুল শিক্ষক সংস্থাৰ শিৱসাগৰ জিলা সমিতিৰ দ্বি-বাৰ্ষিক অধিৱেশন

# "সমাজৰ নৈতিকতাৰ ভেটি গঢ়া শিক্ষকৰ বগা পোচাকযোৰত যদি ক'লা দাগ পৰে তেনে ই ট-ট-কৈ জিলিকি উঠিব আৰু সমাজে বৰ বেয়াকৈ লক্ষ্য কৰিব"

**অসম বাৰ্তা, গেলেকী, ১১ জানুৱাৰী ঃ** শিৱসাগৰ জিলাৰ পৰিসীমাই নগাৰাজ্যক স্পৰ্শ কৰি ৰোৱা ঐতিহাসিক গেলেকীৰ মাজ-মজিয়াত কালিৰেপৰা দুদিনীয়া কাৰ্য্যসূচীৰে অনুষ্ঠিত হৈছে অসম হাইস্কুল শিক্ষক সংস্থাৰ অন্তৰ্গত শিৱসাগৰ জিলা সমিতিৰ ৫১ সংখ্যক দ্বি-বাৰ্ষিক পূৰ্ণাংগ অধিৱেশন। শৈক্ষিক চেতনাৰে আনুষ্ঠানিক মাত্ৰা প্ৰদান কৰিব পৰাকৈ কাৰ্য্যসূচীয়ে সামৰি লোৱা বিজ্ঞানৰ প্ৰকল্পৰ প্ৰদৰ্শনী, কুইজ প্ৰতিযোগিতা, বাৰেৰহনীয়া সাংস্কৃতিক শোভাযাত্ৰা, জ্যোতি-বিষ্ণু-ভূপেন্দ্ৰ আৰু জুবিন গাৰ্গৰ গীতৰ প্ৰতিযোগিতাৰ উপৰিও অসম হাইস্কুল শিক্ষক সংস্থাৰ অবিভক্ত শিৱসাগৰ জিলা সমিতিৰ ন-পুৰণি সদস্য সকলৰ মাজত অন্তৰংগ আলাপ, গ্ৰন্থমেলা আদি অনুষ্ঠানে শৈক্ষিক আৰু সামাজিক ক্ষেত্ৰৰ সকলো লোকৰে দৃষ্টি আকৰ্ষণ কৰে। আহোমযুগৰ বহুবোৰ প্ৰত্নতাত্বিক সমলেৰে সমৃদ্ধ তথা বৃটিছৰ কালৰেপৰা বহুবোৰ চাহ বাগিচাৰে পৰিপূৰ্ণ গেলেকী অলেখ তৈল-কূপ আৰু দেশী বিদেশী কোম্পানীৰ জৰিয়তে তেল অন্বেষণত সততে খাৰুৱা তেলৰ খনিৰে ভাৰত ৰাষ্ট্ৰৰ সমুখত উজ্জ্বল চিনাকি দি অহা গেলেকীত কালিৰেপৰা সমবেত হৈছে শিৱসাগৰ জিলাৰ ভিন্ন প্ৰান্তৰৰ শিক্ষক প্ৰতিনিধি সকল। উদ্‌যাপন থলী বি, দাস মুদি গেলেকী বালিকা উচ্চ মাধ্যমিক বিদ্যালয় চৌহদত লক্ষ্মীমপুৰ, ধেমাজি, গোলাঘাট আদি জিলাৰ পৰাও শিক্ষক সকল আহি উপস্থিত হোৱা কাৰ্য্যসূচীত ৯ জানুৱাৰীৰ দিনা পুৱা উদযাপন সমিতিৰ পতাকা উত্তোলণ কৰে সভাপতি আব্দুল হেলিমে। স্মৃতি তৰ্পণ কৰে বিদ্যালয়ৰ প্ৰধান শিক্ষক তথা যুটীয়া সম্পাদকদ্বয় প্ৰশান্ত ৰাজকোঁৱৰ আৰু তৰুণ চেতিয়াই। অসমৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰি ক্ৰমে শিৱসাগৰ জিলা হাইস্কুল শিক্ষক সংস্থাৰ সভাপতি কেশৱ চন্দ্ৰ দেউৰী, সম্পাদক ৰূপজ্যোতি চেতিয়া সহ "মায়াবিনী" গীতত অংশ লয় উপস্থিত ৰাইজে। গছপুলি ৰোপণ কৰে অৱসৰী শিক্ষক বীৰেণ শইকীয়াই। দুপৰীয়া বাৰেৰহনীয়া সাংস্কৃতিক শোভাযাত্ৰা মুকলি কৰে শিল্পী তথা অ'এনজিচিৰ বিষয়া ভৱানন্দ বড়াই। বিদ্যালয়ৰ ছাত্ৰীৰ দ্বাৰা ৰামায়ন, মহাভাৰতৰ পাঁচোটাকৈ চৰিত্ৰৰ ৰূপ দাঙি ধৰা এই শোভাযাত্ৰাত গেলেকীৰ বিভিন্ন জনগোষ্ঠীৰ সন্মিলিত সংস্কৃতিৰ সমাহাৰ ঘটে। বিজ্ঞান প্ৰদৰ্শনী মুকলি কৰে গেলেকী হাইস্কুলৰ প্ৰধান শিক্ষয়িত্ৰী দিপালী বৰুৱাই। কুইজ প্ৰতিযোগিতা মুকলি কৰে অৱসৰী প্ৰধান শিক্ষয়িত্ৰী ৰেৱিকা ৰাজখুৱাই আৰু বিষ্ণুপ্ৰসাদ ৰাভা, জ্যোতিপ্ৰসাদ আগৰৱালা, ভূপেন হাজৰিকা, জুবিন গাৰ্গৰ গীতৰ একক আধুনিক নৃত্য প্ৰতিযোগিতা মুকলি কৰে প্ৰাক্তন প্ৰধান শিক্ষয়িত্ৰী জুনু দেৱীয়ে। ইফালে শিৱসাগৰ জিলা হাইস্কুল শিক্ষক সংস্থাৰ প্ৰাক্তন সভাপতি বীৰেন বৰাৰ মধ্যস্থতাত আগবাঢ়ে অবিভক্ত শিৱসাগৰ জিলা সমিতিৰ ন-পুৰণি শিক্ষক সকলৰ মনোজ্ঞ অন্তৰংগ আলাপ। ১০ জানুৱাৰীৰ পুৱা অসম হাইস্কুল শিক্ষক সংস্থাৰ পতাকা উত্তোলন কৰে শিৱসাগৰ জিলা সমিতিৰ সভাপতি কেশৱ চন্দ্ৰ দেউৰীয়ে। প্ৰথম পৰ্যায়ৰ প্ৰতিনিধি সভাৰ দুৱাৰ মুকলি কৰে প্ৰাক্তন ৰাজ্যিক সম্পাদক ৰাজেন শৰ্মাই। "সমাজৰ নৈতিকতাৰ ভেটি গঢ়া শিক্ষকৰ বগা পোচাকযোৰত যদি কলা দাগ পৰে তেনে ই ট-ট-কৈ জিলিকি উঠিব আৰু সমাজে বৰ বেয়াকৈ লক্ষ্য কৰিব।" কেশৱ চন্দ্ৰ দেউৰীৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাৰ উদ্বোধন কৰি গেলেকী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ তথা বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি সুৰেশ চেতিয়াই এই তাৎপৰ্য্য পূৰ্ণ বক্তব্য দাঙি ধৰে। ভাষণ প্ৰসংগত প্ৰাক্তন অধ্যক্ষ জনে লগতে কয় যে শিক্ষকৰ বৃত্তি সম্পূৰ্ণ সামাজিক দায়বদ্ধতাৰে আৱদ্ধ। আন কোনো ব্যক্তিক সমাজে এনে দৃষ্টিৰে লক্ষ্য নকৰে আৰু সেই বাবেই শিক্ষক সকল প্ৰতিটো খোজতে সতৰ্কতাৰে আগুৱাই যাব লাগিব বুলি কয়। সভাত "প্ৰজ্ঞাধ্বনি" নামাংকিত ৰাম নায়ক আৰু নীলিমা গগৈ সম্পাদিত স্মৃতিগ্ৰন্থ উন্মোচন কৰে নাজিৰা সমজিলাৰ তথ্য আৰু জনসংযোগ বিষয়া ড° বৰ্ণালী দত্তই। স্মৃতিগ্ৰন্থৰ প্ৰকাশৰ বাবে বিশেষ বৰঙনি যোগোৱা প্ৰয়াত শিক্ষক টুলটুল হাজৰিকাৰ সহধৰ্মিনী মামণি শৰ্মা হাজৰিকাক সম্বৰ্ধনা জনোৱাৰ লগতে কেইবাজনো সামাজিক সংগঠনৰ বিষয়ববীয়াক আদৰণি জনোৱা হয়। সভাত কেন্দ্ৰীয় সমিতিৰ সভাপতি সুনন্দ কলিতা, সম্পাদক ৰমেন দুৱৰাই গুৰুত্বপূৰ্ণ বক্তব্য দাঙি ধৰে। বাতৰি লিখাৰ পৰলৈকে প্ৰতিনিধি সভা অব্যাহত আছে।

# বিশিষ্ট শিক্ষাবিদ হেম বৰাৰ দেহাৱসান; ছয়দুৱাৰত শোক



**অসম বাৰ্তা, গহপুৰ, ১১ জানুৱাৰী ঃ** জীৱনৰ সুদীৰ্ঘ দিন শিক্ষকতা বৃত্তিৰ সৈতে নিয়োজিত হৈ ছাত্ৰ-ছাত্ৰীৰ জীৱন জ্ঞানৰ আলোকেৰে আলোকিত কৰি তোলা বৃহত্তৰ ছয়দুৱাৰ অঞ্চলৰ বিশিষ্ট শিক্ষাবিদ হেম বৰা(৯২) আৰু নাই। বাৰ্ধক্যজনিত কাৰণত জীৱন-মৃত্যুৰে যুঁজি আজি বিয়লি প্ৰায় ৩ বজাত অঞ্চলটোৰ পূব বৰঙাবাৰী গাঁৱৰ নিজা বাসগৃহত শেষ নিশ্বাস ত্যাগ কৰে তেওঁ। নিষ্ঠা আৰু সততাৰে শৈক্ষিক সেৱা আগবঢ়াই ১৯৯৬ চনত মধ্য ছয়দুৱাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা এগৰাকী সফল অধ্যক্ষ হিচাপে অৱসৰ গ্ৰহণ কৰা হেম বৰা শিক্ষকতাৰ উপৰিও বিভিন্ন সামাজিক, ৰাজহুৱা আৰু ধৰ্মীয় অনুষ্ঠানৰ লগত ওতপ্ৰোতভাৱে জড়িত আছিল। এসময়ত তেওঁ কৃষক অধিকাৰ সুৰক্ষা সমিতিৰ কেন্দ্ৰীয় উপ সভাপতি আৰু শোণিতপুৰ জিলা সমিতিৰ সভাপতিৰ দৰে গুৰু দায়িত্ব বহন কৰি খাটিখোৱা কৃষক সকলৰ প্ৰাপ্য অধিকাৰৰ হকে মাত মাতি আহিছিল। ছয়দুৱাৰ অখণ্ড ভাগৱত পাঠ পৰিচালনা সমিতিৰ সভাপতিৰ দায়িত্বত থকা হেম বৰাই পূব বৰঙাবাৰী গাঁও উন্নয়ন সমিতিৰ একেৰাহে ৩৬ বছৰ কাল সভাপতিৰ দায়িত্বত অধিষ্ঠিত আছিল। মধ্য ছয়দুৱাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতিৰ দায়িত্বও বহন কৰিছিল তেওঁ। তদুপৰি বৰঙাবাৰীৰ মৰ্ণিং ষ্টাৰ হাইস্কুলৰ বিদ্যালয় পৰিচালনা সমিতিৰ দ্বিতীয় গৰাকী সভাপতি আছিল হেম বৰা। এগৰাকী ধৰ্মপ্ৰাণ ব্যক্তি হিচাপে পৰিচিত মৃদুভাষী আৰু অতিথিপৰায়ণ হেম বৰাৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে লগে শোকস্তব্ধ হৈ পৰে বৃহত্তৰ ছয়দুৱাৰ অঞ্চল। অগণন গুণমুগ্ধ আৰু আত্মীয় স্বজনৰ লগতে স্থানীয় ৰাইজ তেওঁৰ বাসগৃহত উপস্থিত হৈ হেম বৰাৰ নশ্বৰদেহত শেষ শ্ৰদ্ধা নিবেদন কৰে। মৃত্যুৰ সময়ত তেওঁ অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী পত্নী সেউতী বৰা, জ্যেষ্ঠ পুত্ৰ তথা স্বাস্থ্য কৰ্মী পংকজ বৰা, কনিষ্ঠ পুত্ৰ তথা গহপুৰ মহকুমা সাংবাদিক সন্থা(আজু)ৰ সভাপতি পল্লৱ বৰা আৰু দুগৰাকী বোৱাৰীৰ লগতে তিনিটি নাতি-নাতিনীৰ উপৰিও বহু ইষ্ট-কুটুমক ইহ-সংসাৰত এৰি থৈ গৈছে। তেওঁৰ মৃত্যুত শোণিতপুৰ লোকসভা সমষ্টিৰ সাংসদ ৰঞ্জিত দত্ত, গহপুৰ বিধান সভা সমষ্টিৰ বিধায়ক উৎপল বৰা, সদৌ অসম সাংবাদিক সন্থা(আজু), বিশ্বনাথ জিলা সাংবাদিক সন্থা, গহপুৰ মহকুমা সাংবাদিক সন্থা, গহপুৰ মহকুমা প্ৰেছ গীল্ড, মানৱ অধিকাৰ সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় সমিতি, বিশ্বনাথ জিলা সাহিত্য সভা, বৰঙাবাৰী মৰ্ণিং ষ্টাৰ হাইস্কুল, সুৰভি সাহিত্য সমাজ, পঞ্চৰত্ন কবি চক্ৰ, মধ্য ছয়দুৱাৰ লেখিকা সমাৰোহ সমিতি, ছয়দুৱাৰ জ্যেষ্ঠ নাগৰিক মঞ্চ, পূব বৰঙাবাৰী গাঁও উন্নয়ন সমিতি, ছয়দুৱাৰ অখণ্ড ভাগৱত পাঠ পৰিচালনা সমিতি, মধ্য ছয়দুৱাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়, টেটোনবাৰী গাঁও পঞ্চায়ত, বৰঙাবাৰী ব্যৱসায়ী সন্থা, বৰঙাবাৰী ফ্ৰেণ্ডছ ক্লাব, স্বৰ্ণদল চিত্ৰবন শাখা সাহিত্য সভা, বৰঙাবাৰী বাট থিয়েটাৰ, বৰঙাবাৰী মহিলা সমিতি, কনকলতা নাট্য কলা ভৱন পৰিচালনা সমিতি প্ৰমুখ্যে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ব্যক্তিয়ে গভীৰ শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে। আজি সন্ধিয়া এক শোকাকুল পৰিৱেশত তেওঁৰ শেষকৃত্য সম্পন্ন কৰা হয়।

# ৰহাৰ জ্যেষ্ঠ সাংবাদিক বুলন চন্দ্ৰ নাথক 'কনক চন্দ্ৰ শৰ্মা সোঁৱৰণী সাংবাদিক বঁটা' প্ৰদান



**অসম বাৰ্তা, ৰহা, ১১ জানুৱাৰী ঃ** পৰিশ্ৰমী আৰু নিষ্ঠাৱান সাংবাদিকক অনুপ্ৰেৰণা দিবলৈ আৰু ভৱিষ্যতৰ সফল সাংবাদিক গঢ়াৰ মানসেৰে 'দৈনিক জনমভূমি'য়ে ১৯৯২ চনত প্ৰৱৰ্তন কৰা 'কনক চন্দ্ৰ শৰ্মা সোঁৱৰণী সাংবাদিক বঁটা' ২০২৫ বৰ্ষৰ বাবে সাংবাদিক বুলন চন্দ্ৰ নাথক প্ৰদান কৰা হয়। দৈনিক জনমভূমি কাকতৰ গুৱাহাটীৰ প্ৰাগ টাবাৰাত থকা কাৰ্যালয়ত আজি আয়োজন কৰা এক অনুষ্ঠানত বুলন চন্দ্ৰ নাথক এই বঁটা প্ৰদান কৰা হয়। বঁটাত আছে গামোচা, প্ৰশস্তি-পত্ৰ, এটি স্মাৰক আৰু নগদ ১০, ০০০ টকা। বঁটা প্ৰদান গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত 'দৈনিক জনমভূমি'ৰ কাৰ্যবাহী সম্পাদক সঞ্জীৱ কুমাৰ ফুকন, জনমভূমি প্ৰেছ প্ৰাইভেট লিমিটেডৰ পৰিচালন সঞ্চালক সুব্ৰত শৰ্মা, প্ৰাগ নিউজৰ গ্ৰুপ প্ৰেছিডেণ্ট ডাঃ অক্ষতা নাৰায়ণ, প্ৰাগ নিউজৰ মুখ্য প্ৰবন্ধক তথা জনমভূমিৰ প্ৰকাশক চন্দ্ৰশেখৰ শৰ্মা, প্ৰাগ নিউজৰ কাৰ্যবাহী সম্পাদক দেবজিত ভূঞা, প্ৰাগ নিউজৰ চি ই অ' চিত্ৰৰঞ্জন ডেকা আৰু বঁটাপ্ৰাপক বুলন চন্দ্ৰ নাথৰ পৰিয়ালবৰ্গকে ধৰি জনমভূমি, প্ৰাগ পৰিয়ালৰ সদস্যসকল উপস্থিত থাকে। বঁটা প্ৰদানৰ আগমুহূৰ্তত 'দৈনিক জনমভূমি'ৰ জন্মদাতা জননায়ক দেবেশ্বৰ শৰ্মা আৰু কৰ্মযোগী কনক চন্দ্ৰ শৰ্মাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰা হয়। অনুষ্ঠানত ভাষণ প্ৰদান কৰি সুব্ৰত শৰ্মাই এই বঁটা প্ৰদান অনুষ্ঠান অব্যাহত ৰখাৰ বাবে প্ৰাগৰ পৰিয়ালক ধন্যবাদ জ্ঞাপন কৰি বঁটাপ্ৰাপক বুলন চন্দ্ৰ নাথক অভিনন্দন জনায়। প্ৰাগ নিউজৰ কাৰ্যবাহী সম্পাদক দেবজিত ভূঞাই বঁটা প্ৰাপকক অভিনন্দন জনাই কয় যে যি মানুহে বেছিকৈ কাম কৰি ভাল পায়, কামত বিশ্বাস কৰে তেওঁ বঁটাৰ বাবে কাম নকৰে। কিন্তু এটা বঁটা, সন্মান আৰু স্বীকৃতিয়ে এজন ব্যক্তিক জীৱনৰ বাটত আগবাঢ়ি যাবলৈ এটা সঞ্জীৱনীৰ ভূমিকা পালন কৰে। আনহাতে, সাংবাদিকতাৰ বৃত্তি আজিৰ সময়ত প্ৰবল প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে বুলি উল্লেখ কৰি তেওঁ বঁটাপ্ৰাপক বুলন চন্দ্ৰ নাথক সংবাদজগতৰ বাবে নিষ্ঠাৰে কাম কৰি যাবলৈ আহ্বান জনায়। বঁটা গ্ৰহণ কৰি সাংবাদিক বুলন চন্দ্ৰ নাথেও তেওঁৰ অনুভৱ ব্যক্ত কৰে। 'দৈনিক জনমভূমি'ৰ জন্মদাতা দেৱেশ্বৰ শৰ্মা আৰু কনক চন্দ্ৰ শৰ্মাৰ অৱদানক সুঁৱৰি কাকতখনৰ লগত জড়িত হোৱাৰ সুখ আৰু সাংবাদিকতা সেৱাৰ সন্দৰ্ভত বক্তব্য ৰাখি এই বঁটা প্ৰদান কৰাৰ বাবে তেওঁ কাকত গোষ্ঠীক ধন্যবাদ জ্ঞাপন কৰে। উল্লেখযোগ্য যে নগাঁও জিলাৰ ৰহাৰ কলঙৰ পাৰত থকা দীঘলদৰি গাঁৱত ১৯৬৮ চনত জন্মগ্ৰহণ কৰা বুলন চন্দ্ৰ নাথে ছাত্ৰ অৱস্থাৰ পৰা সদৌ অসম ছাত্ৰ সন্থাৰ লগত জড়িত হৈ ৰহা আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি, নগাঁও জিলা ছাত্ৰ সন্থাৰ উপ-সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। ২০০১ চনৰ পৰা সাংবাদিকতাৰ ক্ষেত্ৰখনত জড়িত হৈ পৰা নাথে ৰাজ্যৰ কেইবাখনো দৈনিক কাকতৰ জৰিয়তে সংবাদসেৱা আগবঢ়োৱাৰ লগতে ২০১৫ চনত 'দৈনিক জনমভূমি' কাকতৰ সৈতে জড়িত হৈ স্থানীয় বা-বাতৰি কাকতখনলৈ নিষ্ঠাপূৰ্ণ সেৱা আগবঢ়াই আহিছে।

# মৰিগাঁও শংকৰদেৱ শিশু নিকেতন, মানিপুৰৰ ২০ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ১১ জানুৱাৰী ঃ** মৰিগাঁও জিলাৰ মানিপুৰস্থিত শংকৰদেৱ শিশু নিকেতনত ৰবিবাৰে নিকেটনখনৰ ২০ সংখ্যক প্ৰতিষ্ঠা দিৱস উৎসাহ-উদ্দীপনাৰে উদযাপন কৰা হয়। পুৱা পতাকা উত্তোলন আৰু প্ৰাৰ্থনাৰে কাৰ্যসূচীৰ আৰম্ভণি হয়। ইয়াৰ পিছতে অনুষ্ঠিত মুকলি সভাত বিদ্যালয় পৰিচালনা সমিতিৰ সদস্য, শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক তথা বহু সংখ্যক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। সভাত বিদ্যালয়ৰ প্ৰধান আচাৰ্যই বিদ্যালয়খনৰ দুটা দশকৰ শৈক্ষিক যাত্ৰাৰ ওপৰত আলোকপাত কৰি নৈতিক শিক্ষা, সংস্কাৰ সন্দৰ্ভত গুৰুত্ব বৰ্ণনা কৰে। আমন্ত্ৰিত অতিথিসকলে নিকেতনৰ আদৰ্শৰ আধাৰত ছাত্ৰ-ছাত্ৰীসকলক গঢ়ি তোলাৰ ক্ষেত্ৰত বিদ্যালয়খনৰ ভূমিকাক প্ৰশংসা কৰে। অনুষ্ঠানৰ অংশ হিচাপে ছাত্ৰ-ছাত্ৰীসকলে সমবেত সংগীত, নৃত্য, আবৃত্তি আৰু নাটকৰ দৰে মনোজ্ঞ সাংস্কৃতিক কাৰ্যসূচী পৰিৱেশন কৰে। এই অনুষ্ঠানৰ সফল আয়োজনৰ মাজেৰে উদ্‌যাপিত এই প্ৰতিষ্ঠা দিৱসে বিদ্যালয় পৰিয়ালৰ মাজত এক উৎসৱমুখৰ পৰিৱেশ সৃষ্টি কৰে। পৰৱৰ্তী সময়ত দিনৰ এক বজাত নিকেতনতখনৰ প্ৰতিষ্ঠা দিৱসৰ লগত সঙ্গতি ৰাখি এখনি মুকলি সভা অনুষ্ঠিত কৰা হয়। এই মুকলি সভাত উপস্থিত থাকে, মুখ্য অতিথি, হিচাপে দীপক কুমাৰ নাথ, (সমন্বয়ক মণ্ডল সমল কেন্দ্ৰ মানিপুৰ, সমগ্ৰ শিক্ষা, অসম) বিশিষ্ট অতিথি, উদ্ধৱ কোঁৱৰ, প্ৰধান আচাৰ্য শংকৰদেৱ শিশু নিকেতন, গড়মাৰী, শিৱ প্ৰসাদ বৰদলৈ, সভাপতি মানিপুৰ গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়তৰ সদস্যা প্ৰেম লতা দেৱী সহ বহু সংখ্যক লোক উপস্থিত থাকে।

# ৰহাৰ শিক্ষাবিদ সমাজকৰ্মী ৰমণী কুমাৰ ভূঞাৰ স্মৃতিচাৰণ সভা

**অসম বাৰ্তা, ৰহা, ১১ জানুৱাৰী ঃ** ৰহাৰ পশ্চিম গড়মাৰী নিবাসী তথা শ্ৰীশ্ৰী কাংশপাৰ সত্ৰৰ এজন জ্যেষ্ঠ ভকত, শিক্ষাবিদ, সমাজকৰ্মী ৰমণী কুমাৰ ভূঞাৰ আদ্যশ্ৰাদ্ধৰ লগত সংগতি ৰাখি এখন স্মৃতিচাৰণ সভা অনুষ্ঠিত হয়। ভূঞাৰ নিজা বাসগৃহত অনুষ্ঠিত স্মৃতিচাৰণ সভাখনত সভাপতিত্ব কৰে ৰহা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক যতীন্দ্ৰ কুমাৰ পাৰৈয়ে। উক্ত সভাখনতে ভূঞাৰ স্মৃতিত সঞ্জয় কুমাৰ কাকতিৰ সম্পাদনাত প্ৰয়াত ৰমণী কুমাৰ ভূঞাৰ পৰিয়ালবৰ্গই প্ৰকাশ কৰি উলিওৱা 'স্মৃতিৰ সৌৰভ' নামৰ স্মৰণিকাখন আনুষ্ঠানিকভাৱে উন্মোচন কৰে ৰহা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ কমল চন্দ্ৰ শৰ্মাই। স্মৰণিকাখন উন্মোচন কৰি প্ৰাক্তন অধ্যক্ষ শৰ্মাই প্ৰয়াত ভূঞাৰ জীৱন-আদৰ্শৰ ওপৰত বিতং ভাৱে আলোকপাত কৰে। অনুষ্ঠানত ৰহা শাখা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সভাপতি মাধৱ চন্দ্ৰ নাথ, ৰহা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ মণিৰাম নাথ, ৰহা মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষ অনিল ভূঞা বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি প্ৰয়াত ভূঞাই সমাজ আৰু সাহিত্যৰ বাবে আগবঢ়োৱা অৱদানক শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। সঞ্জয় কুমাৰ কাকতিয়ে আঁত ধৰা স্মৃতিচাৰণ সভাখনত শ্ৰীশ্ৰী কাংশপাৰ সত্ৰৰ ভকত গোপিনী সহ ৰহা শাখা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সাধাৰণ সম্পাদক দিলীপ চন্দ্ৰ মুদৈ, সমাজকৰ্মী গণেশ হাজৰিকা, ডিম্বেশ্বৰ ভূঞা, ভৰত কুমাৰ ভূঞা আদিৰ উপৰি পৰিয়ালৰ ফালৰ পৰা মৃতকৰ জীয়ৰী নিহাৰ জ্যোতি ভূঞা স্মৃতিচাৰণ কৰে।

# বিন্নাকান্দি সমষ্টিৰ ৬৩ আৰু ৬৮ নং ভোটকেন্দ্ৰত ভোটাৰৰ বিশেষ সজাগতা সভা



**অসম বাৰ্তা, ডবকা, ১১ জানুৱাৰী ঃ** হোজাই জিলাৰ বিন্নাকান্দি বিধানসভা সমষ্টিত ভোটাৰসকলৰ মাজত সজাগতা বৃদ্ধি কৰাৰ লক্ষ্যৰে দেওবাৰে এক গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত কৰা হয়। সমগ্ৰ অসমৰ লগতে চলি থকা ভোটাৰ তালিকাৰ বিশেষ সংশোধনী প্ৰক্ৰিয়াৰ অংশ হিচাপে ১১ জানুৱাৰী তাৰিখে বিন্নাকান্দি সমষ্টিৰ অন্তৰ্গত ডবকা মাতলা উল উলুম হাইস্কুলত দিনৰ প্ৰায় ১০বজাত এখন বিশেষ ভোটাৰ সজাগতা সভা অনুষ্ঠিত কৰা হয়। এই বিশেষ বাৰ্ড সভাখন ৬২ নং বিন্নাকান্দি বিধানসভা সমষ্টিৰ অধীনস্থ ডবকা পৌৰ এলেকাৰ ৱাৰ্ড নং ৬, ৭ আৰু ৮ নং ৱাৰ্ডত বসবাস কৰা ভোটাৰসকলৰ বাবে আয়োজন কৰা হয়। সভাৰ মূল উদ্দেশ্য আছিল অহা ১০ ফেব্ৰুৱাৰী তাৰিখে প্ৰকাশ পাবলগীয়া শুদ্ধ আৰু ত্ৰুটিমুক্ত ভোটাৰ তালিকা প্ৰস্তুত কৰাত ভোটাৰ সকলৰ সক্ৰিয় অংশগ্ৰহণ নিশ্চিত কৰা। সভাত ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্তি, নাম সংশোধন, ঠিকনা পৰিৱৰ্তন, নাম বিয়োজন আদি বিষয়সমূহৰ ওপৰত বিস্তৃতভাৱে আলোচনা কৰা হয়। লগতে যোগ্য ভোটাৰ সকলক নিজৰ নাম ভোটাৰ তালিকাত আছে নে নাই সেয়া পৰীক্ষা কৰিবলৈ আৰু কোনো ত্ৰুটি থাকিলে সময়মতে সংশোধনৰ বাবে আবেদন জনাবলৈ আহ্বান জনোৱা হয়। আজিৰ এই সভাত উপস্থিত থাকে বুথ লেভেল বিষয়াৰ পৰিদৰ্শক প্ৰশান্ত হাজৰিকা, ৬২ নং কেন্দ্ৰৰ বুথ লেভেল বিষয়া বুৰহান উদ্দিন তালুকদাৰ, ৬৮ নং বুথ লেভেল বিষয়া বিৰেন দাস, ডবকা পৌৰ সভাৰ আয়ুক্তা বেবী ৰাণী দেৱনাথ, ডবকা পৌৰ সভাৰ কৰ্মচাৰী ৰাজনাৰায়ণ দাস আৰু দলীয় বি, এল, এ চিজুল হালদাৰ। অনুষ্ঠানত উপস্থিত বুথ লেভেল বিষয়া সকলে ভোটাৰ সকলক নিৰ্বাচনী প্ৰক্ৰিয়াৰ গুৰুত্ব বুজাই দিয়ে আৰু গণতান্ত্ৰিক ব্যৱস্থাত সচেতন ভোটাৰৰ ভূমিকা সন্দৰ্ভতো বক্তব্য আগবঢ়ায়। একেদৰে ডবকা মধ্য ইংৰাজী বিদ্যালয়ৰ ৬১ নং ভোট কেন্দ্ৰৰ বুথ লেভেল বিষয়া খাইৰুল আলম তালুকদাৰে ডবকা পৌৰ সভাৰ আয়ুক্ত আব্দুল খয়ৰাত (আচুক) পৌৰ সভাৰ কৰ্মচাৰী ৰজৱ আলী আৰু দলীয় বি, এল, এ প্ৰতিনিধি স্বাহাব উদ্দিন, স্থানীয় সচেতন যুৱক জিয়াব উদ্দিনৰ সহযোগত আজিৰ সভাখন সুচাৰুৰূপে সমাপ্ত কৰে। আজি সমষ্টিৰ বিভিন্ন ভোট কেন্দ্ৰত অনুষ্ঠিত হোৱা এই সভাত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি নিজৰ সন্দেহ আৰু প্ৰশ্নসমূহ উত্থাপন কৰে। এইধৰণৰ সজাগতা সভাই ভোটাৰ সকলৰ মাজত নিৰ্বাচনী সচেতনতা বৃদ্ধি কৰাৰ লগতে আগন্তুক দিনত এখন শুদ্ধ আৰু বিশ্বাসযোগ্য ভোটাৰ তালিকা প্ৰস্তুত কৰাত গুৰুত্বপূৰ্ণ ভূমিকা ল'ব বুলি আশা প্ৰকাশ কৰে।

আফগানিস্থান-থাইলেণ্ডৰ বিপনীৰে ভৰিছে মঙলদৈ বাণিজ্য মেলা

# মঙলদৈত আন্তঃৰাষ্ট্ৰীয় শীতকালীন বাণিজ্য মেলা আৰম্ভ



**অসম বাৰ্তা, মঙলদৈ, ১১ জানুৱাৰী ঃ** মঙলদৈ গান্ধী মৈদানত অসম বাণিজ্য উন্নয়ন সংস্থাৰ উদ্যোগত যোল্ল দিনীয়াকৈ অনুষ্ঠিত হৈছে আন্তঃৰাষ্ট্ৰীয় শীতকালীন বাণিজ্য মেলা। শনিবাৰে গধূলি বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া বাণিজ্য মেলা উদ্বোধন কৰে। এই উপলক্ষে অনুষ্ঠিত অনুষ্ঠানত ভাগ লৈ ভাষণ প্ৰসংগত সভাপতি গৰাকীয়ে কয় যে ৰাজ্যৰ বিভিন্ন অঞ্চলত বাণিজ্য মেলা অনুষ্ঠিত কৰি অসম বাণিজ্য উন্নয়ন সংস্থাই ৰাজ্যৰ থলুৱা উদ্যোগীসকলক এখন বজাৰ লাভৰ বাট দেখুৱাই দিছে। বাণিজ্য উন্নয়ন সংস্থাৰ এনে পদক্ষেপে ৰাজ্যৰ অৰ্থনীতিত, উদ্যোগীক বিকাশত বিশেষ প্ৰভাৱ পেলাব। অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰি অসম বাণিজ্য উন্নয়ন সংস্থাৰ অধ্যক্ষ সুনীল ডেকাই কয় যে ২০২২ চনৰ পৰা থলুৱা উদ্যোগীক এখন বজাৰ দিয়াৰ লক্ষ্যৰে ৰাজ্যৰ ভিন্ন প্ৰান্তত অসম বাণিজ্য উন্নয়ন সংস্থাই বাণিজ্য মেলা অনুষ্ঠিত কৰি আহিছে। এই বাণিজ্য মেলাৰ জৰিয়তে দেশ-বিদেশৰ উদ্যোগীৰে সমন্বয় গঢ়ি অসমৰ থলুৱা উদ্যোগীসকল আগবাঢ়ি যোৱাৰ বাট মুকলি কৰিবৰ লক্ষ্য নিৰ্ধাৰণ কৰা। কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উল্লেখ্য যে বাণিজ্য মেলাত অসমৰ বিভিন্ন জিলাৰ লগতে পঞ্জাৱ, হাৰিয়ানা, জম্মু-কাশ্মীৰ, দিল্লী, ৰাজস্থান, গুজৰাট, উত্তৰ প্ৰদেশ, কৰ্ণাটক, মহাৰাষ্ট্ৰ, কলকাতা, কেৰেলা, মুম্বাই আদি ৰাজ্যৰ ডেৰ শতাধিক বিপনীৰ লগতে আফগানিস্তান, থাইলেণ্ড ডুবাই আদি বিদেশী ৰাষ্ট্ৰৰ বিপণীয়েও অংশগ্ৰহণ কৰিছে। বাণিজ্য মেলাত জন্ম শতবাৰ্ষিকী উপলক্ষে সুধাকণ্ঠ ভূপেন হাজৰিকা, প্ৰাণৰ শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধা জনাই বিশেষ সাংস্কৃতিক কাৰ্যসূচীত লগতে প্ৰতিদিনে সন্ধিয়া জনপ্ৰিয় শিল্পীৰ আকৰ্ষণীয় সাংস্কৃতিক অনুষ্ঠানৰো ব্যৱস্থা কৰা হৈছে। অনুষ্ঠানত অসম বাণিজ্য উন্নয়ন সন্থাৰ অধ্যক্ষ সুনীল ডেকা, উষাধ্যক মধুৰাম ডেকা, মহাপন্ধক এছ আৰ মণ্ডল, প্ৰক্তন বিধায়ক গুৰুজোতি দাস সহ বিশিষ্ট ব্যক্তি সকল উপস্থিত থাকে।

## সম্পাদকীয়

# নৃশংস ধৰ্ষণকাণ্ড, ন্যায় আৰু আইনৰ সীমাৰেখা

**কো**কৰাঝাৰ সদৰ চহৰত মানসিকভাৱে অসুস্থ এগৰাকী যুৱতীৰ ওপৰত চলোৱা নৃশংস ধৰ্ষণকাণ্ডই সমগ্ৰ সমাজক এক অসহনীয় মানসিক আঘাত দিলে। এই বৰ্বৰতাৰ বাবে সৃষ্টি হোৱা ৰোষ আৰু বিক্ষোভৰ মাজতে, অভিযুক্ত ৰফিকুল ইছলামৰ আৰক্ষীৰ হেফাজতত থাকোঁতে পলাবলৈ যোৱা আৰু তাৰ ফলত হোৱা গুলীচালনাৰ ঘটনাই এখন সভ্য সমাজত আইন-শৃংখলা আৰু ন্যায় প্ৰক্ৰিয়াক লৈ আতংকিত প্ৰশ্নৰ এন্ধাৰে আকৌ এবাৰ আগুৰি ধৰিছে।

প্ৰাথমিকভাৱে, এই ঘটনাটোৱে সাধাৰণ মানুহৰ মনত কেইটামান জৰুৰী প্ৰশ্ন সৃষ্টি হৈছে। প্ৰথমতে, এজন অভিযুক্তক কোৰ্টলৈ নিওঁতে নিৰাপত্তাৰ ইমান অভাৱ কিয়? শৌচৰ বাবে গাড়ী ৰখোৱাৰ সময়ত এজন অভিযুক্তই আৰক্ষীক আক্ৰমণ কৰাৰ সুযোগ পোৱাটোৱে আৰক্ষীৰ গাফিলতি সূচায় নেকি? দ্বিতীয়তে, গুলীচালনাৰ প্ৰয়োজনীয়তা আছিল নে? 'পলাবলৈ চেষ্টা' কৰা এজন ব্যক্তিৰ ভৰিত লক্ষ্যবদ্ধ গুলী চলোৱাটো আইনীভাৱে কিমানদূৰ যুক্তিসংগত? নে এইটো এটা 'এনকাউণ্টাৰ'ৰ দাবী কৰি থকা উত্তাল জনতাক সন্তুষ্ট কৰাৰ এক প্ৰক্ৰিয়া? তৃতীয়তে, ধৰ্ষণৰ ভয়াবহ অভিযোগৰ তদন্ত কলৈ গ'ল? এই গুলীচালনাৰ ঘটনাই সেই মূল ঘটনাৰ বিচাৰ আৰু ন্যায়ৰ প্ৰক্ৰিয়াক প্ৰভাৱিত নকৰিব নেকি?

ইয়াৰ এটা দিশ হৈছে আইন-শৃংখলা ৰক্ষাকাৰী শক্তিৰ ওপৰত থকা জনসাধাৰণৰ আস্থাৰ সন্দেহ। আৰক্ষীয়ে এই কাৰ্য্যক 'আত্মৰক্ষা' আৰু 'পৰিস্থিতি নিয়ন্ত্ৰণ'ৰ বুলি ক'লেও, জনতাই ইয়াক সম্ভাব্য 'বিচাৰবহিৰ্ভূত' বুলি ভাবিব পাৰে। আনহাতে, ধৰ্ষণৰ দৰে জঘন্য অপৰাধৰ বাবে অভিযুক্ত এজনৰ পলায়নৰ চেষ্টা আৰু আক্ৰমণৰ মনোবৃত্তিয়ে সমাজত থকা দুষ্ট শক্তিৰ নিৰ্ভয়তা দেখুৱাই, সাধাৰণ মানুহক অসহায় আৰু ৰাগান্বিত কৰি তুলিছে।

আনটো গুৰুত্বপূৰ্ণ দিশ হ'ল, আইনৰ শাসন। কোনো অভিযুক্তই যিকোনো কাৰণতে পলাবলৈ চেষ্টা কৰাটো অপৰাধ, আৰু তাক বাধা দিয়াটো আৰক্ষীৰ দায়িত্ব। কিন্তু সেই দায়িত্ব পালন কৰোঁতেও আইনী সীমা ৰেখাডাল অতিক্ৰম কৰা অনুচিত। গুলীচালনাৰ সম্পূৰ্ণ ঘটনাৰ নিৰপেক্ষ তদন্ত হোৱা উচিত, বিশেষকৈ মানৱ অধিকাৰ আয়োগৰ দৰে স্বাধীন সংস্থাৰ দ্বাৰা। লগতে, মূল ধৰ্ষণ মোকৰ্দমাটোৰ দ্ৰুত আৰু নিৰ্ভৰযোগ্য তদন্ত হৈ শীঘ্ৰেই বিচাৰ আৰম্ভ হোৱা প্ৰয়োজন, যাতে ন্যায় প্ৰক্ৰিয়ালৈ বিশ্বাস অক্ষুণ্ণ ৰাখিব পৰা যায়।

ঘটনাটোৱে আমাক কেৱল এটা নিৰ্দিষ্ট অপৰাধীৰ কথাহে নুবুজায়, ই আমাৰ সমাজৰ ৰুগ্ন মানসিকতা, নিৰাপত্তা ব্যৱস্থাৰ ত্ৰুটি আৰু আইন প্ৰয়োগকাৰীৰ প্ৰশিক্ষণৰ দিহা-পৰামৰ্শলৈও আঙুলি তুলিছে। শেষত, এই কথা স্পষ্ট যে, অপৰাধী যিমানেই ঘৃণনীয় নহওক, বিচাৰ হ'ব আইনী প্ৰক্ৰিয়াৰে। আৰু ন্যায় পাব লাগিব ধৰ্ষণৰ বলি হোৱা গৰাকীৰ। কোনো গুলীৰ শব্দই যেন সেই মূল কাৰ্য্যটোৰ ওপৰত পৰ্দা পেলাব নোৱাৰে।

# বিদ্যালয়ত বাতৰি কাকত পঢ়া বাধ্যতামূলক কৰক

**উ**ত্তৰ প্ৰদেশৰ পিছত এইবাৰ ৰাজস্থান চৰকাৰেও চৰকাৰী বিদ্যালয়ত বাতৰি কাকত পঢ়া বাধ্যতামূলক কৰিছে। অসম চৰকাৰেও বিদ্যালয় সমূহত বাতৰি কাকত পঢ়া বাধ্যতামূলক কৰিব লাগে বুলি মই ভাবো, কিয়নো বৰ্তমান সময়ত বাতৰি কাকত বা আলোচনী আদি অনলাইন মাধ্যমত অতি সহজেই উপলব্ধ যাৰ ফলত ছাত্ৰ-ছাত্ৰীয়ে ছপা মাধ্যমৰ বাতৰি কাকত বা আলোচনী পঢ়িবলৈ আগ্ৰহ প্ৰকাশ নকৰে। কিন্তু এখন ছপা মাধ্যমৰ বাতৰি কাকত বা আলোচনী এখনে ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক জগত খনৰ বিশেষ পৰিবৰ্তন ঘটাব পাৰে। বিদ্যালয়ত বাতৰি কাকত পঢ়া বাধ্যতামূলক কৰিলে ছাত্ৰ-ছাত্ৰীৰ বানান উচ্চাৰণ শুদ্ধ হ'ব আৰু শব্দ ভাণ্ডাৰ যথেষ্ট পৰিমাণে বৃদ্ধি পাব ইয়াৰ উপৰিও ছাত্ৰ-ছাত্ৰীয়ে সাম্প্ৰতিক ঘটনাৱলী সম্পৰ্কে জ্ঞান লাভ কৰিব লগতে ছাত্ৰ-ছাত্ৰীয়ে নিজকে বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবেও প্ৰস্তুত কৰিব পাৰিব। গতিকে অসম চৰকাৰেও এই পদক্ষেপ লোৱা উচিত ইয়াৰ ফলত ছাত্ৰ-ছাত্ৰীয়ে বহু প্ৰকাৰে উপকৃত হ'ব।

*হীৰক কলিতা, নলবাৰী*

# ঘন কুঁৱলীৰ ধূসৰতা আৰু পথ সুৰক্ষাৰ সংকট

**শী**তৰ নিস্তব্ধতাৰ সুযোগ লৈ প্ৰকৃতিৰ বুকুত বিয়পি পৰা ঘন কুঁৱলীৰ শুভ্ৰ চাদৰখনে যিদৰে এক মায়াবী পৰিৱেশৰ সৃষ্টি কৰে, ঠিক সেইদৰেই ই যাতায়তৰ ক্ষেত্ৰত এক অলংঘ্য প্ৰত্যাহ্বান হৈ থিয় দিয়ে। কুঁৱলীৰ এই ঘোলাটে আৱৰণে বায়ুমণ্ডলক এনেদৰে আচ্ছন্ন কৰি পেলায় যে পথৰ দৃশ্যমানতা প্ৰায় শূন্যৰ কাষ চাপে, যাৰ ফলত চালকসকলে সমুখত থকা বিপদৰ সংকেতসমূহ সঠিক সময়ত উপলব্ধি কৰাত ব্যৰ্থ হয়। এই দৃশ্যমানতাৰ অভাৱেই হৈছে পথ দুৰ্ঘটনাৰ প্ৰাথমিক আৰু প্ৰধান কাৰক। ঘাইপথসমূহত তীব্ৰবেগী যান-বাহনবোৰে যেতিয়া কুঁৱলীৰ কৱলত পৰে, তেতিয়া এক নিমিষতে বহুতো জীৱনৰ চাকি নিমিষতে নুমাই যোৱাৰ উপক্ৰম হয়। অস্পষ্টতাৰ মাজত বাহনৰ মাজৰ নিৰাপদ দূৰত্বৰ জোখ হেৰুৱাই পেলোৱাৰ বাবে প্ৰায়েই এলানি বাহন ইখনৰ পাছত সিখনকৈ খুন্দা খোৱা বা 'চেইন এক্সিডেণ্ট'ৰ দৰে মৰ্মান্তিক ঘটনা সংঘটিত হোৱা দেখা যায়।

পথ দুৰ্ঘটনাৰ এই ভয়াৱহতাৰ আঁৰত কেৱল প্ৰকৃতিৰ হাত থাকে বুলিলে ভুল হ'ব, ইয়াত মানৱীয় বিসংগতি আৰু অসতৰ্কতাৰ ভূমিকাও অনস্বীকাৰ্য। বহু সময়ত চালকসকলে নিজৰ বাহনৰ যান্ত্ৰিক সক্ষমতাৰ ওপৰত অতিমাত্ৰা বিশ্বাস কৰি এনে প্ৰতিকূল বতৰতো তীব্ৰ গতিৰে বাহন চলোৱাৰ দুসাহস কৰে। কুঁৱলীৰ সময়ত পথবোৰ সেমেকা আৰু পিচ্ছিল হৈ থকাৰ ফলত জৰুৰীকালীন অৱস্থাত ব্ৰেক প্ৰয়োগ কৰিলে বাহনখন পিছলি যোৱাৰ সম্ভাৱনা অধিক থাকে। তদুপৰি, উপযুক্ত ফগ-লাইটৰ অভাৱ বা জৰুৰীকালীন সংকেত ব্যৱহাৰত কৰা অৱহেলাই মৃত্যুক অধিক ওচৰ চপাই আনে। ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত অনিয়ন্ত্ৰিতভাৱে ৰৈ থকা বাহনবোৰো কুঁৱলীৰ সময়ত একো একোটা মৰণফান্দত পৰিণত হয়।

প্ৰকৃতিৰ এই ধূসৰতাক জয় কৰিবলৈ হ'লে আমাক পৰিপক্ক চিন্তা আৰু উচ্চ পৰ্যায়ৰ সতৰ্কতাৰ প্ৰয়োজন। কেৱল কাৰিকৰী সঁজুলি বা চৰকাৰী নীতি-নিয়মেৰে এই দুৰ্ঘটনা ৰোধ কৰা সম্ভৱ নহয়। ইয়াৰ বাবে প্ৰয়োজন প্ৰতিজন চালকৰ ব্যক্তিগত দায়বদ্ধতা। কুঁৱলীৰ ঘন আৱৰণৰ মাজত যাত্ৰা কৰোঁতে ধৈৰ্য্য আৰু সংযম হেৰুৱাই পেলোৱা মানেই হ'ল বিপদক আমন্ত্ৰণ জনোৱা। গতি নিয়ন্ত্ৰণ কৰা, হাই-বীমৰ পৰিৱৰ্তে লো-বীম লাইট ব্যৱহাৰ কৰা আৰু সমুখৰ বাহনৰ পৰা পৰ্যাপ্ত ব্যৱধান ৰখাটো একো একোটা অনিবাৰ্য কৰ্তব্য। সামগ্ৰিকভাৱে ক'বলৈ গ'লে, কুঁৱলীৰ অস্পষ্টতাই আমাৰ দৃষ্টিশক্তি সীমিত কৰিব পাৰে, কিন্তু আমাৰ বিবেক আৰু সচেতনতাক যেন আচ্ছন্ন কৰিব নোৱাৰে। পথ সুৰক্ষাৰ ক্ষেত্ৰত গ্ৰহণ কৰা সামান্যতম সাৱধানতাই একোটা পৰিয়ালক চৰম শোকৰ পৰা ৰক্ষা কৰিব পাৰে আৰু এইয়াই হওক আমাৰ প্ৰতিজন সচেতন নাগৰিকৰ সংকল্প।

*কুঞ্জিল হাজৰিকা*
*যোৰহাট, টীয়ক*

◀◀ প্ৰধানমন্ত্ৰীৰ দৰে দেশৰ সৰ্বোচ্চ পদবীত থাকোঁতেও লালবাহাদুৰ শাস্ত্ৰীয়ে নিজৰ পৰিয়ালক সদায় বিলাসিতা আৰু চৰকাৰী সুযোগ-সুবিধাৰ পৰা সম্পূৰ্ণ নিলগত ৰাখিছিল। তেওঁৰ জীৱনত কোনো ধৰণৰ আড়ম্বৰপূৰ্ণ জীৱন ধাৰণৰ স্থান নাছিল। তেওঁ বিশ্বাস কৰিছিল যে-জনসাধাৰণৰ টেক্সৰ পইচাৰে চৰকাৰে যোগান ধৰা সা-সুবিধাবোৰ কেৱল ৰাষ্ট্ৰীয় কামৰ বাবেহে ব্যৱহাৰ কৰিব লাগে। এই দিশত তেওঁৰ জীৱনত ঘটা বহুতো অনুপ্ৰেৰণামূলক কাহিনী আছে। এবাৰ তেওঁৰ পুত্ৰই চৰকাৰী গাড়ীখন নিজৰ ব্যক্তিগত কামত ব্যৱহাৰ কৰাৰ কথা জানিব পাৰি শাস্ত্ৰীজীয়ে গাড়ীখন কিমান দূৰ চলিছিল তাৰ নিৰ্দিষ্ট হিচাপ উলিয়াই চৰকাৰী ভঁৰালত সেই দূৰত্বৰ বাবদ হোৱা পইচা নিজৰ ব্যক্তিগত উপাৰ্জনৰ পৰা জমা দিছিল। ▶▶

# লালবাহাদুৰ শাস্ত্ৰী

## আদৰ্শ আৰু সততাৰ প্ৰতীক

**নলিনী ৰঞ্জন ভূঞা**

**ভা**ৰতীয় ৰাজনীতিৰ ইতিহাসত আমাৰ দেশৰ দ্বিতীয় গৰাকী প্ৰধানমন্ত্ৰী লালবাহাদুৰ শাস্ত্ৰীৰ ব্যক্তিত্বৰ বিশালতাই এক অম্লান সাঁচ বহুৱাই থৈ গৈছে। সৰলতা, সততা, দায়িত্ববোধ আৰু আত্ম সংযমেৰে গঢ় লৈ উঠা এই মহান নেতাজনে ক্ষমতাক কেতিয়াও ব্যক্তিগত লাভৰ আহিলা হিচাপে লোৱা নাছিল। তেওঁৰ জীৱন আছিল নীৰৱ ত্যাগৰ এক দীঘলীয়া যাত্ৰা, য'ত কথাতকৈ কৰ্মইহে আগস্থান লাভ কৰিছিল। এফালে হিমালয়ৰ দৰে অটল সাহস আৰু আনফালে এটি শিশুৰ দৰে সৰলতা- এই দুই বিৰল গুণৰ সংমিশ্ৰণ ঘটিছিল তেওঁৰ ব্যক্তিত্বত। তেওঁ আছিল এজন এনেকুৱা জননেতা, যিয়ে প্ৰমাণ কৰিছিল যে- মানুহ পদবীৰে নহয়, বৰঞ্চ নিজৰ মহৎ গুণাৱলী আৰু চৰিত্ৰৰ দ্বাৰাহে অমৰ হ'ব পাৰে। জীৱনৰ প্ৰতিটো সমস্যাৰ লগত সাহসেৰে সন্মুখীন হোৱা শাস্ত্ৰীয়ে কেতিয়াও নিজৰ সততা ত্যাগ কৰা নাছিল। নম্ৰ, বিনয়ী, প্ৰবল আত্মশক্তিৰ অধিকাৰী তথা স্থিতপ্ৰজ্ঞতা গুণৰ বাবে লালবাহাদুৰ শাস্ত্ৰী আছিল সকলোৰে প্ৰিয়ভাজন এগৰাকী ব্যক্তি তথা এগৰাকী প্ৰধানমন্ত্ৰী।

১৯০৪ চনৰ ২ অক্টোবৰত উত্তৰ প্ৰদেশৰ মোগলচৰাইত এটি অতি দৰিদ্ৰ পৰিয়ালত জন্মগ্ৰহণ কৰা শাস্ত্ৰীজীয়ে শৈশৱতে পিতৃক হেৰুৱাইছিল যদিও দাৰিদ্ৰ্যই তেওঁৰ উচ্চাকাংক্ষাক কেতিয়াও ম্লান কৰিব পৰা নাছিল। তেওঁৰ বাল্যকালৰ সংগ্ৰামৰ কাহিনী সমূহ সকলোৰে বাবে অনুপ্ৰেৰণাৰ উৎস। অভাৱ অনাটনৰ মাজত ডাঙৰ হোৱা লালবাহাদুৰ শাস্ত্ৰীয়ে প্ৰখৰ ৰ'দতো জোতা নোহোৱাকৈ বহুদূৰ খোজ কাঢ়ি বিদ্যালয়লৈ গৈছিল। আনকি নাৱেৰে পাৰ হ'বলৈ হাতত পইচাৰ নাটনি হোৱা বাবে নদী সাঁতুৰি পাৰ হৈও বিদ্যালয়লৈ গৈছিল লাল বাহাদুৰ শাস্ত্ৰী। তথাপিও তেওঁ জীৱন যুঁজত কেতিয়াও হাৰ মনা নাছিল। তেওঁ কেতিয়াও কাৰোবাৰ পুতৌৰ পাত্ৰ হোৱাটো নিবিচাৰিছিল আৰু এই দাৰিদ্ৰ্যই তেওঁক মাটিৰ মানুহ কৰি তুলিছিল। যাৰ ফলত তেওঁ দেশৰ লাখ লাখ দৰিদ্ৰ জনসাধাৰণৰ দুখ-বেদনা হৃদয়েৰে অনুভৱ কৰিব পাৰিছিল। তেওঁ বাৰাণসীৰ কাশী বিদ্যাপীঠৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰিছিল। এই বিদ্যাপীঠে তেওঁক স্নাতক ডিগ্ৰী হিচাপে 'শাস্ত্ৰী' উপাধি প্ৰদান কৰিছিল। তেওঁ জাতিভেদ প্ৰথাৰ বিৰোধী আছিল বাবেই নিজৰ জন্মগত 'শ্ৰীবাস্তৱ' উপাধি ত্যাগ কৰি 'শাস্ত্ৰী' উপাধিটোকে গ্ৰহণ কৰিছিল।


লাল বাহাদুৰ শাস্ত্ৰী মহাত্মা গান্ধীৰ অহিংসা নীতি আৰু কঠোৰ পৰিশ্ৰমত বিশ্বাসী এজন ব্যক্তি আছিল। মাত্ৰ ১৬ বছৰ বয়সতে তেওঁ অসহযোগ আন্দোলনত জঁপিয়াই পৰিছিল আৰু কাৰাবাস খাটিবলগীয়া হৈছিল। ইয়াৰ উপৰিও মহাত্মা গান্ধীৰ আদৰ্শত গভীৰভাৱে অনুপ্ৰাণিত শাস্ত্ৰীজীয়ে অসহযোগ আন্দোলনৰ পৰা আৰম্ভ কৰি ভাৰত ত্যাগ আন্দোলনলৈকে কেইবাবাৰো কাৰাবাস খাটিছিল।

কাৰাগাৰৰ ভিতৰত থাকোঁতেও তেওঁ অধ্যয়ন আৰু আত্ম-বিশ্লেষণৰ কাম চলাই যোৱাৰ লগতে কাৰাবাসৰ অভিজ্ঞতাই তেওঁক অধিক পৰিপক্ক কৰি তুলিছিল। তেওঁ মুঠ নবছৰ কাল কাৰাবাস খাটিছিল।

দেশে স্বাধীনতা লাভ কৰাৰ পিছত কংগ্ৰেছ শাসনলৈ আহি ভাৰতৰ স্বাধীনতা সংগ্ৰামত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা লালবাহাদুৰ শাস্ত্ৰীক তেওঁৰ গৃহ চহৰ উত্তৰ প্ৰদেশৰ সংসদীয় সচিব হিচাপে নিযুক্তি দিছিল। ১৯৫১ চনত লাল বাহাদুৰ শাস্ত্ৰী নতুন দিল্লীলৈ আহে। পিছত তেওঁ কেন্দ্ৰীয় কেবিনেটৰ বিভিন্ন পদ- ১৯৫২ চনত ৰে'ল, পৰিবহণ আৰু যোগাযোগ মন্ত্ৰী, ১৯৫৯ চনত বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী আৰু ১৯৬১ চনত গৃহ মন্ত্ৰীৰ দায়িত্ব পালন কৰিছিল। তেওঁৰ ব্যক্তিত্বৰ আটাইতকৈ ডাঙৰ বৈশিষ্ট্য আছিল- শান্ত আৰু ধীৰ স্বভাৱ। তেওঁ বিশ্বাস কৰিছিল যে- যিকোনো কঠিন পৰিস্থিতিক ক্ৰোধ বা আৱেগেৰে নহয়, ধৈৰ্য আৰু নৈতিকতাৰেহে জয় কৰিব পাৰি। তেওঁৰ বাবে দেশপ্ৰেম কেৱল এটা শ্লোগান নাছিল, বৰঞ্চ ই আছিল এক গভীৰ দায়িত্ববোধ। স্বাধীনতা লাভৰ পিছত যেতিয়া তেওঁ দেশৰ শাসন ব্যৱস্থাৰ দৰে গুৰুত্বপূৰ্ণ দায়িত্ব লাভ কৰিলে, তেতিয়াও তেওঁৰ সৰল জীৱনশৈলী আৰু মৰ্যাদাবোধৰ কোনো পৰিৱৰ্তন হোৱা নাছিল। বিশেষকৈ তেওঁৰ ৰে'ল মন্ত্ৰিত্বৰ কালছোৱা ভাৰতীয় সংসদীয় ইতিহাসত স্বৰ্ণাক্ষৰে লিপিবদ্ধ হৈ আছে। ১৯৫৯ চনত তামিলনাডুৰ অৰিয়লুৰত এটা ভয়ংকৰ ৰেল দুৰ্ঘটনা ঘটিছিল য'ত বহু লোকে প্ৰাণ হেৰুৱাইছিল। এই দুৰ্ঘটনাৰ বাবে যদিও তেওঁ পোনপটীয়াকৈ দায়ী নাছিল তথাপিতো শাস্ত্ৰীজীয়ে ইয়াক নিজৰ ব্যক্তিগত নৈতিক বিফলতা বুলি গণ্য কৰিছিল আৰু নৈতিক দায়িত্ব স্বীকাৰ কৰি পদত্যাগ পত্ৰ দাখিল কৰিছিল। সেই সময়ৰ প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৱে প্ৰথমে তেওঁৰ পদত্যাগ পত্ৰ গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰিছিল যদিও শাস্ত্ৰীজী নিজৰ সিদ্ধান্তত অটল আছিল।

তেওঁৰ মতে- মন্ত্ৰী হিচাপে বিভাগৰ সকলো কামৰ দায়িত্ব তেওঁৰ ওপৰত আছিল আৰু এনে দুৰ্ঘটনাই তেওঁক মৰ্মাহত কৰিছিল। এজন কেন্দ্ৰীয় মন্ত্ৰীয়ে দুৰ্ঘটনাৰ নৈতিক দায়িত্ব স্বীকাৰ কৰি পদত্যাগ কৰা এইটোৱেই আছিল প্ৰথম আৰু বিৰল ঘটনা। যিয়ে বিশ্ববাসীক দেখুৱাই দিছিল যে- ক্ষমতাৰ মোহ বা পদবীতকৈ নৈতিক মূল্যবোধ আৰু সাধাৰণ মানুহৰ জীৱনৰ মূল্য বহুত ওপৰত। এই ঘটনাই প্ৰমাণ কৰে যে- সততা কেৱল সফলতাতে নহয়, বিফলতাৰ সময়তো প্ৰয়োজনীয়। লালবাহাদুৰ শাস্ত্ৰীৰ পদত্যাগে ৰাজনীতিত এটা নতুন মানদণ্ড স্থাপন কৰিছিল, যিটো বিৰল ঘটনা হিচাপে প্ৰতিষ্ঠিত হৈছে। বহু ৰাজনীতিকে দুৰ্ঘটনাৰ বাবে আনক দোষাৰোপ কৰে। কিন্তু শাস্ত্ৰীয়ে নিজকে দায়ী কৰি লৈছিল, যিটো তেওঁৰ আত্ম সমালোচনাৰ প্ৰতীক হিচাপে ইতিহাসত লিপিবদ্ধ হৈ ৰৈছে। এই ঘটনাই তেওঁৰ সততাক অধিক দৃঢ় কৰি তুলিছিল আৰু দেশবাসীৰ মাজত তেওঁৰ সন্মান বৃদ্ধি কৰিছিল। উল্লেখযোগ্য যে-ৰেলমন্ত্ৰীৰ পদৰ পৰা পদত্যাগ কৰাৰ পিছত তেওঁৰ আৰ্থিক অৱস্থা অতি শোচনীয় হৈ পৰিছিল। সেই সময়ত সাধাৰণভাৱে পৰিয়ালটো চলাবলৈকো তেওঁৰ হাতত পইছাৰ অভাৱ হৈছিল। এই সময়খিনিত কুলদীপ নায়াৰৰ পৰামৰ্শ মতে- বাতৰি কাকতত প্ৰবন্ধ লিখি শাস্ত্ৰীয়ে কেইটামান উপাৰ্জন কৰি পৰিয়াল ভৰণ পোষণৰ দায়িত্ব পালন কৰিছিল।

প্ৰধানমন্ত্ৰীৰ দৰে দেশৰ সৰ্বোচ্চ পদবীত থাকোঁতেও লালবাহাদুৰ শাস্ত্ৰীয়ে নিজৰ পৰিয়ালক সদায় বিলাসিতা আৰু চৰকাৰী সুযোগ-সুবিধাৰ পৰা সম্পূৰ্ণ নিলগত ৰাখিছিল। তেওঁৰ জীৱনত কোনো ধৰণৰ আড়ম্বৰপূৰ্ণ জীৱন ধাৰণৰ স্থান নাছিল। তেওঁ বিশ্বাস কৰিছিল যে- জনসাধাৰণৰ টেক্সৰ পইচাৰে চৰকাৰে যোগান ধৰা সা-সুবিধাবোৰ কেৱল ৰাষ্ট্ৰীয় কামৰ বাবেহে ব্যৱহাৰ কৰিব লাগে। এই দিশত তেওঁৰ জীৱনত ঘটা বহুতো অনুপ্ৰেৰণামূলক কাহিনী আছে। এবাৰ তেওঁৰ পুত্ৰই চৰকাৰী গাড়ীখন নিজৰ ব্যক্তিগত কামত ব্যৱহাৰ কৰাৰ কথা জানিব পাৰি শাস্ত্ৰীজীয়ে গাড়ীখন কিমান দূৰ চলিছিল তাৰ নিৰ্দিষ্ট হিচাপ উলিয়াই চৰকাৰী ভঁৰালত সেই দূৰত্বৰ বাবদ হোৱা পইচা নিজৰ ব্যক্তিগত উপাৰ্জনৰ পৰা জমা দিছিল। এই ঘটনাই এইটো স্পষ্ট কৰিছে যে- তেওঁ নিজৰ পৰিয়ালটোকো ৰাজকীয় সুবিধাৰ পৰা আঁতৰত ৰাখিছিল যাতে তেওঁলোকে স্বাৰ্থপৰতাৰ পৰা মুক্ত হৈ থাকে। তেওঁ নিজৰ সন্তান সকলক কৈছিল যে- তেওঁ যি মৰ্যাদা পাইছে সেয়া তেওঁৰ কৰ্মৰ ফল, কিন্তু তেওঁৰ পৰিয়ালৰ লোক সকলে এজন সাধাৰণ নাগৰিকৰ দৰেই জীৱন যাপন কৰিব লাগিব। তেওঁৰ পত্নী ললিতা শাস্ত্ৰীয়েও তেওঁৰ এই কঠোৰ নীতিৰ প্ৰতি সম্পূৰ্ণ সমৰ্থন আগবঢ়াইছিল। পত্নী ললিতাই ঘৰুৱা কাম নিজে কৰিছিল আৰু কোনো অতিৰিক্ত কাম কৰা মানুহ নিযুক্ত কৰা নাছিল। শাস্ত্ৰীজীয়ে নিজৰ ঘৰত কোনো ধৰণৰ বিলাসী আচবাব ব্যৱহাৰ কৰা নাছিল। তেওঁ স্বজন-তোষণ বা পৰিয়ালবাদক প্ৰশ্ৰয় নিদিয়াৰ এক উজ্জ্বল নিদৰ্শন দাঙি ধৰিছিল। তেওঁ বিশ্বাস কৰিছিল যে- দেশৰ নেতা হিচাপে তেওঁৰ প্ৰথম কৰ্তব্য হ'ল দেশৰ সম্পদ ৰক্ষা কৰা, অপব্যয় ৰোধ কৰা আৰু এটা আদৰ্শ স্থাপন কৰা যিটো সাধাৰণ নাগৰিকে অনুসৰণ কৰিব পাৰে। তেওঁৰ পৰিয়ালক ৰাজকীয় সুবিধাৰ পৰা আঁতৰত ৰখাৰ এই অটল মনোভাৱে তেওঁক সাধাৰণ মানুহৰ হৃদয়ৰ মাজত স্থায়ী আসন দান কৰিছিল। যিটো আজিৰ ৰাজনীতিক সকলৰ বাবে এটা উদাহৰণ হ'ব পাৰে।



প্ৰধানমন্ত্ৰী হিচাপে শাস্ত্ৰীৰ কাৰ্যকালত তেওঁৰ আদৰ্শ আৰু সততাই দেশৰ উন্নয়নত গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল। ১৯৬৪ চনত জৱাহৰলাল নেহৰুৰ মৃত্যুৰ পিছত তেওঁ প্ৰধানমন্ত্ৰীৰ আসন গ্ৰহণ কৰিছিল। তেওঁ প্ৰধান মন্ত্ৰী হোৱাৰ পিছতেই সংঘটিত হোৱা ১৯৬৫ চনৰ ভাৰত-পাক যুদ্ধৰ সময়ত দেশ এক অতি কঠিন পৰিস্থিতিৰ মুখামুখি হৈছিল। এফালে যুদ্ধৰ উত্তেজনা আৰু আনফালে দেশত তীব্ৰ খাদ্য সংকটে গা কৰি উঠিছিল। আমেৰিকা যুক্তৰাষ্ট্ৰই সেই সময়ত ভাৰতক খাদ্য যোগান বন্ধ কৰাৰ ভাবুকি দি দেশৰ স্বাভিমানত আঘাত কৰিব বিচাৰিছিল। এনে এক সংকটকালত শাস্ত্ৰীজীয়ে কোনো দেশৰ ওচৰত আঁঠু নলৈ সমগ্ৰ দেশবাসীক আত্ম নিৰ্ভৰশীল হ'বলৈ আহ্বান জনাইছিল।

আৰু দেশবাসীক 'জয় জৱান- জয় কিষাণ'ৰ মহান মন্ত্ৰ দি একতাবদ্ধ কৰিছিল। এই মন্ত্ৰই সৈনিক আৰু কৃষক- দেশৰ দুয়োটা স্তম্ভকে একেলগে সম্বোধন কৰিছিল। অন্ন সংকটৰ পৰা উদ্ধাৰ পাবৰ বাবে তেওঁ নিজে সপ্তাহত এদিন উপবাস ৰাখি দেশবাসীকো তেনেকৈ কৰিবলৈ আহ্বান জনাইছিল। যাতে ৰাহি হোৱা খাদ্য জোৱানসকলৰ বাবে সঞ্চয় কৰিব পৰা যায়। তেওঁ প্ৰদান কৰা 'জয় জোৱান- জয় কিষাণ' শ্লোগানটো আৰু কৰ্মই দেশৰ সীমা ৰক্ষা কৰা সৈনিক আৰু দেশৰ সাধাৰণ কৃষকৰ মাজত এক নতুন উদ্দীপনাৰ সৃষ্টি কৰিছিল। তেওঁ স্পষ্ট কৰিছিল যে- এখন দেশৰ মেৰুদণ্ড হ'ল ইয়াৰ কৃষক আৰু সুৰক্ষাৰ কৱচ হ'ল ইয়াৰ সৈন্যবাহিনী।

প্ৰধানমন্ত্ৰী হৈও নিজৰ জীৱনত এই নীতি কঠোৰভাৱে প্ৰয়োগ কৰি তেওঁ দেখুৱাই দিছিল যে- নেতাই জনতাক কেৱল উপদেশেই নিদিয়ে, নিজেও সেই আচৰণ পালন কৰে। তেওঁৰ এই সৰল আৰু নিঃসংকোচ ব্যক্তিত্বই সমগ্ৰ জাতিক একতাবদ্ধ কৰি ৰাখিছিল আৰু কঠিন সময়ত দেশক আগুৱাই নিবলৈ শক্তি যোগাইছিল। গতিকে দেশৰ সংকট কালতো তেওঁ সেই সময়ত পাকিস্তানৰ বিপক্ষে এখন পূৰ্ণ-পৰ্যায়ৰ যুদ্ধত অৱতীৰ্ণ হোৱাৰ সাহস কৰিছিল আৰু তেতিয়াই ভাৰতৰ বায়ু সেনা আৰু স্থলসেনাৰ বিচক্ষণতা প্ৰথম বাৰলৈ সকলোৰে সন্মুখলৈ আহিছিল আৰু এই যুদ্ধত ভাৰত জয়ী হৈছিল। গুৰুত্বপূৰ্ণ কথা যে- ১৯৬৫ চনৰ ভাৰত পাকিস্তান যুদ্ধৰ পৰিসমাপ্তি ঘটাৰ পিছত ১৯৬৬ চনৰ ১০ জানুৱাৰীত ভাৰত-পাকিস্তানৰ মাজত শান্তিৰ বাবে 'টাচখণ্ড চুক্তি' স্বাক্ষৰিত হৈছিল।

লালবাহাদুৰ শাস্ত্ৰীৰ সততাৰ উৎকৃষ্ট নিদৰ্শন পোৱা যায়- তেওঁৰ মৃত্যুৰ পিছত। ১৯৬৬ চনৰ ১১ জানুৱাৰীত টাছখণ্ডত তেওঁৰ আকস্মিক মৃত্যু হয়। ভাৰতবৰ্ষৰ দৰে এখন দেশৰ প্ৰধানমন্ত্ৰী গৰাকীৰ মৃত্যুৰ পিছত পোহৰলৈ অহা তথ্য মতে- তেওঁৰ নামত কোনো স্থাৱৰ সম্পত্তি নাছিল আৰু তেওঁৰ বেংক একাউণ্টত জমা আছিল মাত্ৰ কেইশ মান টকা। তাতকৈও আচৰিত কথাটো হ'ল, তেওঁৰ নামত এটা বেংকৰ ঋণহে আছিল- যিটো তেওঁ এখন পুৰণি গাড়ী কিনিবলৈ লৈছিল। প্ৰধানমন্ত্ৰী হৈ থকা সময়চোৱাতো তেখেতৰ ব্যক্তিগত কোনো বাহন নাছিল। পৰিয়ালৰ বাৰম্বাৰ অনুৰোধত পৰি তেওঁ দৰমহাৰ সঞ্চিত সাতহাজাৰ টকাৰ লগত পাঞ্জাৱ নেচনেল বেংকৰ ঋণৰ টকা যোগ কৰি এখন চেকেনহেণ্ড ফিয়েট কাৰ লৈছিল। মৃত্যুৰ সময়লৈকে তেখেতে গাড়ীখনৰ ঋণ পৰিশোধ কৰি আছিল আৰু তেখেতৰ মৃত্যুৰ পিছত পোৱা পেঞ্চনৰ টকাৰে অলপ অলপকৈ পত্নীয়ে বাকী থকা বেংকৰ ঋণখিনি সম্পূৰ্ণকৈ পৰিশোধ কৰিছিল। এখন বিশাল ৰাষ্ট্ৰৰ মুৰব্বীৰ ইমান স্বচ্ছ আৰু নিকা চৰিত্ৰ পৃথিৱীৰ ইতিহাসত বিৰল। লালবাহাদুৰ শাস্ত্ৰী কেৱল এজন ৰাজনীতিবিদেই নাছিল, তেওঁ আছিল এজন মানৱতাবাদী ঋষিতুল্য ব্যক্তি। তেওঁৰ জীৱনৰ প্ৰতিটো কৰ্মই প্ৰকাশ কৰিছে যে- মানুহক ডাঙৰ কৰে তেওঁৰ কৰ্ম আৰু নৈতিক চৰিত্ৰইহে, পদবী বা ধনে নহয়। লাল বাহাদুৰ শাস্ত্ৰীৰ আদৰ্শ আৰু সততা কেৱল ব্যক্তিগত গুণ নাছিল, ই আছিল তেওঁৰ ৰাজনৈতিক দৰ্শনৰ অংশ। তেওঁৰ মতে গণতন্ত্ৰ তেতিয়াহে সফল হয় যেতিয়া শাসক শ্ৰেণী জনসাধাৰণৰ প্ৰতি সৎ, দায়বদ্ধ আৰু ন্যায়পৰায়ণ হয়। তেওঁৰ সততা আছিল তেওঁৰ ৰাজনৈতিক কাৰ্যকলাপৰ মূল ভেটি।

লাল বাহাদুৰ শাস্ত্ৰীৰ সুদীৰ্ঘ কৰ্মজীৱনত তেওঁ এজন দক্ষ আৰু দৃঢ় মানসিকতাৰ ব্যক্তি হিচাপে পৰিচিত হৈছিল। দেশক প্ৰগতিৰ পথত আগবঢ়াই লৈ যোৱাৰ লক্ষ্যৰে তেওঁ এগৰাকী দক্ষ কাণ্ডাৰী হিচাপে কাম কৰিছিল। তেওঁ মহাত্মা গান্ধীৰ 'কঠোৰ পৰিশ্ৰমেই প্ৰাৰ্থনাৰ সমতুল্য'-এই কথাত দৃঢ় বিশ্বাস কৰিছিল। তেওঁক ১৯৬৬ চনত মৰণোত্তৰভাৱে ভাৰতৰ সৰ্বোচ্চ অসামৰিক বঁটা 'ভাৰত ৰত্ন' প্ৰদান কৰা হৈছিল।

পৰিশেষত কব পাৰি যে—বৰ্তমানৰ সমাজ ব্যৱস্থাত, ক্ষমতাৰ লালসা আৰু দুৰ্নীতিয়ে সৰ্বত্ৰ শিপাই পেলোৱাৰ এই সন্ধিক্ষণত শাস্ত্ৰীজীৰ আদৰ্শ আৰু কৰ্মই আমাক নিশ্চয়কৈ সঠিক পথ দেখুৱাব পাৰে। শাস্ত্ৰীজীৰ সৰল জীৱনে প্ৰতিফলিত কৰিছে যে- সৰলতাৰ মাজতো মহত্ত্ব থাকে, নম্ৰতাৰ মাজতো শক্তি থাকে আৰু সততাৰ মাজতেই প্ৰকৃত বিজয় নিহিত থাকে। তেওঁ নিঃসংকোচে কৈছিল- 'মই সাধাৰণ মানুহৰ এজন সন্তান, মই সাধাৰণ মানুহৰ মাজতেই থাকিব বিচাৰো'। এইয়াই হৈছে- তেওঁৰ মহানতাৰ মূল মন্ত্ৰ। এই মূল মন্ত্ৰই হৈছে- জাতিটোৰ বাবে সকলোতকৈ ডাঙৰ অলংকাৰ। ভাৰত জননীৰ এই সুযোগ্য সন্তান গৰাকীক দেশবাসীয়ে চিৰকাল শ্ৰদ্ধাৰে সোঁৱৰণ কৰিব আৰু তেওঁৰ ত্যাগ নতুন প্ৰজন্মৰ বাবে চিৰদিন আদৰ্শ হৈ থাকিব।

# ভাল বক্তা হ'বলৈ প্ৰথমে ভাল শ্ৰোতা হোৱাটো বাঞ্চনীয়

**বিভা ৰাণী কলিতা**

Sometimes listening
is of greater value
than speaking.
-Benjamin Watson.

ভাল বক্তা হোৱাৰ হেঁপাহ সকলোৰে থাকে। কথা ক'ব জনাটো এটা সুকীয়া কলা। এই কলা আয়ত্ত কৰিব পৰাজনে কেতিয়াও অতীতলৈ উভতি চাব লগা নহয়। আমি সৰুৰেপৰা এটা কথা প্ৰায়েই শুনি আহিছোঁ যে নিজে কথা কমকৈ ক'ব লাগে আৰু আনৰ পৰা বেছিকৈ শুনাৰ অভ্যাস গঢ়ি ল'ব লাগে। যি অভ্যাসে এদিন আমাক ভাল বক্তালৈ ৰূপান্তৰ কৰিব পাৰিব। আমাৰ নিজৰ জ্ঞানৰ পৰিধি তেনেই নগণ্য বুলি ধাৰণা কৰি আনৰ পৰা যদি ভাল ভাল কথাবোৰ শুনি আয়ত্ত কৰি ল'ব পাৰোঁ, তেন্তে আমাৰ জ্ঞানৰ পৰিধিও ক্ৰমে ব্যাপক হ'ব। অকল নিজৰখিনি লৈয়ে জীৱন যুদ্ধত হাৰি হাৰি ভাগৰি পৰাতকৈ আন দহজনৰ পৰাও কিছু শুনি তাৰ সাৰমৰ্মখিনি প্ৰয়োগ কৰি বিজয়ী হোৱাৰ চেষ্টানো নকৰোঁ কিয়? কুঁহিয়াৰ চেপি চেপি যেনেকৈ জাৰখিনি পেলাই ৰসখিনিহে আমি খাওঁ, ঠিক তেনেকৈ ভিন্নজনৰ ভিন্ন কথা শুনি সাৰুৱাখিনিৰেহে নিজক আগবঢ়াই নিয়াৰ প্ৰয়াস কৰিব লাগে। তেতিয়া আমাৰ উন্নতিৰ ৰুদ্ধদ্বাৰো মুকলি হোৱাত সহায় হয়। আমি উন্নতিৰ আকাশখনত সূৰ্য হোৱাৰ হেঁপাহ পূৰাবো নোৱাৰিলেও জোন বা তৰাতো হ'বলৈ সক্ষম হ'ম। যাৰ অকণি আলোকেৰে অজ্ঞান অমানিশাত দিকবিদিক হেৰুৱাই পথচ্যুত হোৱাসকলে নিজৰ জ্ঞানৰ পথছোৱা অন্ততঃ বিচাৰি পাব।

আমাৰ দৈনন্দিন জীৱনত আমি বিভিন্ন মানুহৰ সান্নিধ্য লাভ কৰোঁ। তাৰে কিছুমান মানুহ আমৃত্যু আমাৰ মানসপটত উজলি থাকে। তাৰ কাৰণটো হৈছে তেখেতসকলৰ আচাৰ আচৰণ, কথা-বাৰ্তা তথা কৰ্মবোৰৰ বাবে। কথাতে কয় বোলে 'কথাত কটা যায়, কথাত বটাঁ পায়।' হয় ঠিকেই কোৱা হয়। আমি কেতিয়াবা কথা নক'ব লগাখিনি কৈও নিজৰ বিপদ চপাই লওঁ। আকৌ কেতিয়াবা অতি সুন্দৰ কথাৰে মানুহৰ হৃদয়ো জিনো। নিজকে পণ্ডিত বা সৰ্বজ্ঞানী বুলি ভবাজনে এদিন বৰ অকলশৰীয়া হ'ব লগা হয়। যি মানুহে কেতিয়াও কাৰো পৰা জানিব বা শিকিবলগীয়া নাই বুলি ভাবি নিজৰ মতেই সকলো কৰি যায়, তেওঁক এদিন নিজৰ আপোনবোৰেও ত্যাগ কৰে। তেওঁৰ অহংকাৰী মনটোৰ বাবে এই দশা হয়। কিন্তু যিগৰাকীয়ে বহুত জনাৰ পিছতো আনৰ পৰা শুনা বা শিকাৰ আগ্ৰহ হৃদয়ত পুহি ৰাখে, সময়ত শুনেও ধৈৰ্য সহকাৰে তেওঁৰ পৰা আৰু সহসৃজনে শিকিব বিচাৰে। তেওঁক তেওঁৰ অনুৰাগীয়ে কেতিয়াও অকলশৰীয়া হ'বলৈ নিদিয়ে। আনৰ কথা শুনিবলৈ ধৈৰ্যৰ প্ৰয়োজন। যি ধৈৰ্যৰ ফল সদায় মিঠা। ব্যক্তিত্ব গঠন, কথা কোৱাৰ কৌশল আমি আনক দেখি শুনিও গঠন কৰিব পাৰোঁ। ধনেৰে বা বল প্ৰয়োগেৰে কৰিব নোৱাৰা অসম্ভৱ কামবোৰ কিন্তু কথা কোৱাৰ কৌশলেৰে সম্ভৱ কৰিব পৰা যায়। সেই কাৰণে সভা সমিতিত উপস্থিত থাকিলে অতিথিসকলৰ কথাবোৰ মন দি শুনাটো বৰ প্ৰয়োজন। এইবোৰ হৈছে সাহস, প্ৰেৰণা তথা নজনা কথা জনাৰ এটা সুন্দৰ মাধ্যম।

কথা ক'ব জনাটো এটা অনুপম কলা। কেতিয়াবা একেই কথা দুজন ব্যক্তিৰ মুখেৰে নিগৰিলেও বৰ আচৰিত অনুভৱ হয়। কাৰোবাৰ কথা কোৱাৰ নিপুণ কৌশলৰ বাবে তেওঁ কোৱা কথা শুনি ভাল লাগে। আকৌ কেতিয়াবা কথা কোৱাৰ কোনো কৌশল বা শৈলী নথকাৰ বাবে একেটা কথাই বৰ বিৰক্তিকৰ হৈ পৰে। তাৰপৰা পৰিত্ৰাণ পাবলৈ হ'লে, এগৰাকী সু -বক্তা হ'বলৈ হ'লে আনৰ কথাবোৰো মন দি শুনাৰ অভ্যাস গঢ়া উচিত। তেতিয়াহে ভাল-বেয়াবোৰো বিচাৰ কৰিব পৰা হয়। নিজে কৈ থকা কথাত নিজৰ অতীতেহে স্থান পায়, অতীত অভিজ্ঞতাৰ ৰোমন্থনহে বেছি হয়। কোনো নতুনত্ব নাথাকে। কিন্তু আনৰ পৰা শুনাখিনিত এটা হ'লেও নতুন কথা শিকিব পাৰি। নিজে ভাল শ্ৰোতা হ'লেহে ভৱিষ্যতেও নিজৰ বাবে সহস্ৰ শ্ৰোতা গঢ়িব পাৰিব। মুৰ্খই বেছিকৈ কয়, কমকৈ শুনে। আনহাতে জ্ঞানীসকলে বেছিকৈ শুনি কমকৈ কয়। সেয়ে কোৱা হৈছে -



Listening is an art that
requires attention over
talent, spirit over ego, others over self.
-Dean Jackson.

## ডিব্ৰুগড়ৰ বিএল বেৰীয়া সৰস্বতী শিশু মন্দিৰ বিদ্যালয়ৰ বাৰ্ষিক সাংস্কৃতিক সমাৰোহৰ সামৰণি

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১১ জানুৱাৰী ঃ** উজনি অসমৰ শিক্ষাৰ প্ৰাণকেন্দ্ৰ ডিব্ৰুগড় জিলাৰ অন্যতম শিক্ষানুষ্ঠান বিএল বেৰীয়া সৰস্বতী শিশু মন্দিৰৰ ২০২৫-২৬ শিক্ষাবৰ্ষৰ বাৰ্ষিক সাংস্কৃতিক সমাৰোহৰ সমাৰণি পৰে। ৬ জানুৱাৰীৰ পৰা চাৰিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত কৰা বাৰ্ষিক সাংস্কৃতিক সমাৰোহত অংকুৰ শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈকে ছাত্ৰ-ছাত্ৰীসকলে শিশুগীত, ভেশচন, কবিতা আবৃত্তি, জ্যোতি-ৰাভা সঙ্গীত, সৃষ্টিমূলক নৃত্য, দলীয় নৃত্য/গীত আদি বিভিন্ন প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি অনুষ্ঠানটি সাফল্যমণ্ডিত কৰি তোলে। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা ভৱনত অনুষ্ঠিত হোৱা বাৰ্ষিক সাংস্কৃতিক সমাৰোহত সামৰণি তথা বটাঁ বিতৰণী আৰু সাংস্কৃতিক অনুষ্ঠানত বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰে ভাৰতীয় শাস্ত্ৰীয় নৃত্য শিল্পী তথা সত্ৰীয়া নৃত্যৰ একনিষ্ঠ সাধক মিনাক্ষী গগৈয়ে। শুভাৰম্ভ কৰি গগৈয়ে কয় যে সাংস্কৃতিক অনুষ্ঠানে আমাক শাৰীৰিক, বৌদ্ধিক আৰু মানসিক দিশৰ বিকাশ সাধন কৰে। বিদ্যায়তনিক দিশৰ লগতে বিভিন্ন সাংস্কৃতিক দিশটো আগবঢ়াই নিয়াত অভিভাৱকক সকলে গুৰুত্ব আৰোপ কৰিব লাগে বুলি মন্তব্য প্ৰদান কৰে। মুখ্য অতিথি হিচাপে উপস্থিত থাকে ডিব্ৰুগড় পৌৰনিগমৰ উপ-মেয়ৰ তথা বিদ্যালয়ৰ শুভচিন্তক উজ্জ্বল ফুকন। ফুকনে ছাত্ৰ-ছাত্ৰীক উদ্দেশ্যি কয় যে বিদ্যালয়খনে প্ৰতিদিনে একোজনকৈ সুনাগৰিক গঢ়ি তোলাত অৱদান আগবঢ়াই আহিছে, য'ত ভাৰতীয় সাংস্কৃতিক পৰম্পৰাৰে সমৃদ্ধি হৈ আছে। বিভিন্ন সাংস্কৃতিক কাৰ্যসূচীৰ মাজত অনুষ্ঠানৰ মূল আকৰ্ষণৰ বিন্দু আছিল যে জাতিৰ গৌৰৱ শিল্পী জুবিন গাৰ্গৰ কালজয়ী সৃষ্টি সংগীত এলবাম সমূহক লৈ বিদ্যালয়ৰ মৌচুমী বৰা আচাৰ্য্যা আৰু প্ৰাক্তন ছাত্ৰী দেৱশ্ৰী কৌশল গগৈ আৰু চন্দ্ৰমল্লিকা বৰুৱাৰ পৰিচালনাত ছাত্ৰ-ছাত্ৰীসকলে কৰা সুন্দৰ নৃত্যৰে পৰিৱেশ জীপাল কৰি তোলে। বটাঁ বিতৰণী অনুষ্ঠানত বিগত দিন কেইটা অনুষ্ঠানত হোৱা প্ৰতিযোগিতাবোৰৰ প্ৰথম স্থানৰ লগতে হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সৰ্বোচ্চ নম্বৰপ্ৰাপ্ত শ্ৰেষ্ঠ শিক্ষাৰ্থী বটাঁ, শ্ৰেষ্ঠ তাৰ্কিক, শ্ৰেষ্ঠ খেলুৱৈ, শ্ৰেষ্ঠ দলীয় নৃত্য দল, ১০০ক্ষ উপস্থিতি ছাত্ৰ-ছাত্ৰী তথা আচাৰ্য্য-আচাৰ্য্যাক বটাঁ, বিষয়ত সৰ্বোচ্চ নম্বৰপ্ৰাপ্ত বটাঁ আৰু শ্ৰেণীত সৰ্বোচ্চ নম্বৰপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীক বটাঁ প্ৰদান কৰা হয়। এই বৰ্ষ বটাঁ বিতৰণী অনুষ্ঠানৰ বাবে বিদ্যালয়ৰ কেইবাজনো প্ৰাক্তন ছাত্ৰই চলন্ত বটাঁ ছাত্ৰ-ছাত্ৰীসকলক আগবাঢ়িবলৈ তথা উৎসাহ প্ৰদান কৰিবলৈ বিদ্যালয়ৰ হাতত কেইবাটাও ট্ৰফী আগবঢ়ায়। চাৰিদিনীয়া সাংস্কৃতিক অনুষ্ঠানক বিদ্যালয়ৰ অধ্যক্ষ তথা প্ৰধানাচাৰ্য্যাই এই বুলি মন্তব্য যে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকল শিক্ষাৰ দিশৰ লগতে অন্য সকলো ক্ষেত্ৰতে পাৰদৰ্শিতা দেখুৱাই আহিছে। সামৰণি সভা তথা বটাঁ বিতৰণী আৰু সাংস্কৃতিক অনুষ্ঠানত ডিব্ৰু মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপিকা তথা শিশু শিক্ষা সমিতি অসমৰ শিৱসাগৰ বীণা বৰা, ডিব্ৰুগড় চৰকাৰী বালক উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ হৃদয় চৌধুৰী, ডিব্ৰুগড় জিলাৰ জ্যেষ্ঠ সাংবাদিক তথা বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সম্পাদক ৰাতুল বুঢ়াগোহাঁই, বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি প্ৰণালী ফুকন আদি বিশিষ্ট ব্যক্তি উপস্থিত আছিল।

### দেৱকুমাৰ বৰা সোঁৱৰণী মিডিয়া ফেল'শ্বিপ প্ৰদান

## সদৌ অসম সাংবাদিক সন্থাৰ যোৰহাট জিলা সমিতিৰ পঞ্চম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস

**অসম বাৰ্তা, যোৰহাট, ১১ জানুৱাৰী ঃ** 'সাংবাদিকতাৰ বাবে আই, ৱৰ্ড স্মিথ, গুগল প্ৰিণ্ট পইণ্ট, মাল্টিক', ৰিয়েলিটি ডিফেণ্ডাৰৰ ব্যৱস্থাৰে সাম্প্ৰতিক প্ৰেক্ষাপটত প্ৰযুক্তি আগবাঢ়ি যোৱাৰ সমান্তৰাল ভাৱে সাংবাদিকতাৰ ক্ষেত্ৰখনলৈ যথেষ্ট পৰিৱৰ্তন আহিছে। 'এ আই'ৰ প্ৰভাৱৰ মূল সাংবাদিকতাৰ কামসমূহৰ বৃদ্ধি, কৃত্ৰিম বিষয়বস্তুৰ বিৰুদ্ধে সত্যক ৰক্ষা কৰা, ব্যক্তিগতকৰণ আৰু দৰ্শকৰ নিয়োজিতা, নতুন নিউজৰুমৰ ভূমিকাৰ উত্থান, নৈতিক আৰু গাঁথনিগত প্ৰত্যাহ্বান বিষয়ে অৱগত আৰু জড়িত হৈ সাংবাদিকতাৰ গুণগত মান বৃদ্ধি কৰিব লাগিব। আজি যোৰহাট বিজ্ঞান কেন্দ্ৰ আৰু তাৰকাগৃহৰ প্ৰেক্ষাগৃহত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা সদৌ অসম সাংবাদিক সন্থা (আজু)ৰ যোৰহাট জিলা সমিতিৰ পঞ্চম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস আৰু দেৱকুমাৰ বৰা সোঁৱৰণী মিডিয়া ফেল'শ্বিপ প্ৰদান অনুষ্ঠানত 'কৃত্ৰিম বুদ্ধিমত্তাৰ পৃথিৱীত সাংবাদিকতাৰ ভৱিষ্যত' শীৰ্ষক বিষয়ত সদৌ অসম সাংবাদিক সন্থাৰ যোৰহাট জিলা সমিতিৰ সভাপতি যোগেশ ওজাৰ সভাপতিত্বত আৰু শিল্পী শান্তনু বৰপাত্ৰ গোহাঁইৰ বৰগীত পৰিৱেশনেৰে শুভাৰম্ভ হোৱা সভাত 'কৃত্ৰিম বুদ্ধিমত্তাৰ পৃথিৱীত সাংবাদিকতাৰ ভৱিষ্যত' শীৰ্ষক বিষয়ত প্ৰযুক্তি বিশেষজ্ঞ বৈশ্যই সাংবাদিক সকলক নতুন দৃষ্টিভংগীৰে সাংবাদিকতাক আগুৱাই নিবলৈ আহ্বান জনায়। সাংবাদিক কল্যাণ নিধিৰ সম্পাদক তথা জ্যেষ্ঠ সাংবাদিক নৱজ্যোতি বৰুৱাই আঁত ধৰাৰ লগতে উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰে সদৌ অসম সাংবাদিক সন্থাৰ সদস্য তথা 'দ্য ছেণ্টিনেল' কাকতৰ যোৰহাটৰ প্ৰতিনিধি দেৱজিৎ বৰুৱাই। অসম ৰাজ্যিক মহিলা আয়োগৰ উপাধ্যক্ষা তথা 'দেৱকুমাৰ বৰা সোঁৱৰণী মিডিয়া ফেল'শ্বিপ'ৰ দাতা বৰ্ণালী শইকীয়া বৰাই দেৱকুমাৰ বৰাৰ প্ৰতিচ্ছবিৰ সন্মুখত স্মৃতি তৰ্পণ কৰাৰ পিছত বন্তি প্ৰজ্বলন কৰে যোৰহাট মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষা ড° নীলিমা বৰাৰ উপৰিও লেখক ৰাজা চক্ৰৱৰ্তী, সমাজকৰ্মী ঈশ্বৰ প্ৰসন্ন বৰদলৈ আৰু যোৰহাট জিলা ক্ৰীড়া সন্থাৰ সম্পাদক জুল খাউণ্ডে। আৰম্ভণিতে দেৱ কুমাৰ বৰাৰ জীৱনাদৰ্শ আৰু কৰ্মৰাজী সন্দৰ্ভত বিস্তৃত ব্যাখ্যা আগবঢ়ায় যোৰহাটৰ জ্যেষ্ঠ সাংবাদিক তথা যোৰহাট সাংবাদিক কল্যাণ নিধিৰ সভাপতি ললিত বৰাই। অসম মহিলা বিশ্ববিদ্যালয়ৰ সহযোগী অধ্যাপক ড° সূৰ্য চেতিয়াই 'দেৱকুমাৰ বৰা মিডিয়া ফেল'শ্বিপ'ৰ নিৰ্বাচন প্ৰক্ৰিয়াৰ বিষয়ে ব্যক্ত কৰা অনুষ্ঠানত অ' এন জি চিৰ কৰ্প'ৰেট যোগাযোগ বিভাগৰ ভাৰপ্ৰাপ্ত উপ-মহাপ্ৰবন্ধক জয়শ্ৰী শইকীয়াই বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰি বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাই ক্ষিপ্ৰতাৰে আগবাঢ়ি যোৱাৰ সময়ত সাংবাদিকতাৰ দৰে গুৰুত্বপূৰ্ণ বৃত্তিলৈ প্ৰত্যাহ্বান আহিলেও অধ্যয়ন, সৎ কৰ্মৰ আৰু ইতিবাচক দৃষ্টিভংগীৰে জড়িত হ'বলৈ সাংবাদিকসকলক আহ্বান জনায় তত্ত্বগধুৰ ভাষণ প্ৰদান কৰে। কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত 'প্ৰতিদিন টাইম'ৰ বাৰ্তা সম্পাদক পংকজ শইকীয়াক দেৱকুমাৰ বৰা সোঁৱৰণী মিডিয়া ফেল'শ্বিপ প্ৰদান কৰা হয়। 'অসমৰ ভূমিপুত্ৰ মিচিং, দেউৰী আৰু মাছমৰীয়া সম্প্ৰদায়ৰ ওপৰত জলবায়ু পৰিৱৰ্তন আৰু নদীবান্ধৰ প্ৰভাৱ' শীৰ্ষক বিষয়ত গৱেষণাৰ বাবে নিৰ্বাচিত হোৱা সাংবাদিক পংকজ শইকীয়াক ফুলাম গামোচা, চেলেংসহ নগদ ধনৰাশি প্ৰদান কৰা হয়। পুৱা 'আজু'ৰ যোৰহাট জিলাৰ সভাপতি যোগেশ ওজাই পতাকা উত্তোলনেৰে শুভাৰম্ভ কৰা সদৌ অসম সাংবাদিক সন্থাৰ যোৰহাট জিলা সমিতিৰ পঞ্চম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস আৰু দেৱকুমাৰ বৰা সোঁৱৰণী মিডিয়া ফেল'শ্বিপ প্ৰদান অনুষ্ঠানত ভাৰত চৰকাৰৰ বৈদেশিক পৰিক্ৰমা আৰু বস্ত্ৰ শিল্প বিভাগৰ কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই অনুষ্ঠানত উপস্থিত হৈ সাংবাদিকতাৰ সৈতে জড়িত হৈ অহা সাংবাদিকৰ বিপদকালীন সময়ত সহায়ৰ হাত আগবঢ়াবৰ বাবে যোৰহাট জিলা সাংবাদিক সন্থাই সাংবাদিক কল্যাণ নিধি গঠন কৰা পদক্ষেপক শলাগ লোৱাৰ লগতে এই নিধিলৈ মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ পৰা সহযোগিতা আগবঢ়াবৰ বাবে অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাক অনুৰোধ জনোৱাৰ বিষয়ে অৱগত কৰে। তদুপৰি যোৰহাট সাংবাদিক কল্যাণ নিধিলৈ মন্ত্ৰীগৰাকীয়ে নিজা পৰিয়ালৰ পৰাও সাহায্য আগবঢ়োৱা হ'ব বুলি জানিবলৈ দিয়ে। যোৰহাট জিলাৰ বিভিন্ন প্ৰান্তৰ বহুসংখ্যক সাংবাদিকৰ উপৰি শিল্পী, সাহিত্যিক, সমাজকৰ্মী আদিৰ উপস্থিতিত অনুষ্ঠিত হোৱা 'দেৱকুমাৰ বৰা সোঁৱৰণী মিডিয়া ফেল'শ্বিপ' প্ৰদান অনুষ্ঠানত অসমৰ চিন্তানায়ক দেৱকুমাৰ বৰাৰ স্মৃতিত যোৰহাট জিলা সমিতিয়ে লোৱা পদক্ষেপৰ শলাগ লয়। উল্লেখ্য যে ইয়াৰ পূৰ্বে সদৌ অসম সাংবাদিক সন্থাৰ যোৰহাট জিলা সমিতিৰ দ্বাৰা প্ৰৱৰ্তন কৰা 'দেৱকুমাৰ বৰা সোঁৱৰণী মিডিয়া ফেল'শ্বিপ' লাভ কৰিছিল নিয়মীয়া বাৰ্তাৰ উপ-সম্পাদক ড° গীতাশ্ৰী শইকীয়া আৰু সাংবাদিক নবুল কোঁৱৰে।

## বকোৰ গলেবোকাত নিখিল ৰাভা জাতীয় পৰিষদৰ বকো-বনগাঁও আঞ্চলিক সমিতিৰ ৬৩ সংখ্যক বাৰ্ষিক অধিৱেশনৰ লাইখুটা স্থাপন

**অসম বাৰ্তা, বকো, ১১ জানুৱাৰী ঃ** থলগিৰি জনগোষ্ঠী সমূহৰ অন্যতম ৰাভা জনগোষ্ঠীৰ জাতীয় সংগঠন নিখিল ৰাভা জাতীয় পৰিষদৰ কামৰূপ জিলাৰ বকো-বনগাওঁ আঞ্চলিক সমিতিৰ ৬৩ সংখ্যক বাৰ্ষিক অধিবেশনৰ প্ৰস্তুতি চলিছে। উল্লেখ্য যে; আঞ্চলিক সমিতিৰ অন্তৰ্গত গলেবোকা - কোচপাৰা - চক্ৰপাণি ৰাভা জাতীয় পৰিষদ আৰু ৰাভা জাতীয় মহিলা পৰিষদৰ সহযোগত গলেবোকা ৰাজহুৱা খেলপথাৰত আয়োজন কৰা হৈছে। অধিৱেশনখন সৰ্বাংসুন্দৰ কৰি অনুষ্ঠিত কৰিবলৈ অধিবেশন স্থলীত আজি আনুস্থানিক ভাৱে লাইখুটা স্থাপন কৰা হয়। ইফালে বকো-বনগাওঁ আঞ্চলিক ৰাভা জাতীয় পৰিষদৰ সভাপতি সোণেশ্বৰ ৰাভা আৰু সাধাৰণ সম্পাদক উৎপল ৰাভাই জনোৱা অনুসৰি আজি লাইখুটা স্থাপন কৰে ৰাভা হাছং স্বায়ত্ত্ব শাসিত পৰিষদৰ ৰেচম বিভাগৰ কাৰ্য্যবাহী সদস্য আদিত্য ৰাভাই। সম্পাদক উৎপল ৰাভাই জনোৱা অনুসৰি অহা ৭ আৰু ৮ ফেব্ৰুৱাৰীত বিস্তৃত কাৰ্য্যক্ৰমণিকাৰে আয়োজন কৰা হৈছে অধিৱেশনৰ মুঠ কাৰ্য্যসূচী। লাইখুটা স্থাপন অনুষ্ঠানত ৰাভা হাছং পৰিষদৰ সাধাৰণ সদস্য মিনতি বড়ো; সংগঠনটোৰ উপদেষ্টা সত্যজিৎ ৰাভাৰ লগতে বকো-বনগাঁও আঞ্চলিক ৰাভা জাতীয় পৰিষদৰ বিষয় ববীয়া আৰু মহিলা পৰিষদৰ নেতৃবৃন্দৰ উপৰিও বহু সংখ্যক পুৰুষ মহিলা তথা জাতীয় সংগঠনৰ লোকে অংশগ্ৰহণ কৰে। প্ৰকাশ যে; ৬৩ সংখ্যক বাৰ্ষিক অধিবেশনখন পৰিচালনা কৰিবলৈ গঠন কৰা অভ্যৰ্থনা সমিতিৰ সভাপতি তথা জ্যেষ্ঠ সমাজকৰ্মী নবীন ৰাভা, সম্পাদক মনোজ ৰাভা আৰু গলেবোকা শাখা সমিতিৰ সভাপতি কৰ্ণ ৰাভা আৰু সম্পাদক চিত্ৰ ৰাভাই জনোৱা অনুসৰি অধিবেশনৰ যাৱতীয় কাম-কাজ আৰম্ভ কৰা হৈছে। ইতিমধ্যে সকলো গাঁও তথা শাখা সমিতি সমূহৰ লগত যোগাযোগ কৰি কাৰ্য্যসুচী ৰূপায়ণৰ ক্ষেত্ৰত আলাপ আলোচনা কৰি যথাযথ ব্যৱস্থা কৰা হৈছে। ইফালে মাঘ বিহুৰ পাছতেই অধিৱেশনৰ ৰভা, পেণ্ডেল আৰু তোৰণৰ ব্যৱস্থা কৰা হ'ব বুলি ঘোষণা কৰে আয়োজক সমিতিয়ে।

## নগাঁৱৰ মাজপাঠৰীৰ বৰনামঘৰৰ সূত্ৰধাৰ, পাঠক মহীধৰ বৰাৰ পৰলোকপ্ৰাপ্তি

**অসম বাৰ্তা, নগাঁও, ১১ জানুৱাৰী ঃ** নগাঁৱৰ মাজপাঠৰী নিবাসী সূত্ৰধাৰ, পাঠক, ধৰ্মপ্ৰাণ সৰবৰহী ব্যক্তি মহীধৰ বৰাৰ (৬০) কালি নিজ বাসগৃহত পৰলোকপ্ৰাপ্তি ঘটে। বিগত কিছুদিন ধৰি মহীধৰ বৰাই অসুস্থতাত ভুগি আছিল। মাজপাঠৰী বৰনামঘৰৰ সূত্ৰধাৰী হিচাপে সুনাম থকা মহীধৰ বৰাই জিলা খনৰ বিভিন্ন প্ৰান্তত অনুষ্ঠিত ভাওনাতো সূত্ৰধাৰৰ চৰিত্ৰ ৰূপায়ণ কৰি ৰাইজৰ সমাদৰ বুলিবলৈ সক্ষম হৈছিল। লগতে তেওঁ এগৰাকী সু পাঠক হিচাপেও ৰাইজৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছিল। মাজ পাঠৰী অঞ্চলৰ সৰবৰহী ব্যক্তি গৰাকীৰ মৃত্যুত বৃহত্তৰ পাঠৰী অঞ্চলৰ লগতে সমগ্ৰ নগাঁৱত শোঁকৰ ছাঁ পৰিছে। মহীধৰ বৰাই মৃত্যুৰ সময়ত পত্নীৰ লগতে দুগৰাকী কণ্যা সন্তান আৰু ভালেসংখ্যক আত্মীয়ক ইহসংসাৰত এৰি থৈ গৈছে।

## লোক সংস্কৃতি "ৰাখাল ভাত" আৰু সাংস্কৃতিক অনুষ্ঠান ছয়গাঁৱৰ চণ্ডিকাত আয়োজন

**অসম বাৰ্তা, বকো, ১১ জানুৱাৰী ঃ** কোচ ৰাজবংশী জনগোষ্ঠীৰ অতি জনপ্ৰিয় আৰু বিধিগত লোক সংস্কৃতি "ৰাখাল ভাত" কামৰূপ জিলাৰ ছয়গাঁৱত আয়োজন কৰা হয়। কোচ ৰাজবংশী যুৱ ছাত্ৰ সন্মিলনীৰ দক্ষিণ কামৰূপ জিলা সমিতিৰ উদ্যোগত আজি ছয়গাঁৱৰ চণ্ডিকা দেৱালয়ৰ প্ৰাংগণত বৰ্ণাঢ্য কাৰ্য্যসূচীৰে আয়োজন কৰা হয় ৰাখাল ভাত পৰম্পৰা। কোচ ৰাজবংশী যুৱ ছাত্ৰ সন্মিলনীৰ দক্ষিণ কামৰূপ জিলা সমিতিৰ সভাপতি মিলন কুমাৰ দাস আৰু সম্পাদক দ্বীপেন দাসে জনোৱা অনুসৰি কোচ ৰাজবংশী সকলোৰ লোক সংস্কৃতি ৰাখাল ভাত পৰম্পৰা ৰক্ষা কৰিবলৈ আয়োজন কৰা বৰ্ণাঢ্য অনুষ্ঠানৰ মঞ্চ উদ্বোধন কৰে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত অধিবক্তা ৰবীন্দ্ৰ চন্দ্ৰ দাসে। প্ৰয়াত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ কালজয়ী গীত মায়াবিনী শীৰ্ষক গীতেৰে শুভাৰম্ভ হোৱা অনুষ্ঠানৰ বৰ্ণাঢ্য কাৰ্য্যসূচী আনুস্থানিক ভাৱে উদ্বোধন কৰে পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়াই। ৰাখাল ভাত পৰম্পৰাত কোচ ৰাজবংশী লোক সংস্কৃতিৰ গীত-মাত নৃত্যৰ সমাহাৰ ঘটোৱা হয়।

### এল্ট' আৰু বাইকৰ মুখামুখি সংঘৰ্ষ

## বৰক্ষেত্ৰীৰ জাগাৰাত ভয়াবহ পথ দুৰ্ঘটনা

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ১১ জানুৱাৰী ঃ** নলবাৰীৰ বৰক্ষেত্ৰীৰ জাগাৰাত এল্ট' আৰু বাইকৰ মুখামুখি সংঘৰ্ষৰ ফলত দুজন বাইক আৰোহী গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত। নলবাৰী মুকালমুৱা পথৰ জাগাৰাত সংঘটিত হয় উক্ত দুৰ্ঘটনাটো। প্ৰত্যক্ষদৰ্শীয়ে জনোৱা অনুসৰি নলবাৰী দিশৰ পৰা আহি থকা এ এছ ০১ জি এফ ৫৫৪১ নম্বৰৰ এল্ট' বাহন আৰু মুকালমুৱা দিশৰ পৰা গৈ থকা এ এছ ০২ এ এল ৮৩৫৬ নম্বৰৰ আপাচি বাইকৰ মাজত সংঘটিত হয় ভয়াবহ দুৰ্ঘটনাটো। দুৰ্ঘটনাটোত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয় বাইক আৰোহী দুজন। আহত বাইক আৰোহী দুজন হৈছে নলবাৰী জিলাৰ খখৰিশাল নিবাসী দেৱজিৎ হালৈ আৰু নৱজিত তালুকদাৰ বুলি জানিব পৰা গৈছে। আটাই কেইজন আঘাতপ্ৰাপ্ত লোকক স্থানীয় লোকৰ সহযোগত ততাতৈয়াকৈ দুখন ১০৮ এম্বুলেঞ্চৰ সহায়ত নলবাৰী চিকিৎসালয় মহবিদ্যালয়লৈ প্ৰেৰণ কৰে। আঘাতপ্ৰাপ্ত লোক দুজনৰ অৱস্থা সংকটজনক বুলি জানিব পৰা গৈছে। ঘটনাস্থলীত বেলশৰ আৰক্ষী উপস্থিত হৈ দুৰ্ঘটনাগ্ৰস্ত বাহন দুখন বেলশৰ আৰক্ষী থানালৈ লৈ যায়।

### শিৱসাগৰ প্ৰেছ ক্লাবৰ প্ৰতিষ্ঠাপক সকলে অসমৰ বৌদ্ধিক, সামাজিক আৰু সাংস্কৃতিক জগতলৈ অনবদ্য অৱদান আগবঢ়াই গৈছে ঃ ড° সব্যসাচী মহন্ত

## শিৱসাগৰ প্ৰেছ ক্লাবৰ ৩৪ তম প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**ষ্টাফ ৰিপৰ্টাৰ, শিৱসাগৰ, ১১ জানুৱাৰী ঃ** শিৱসাগৰ প্ৰেছ ক্লাৱে আজি ৩৩ বছৰ অতিক্ৰম কৰিলে। সেই উপলক্ষে আজি পুৱা শিৱসাগৰ প্ৰেছ ক্লাবত ৩৪ তম প্ৰতিষ্ঠা দিৱস দিনজোৰা কাৰ্যসূচীৰে ৰূপায়ণ কৰা হয়। শিৱসাগৰ প্ৰেছ ক্লাবৰ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক হিমাংশু নেওগে পৰিচালনা কৰা আৰম্ভণি অনুষ্ঠানত প্ৰেছ ক্লাবৰ পতাকা উত্তোলন কৰে সভাপতি ড° সব্যসাচী মহন্তই। পতাকা উত্তোলন কৰি দিয়া ভাষণত ড° সব্যসাচী মহন্তই কয় যে, শিৱসাগৰ প্ৰেছ ক্লাব মূলতঃ সাংবাদিক সকলৰ সংগঠন যদিও এই প্ৰেছ ক্লাবে বিগত ৩৩টা বছৰে সাংবাদ কৰ্মীৰ কল্যাণৰ উপৰিও সৰ্বস্তৰৰ ৰাইজৰ হিতাৰ্থে কাম কৰি গৈছে। শিৱসাগৰ প্ৰেছ ক্লাবৰ প্ৰতিষ্ঠাপক উপদেষ্টা তথা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি বীৰেন বৰকটকী, শিক্ষাবিদ প্ৰয়াত শৰৎ মহন্ত, প্ৰয়াত গুণ বৰুৱাৰ উপৰিও বৰ্তমানৰ উপদেষ্টা জ্যোতিপ্ৰসাদ চলিহাৰ দৰে বৰেণ্য সাহিত্যিক সমাজহিতৈষী ব্যক্তি সকলে অসমৰ বৌদ্ধিক, সামাজিক আৰু সাংস্কৃতিক জগতলৈ অনবদ্য অৱদান আগবঢ়াই গৈছে। তেওঁৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ আমি আজিৰ এই প্ৰতিষ্ঠা দিৱসৰ দিনটোতেই সাংবাদিক সকলৰ সৰ্বাংগীণ স্বাৰ্থ সুৰক্ষাৰ লগতে সমাজৰ সকলো শ্ৰেণীৰ ৰাইজৰ কল্যাণৰ বাবে কাম কৰি যোৱাৰ সংকল্প গ্ৰহণ কৰিব লাগিব বুলি ড° সব্যসাচী মহন্তই উল্লেখ কৰে। ইয়াৰ পিছতেই শিৱসাগৰ প্ৰেছ ক্লাবৰ প্ৰতিষ্ঠাপক উপদেষ্টা সকলৰ উপৰিও আমাৰ মাজৰ পৰা অকালতে হেৰাই যোৱা জীতেন চুতীয়া, আলফৰিদ চাজাদ, প্ৰাঞ্জল দত্ত, লুইত চলিহা আৰু নৰেন গগৈৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে শিৱসাগৰ প্ৰেছ ক্লাবৰ উপ সভাপতি ড° উৎপল দত্তই। ভাষণ প্ৰসংগত ড° উৎপল দত্তই প্ৰেছক্লাবৰ জন্মলগ্নৰে পৰা জড়িত এই বৰেণ্য সাহিত্যিক সাংবাদিক সকলৰ আশাশুধীয়া প্ৰচেষ্টাৰ বাবেই আজি শিৱসাগৰ প্ৰেছক্লাবে অসমৰ সংবাদ জগতৰ ভিতৰতেই এক সুকীয়া স্থান লাভ কৰিবলৈ সক্ষম হৈছে বুলি মত প্ৰকাশ কৰে। সন্ধিয়া ৫ বজাত শিৱসাগৰ প্ৰেছ ক্লাবৰ চৌহদত প্ৰতিষ্ঠা দিৱস উপলক্ষে ৩৪ গছি বন্তি প্ৰজ্বলন কৰা হয়। ইয়াৰ পিছতেই মনিৰুল ইছলাম বড়াৰ পৰিচালনাত নগৰৰ দৌল্লা বিবাহ ভৱনত প্ৰতিষ্ঠা দিৱস উপলক্ষে অনুষ্ঠিত হয় বিশেষ সম্বৰ্ধনা আৰু সাংস্কৃতিক অনুষ্ঠান। এই সম্বৰ্ধনা অনুষ্ঠানৰ আৰম্ভণিতে শিৱসাগৰ প্ৰেছক্লাবৰ বিষয়ববীয়া আৰু সদস্য সকলৰ কীৰ্তিমান সন্তান সকলক সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত শিৱসাগৰ প্ৰেছ ক্লাবৰ উপ সভাপতি পদৰ পৰা অব্যাহতি গ্ৰহণ কৰা প্ৰবীণ সাংবাদিক পবিত্ৰ বৰঠাকুৰক বিদায় সম্বৰ্ধনা জনোৱাৰ লগতে সাংবাদিক পেঞ্চন লাভ কৰি সাংবাদিক জগতৰ পৰা অৱসৰ গ্ৰহণ কৰা খাইৰুদ্দিন আহমেদকো আদৰনি জনোৱা হয়। সাংস্কৃতিক অনুষ্ঠানত জেষ্ঠ সাংবাদিক মনিৰুল ইছলাম বড়াই বিশ্ববিখ্যাত কালজয়ী নাটক-অথেলৰ গুৰুত্বপূৰ্ণ সংলাপ প্ৰক্ষেপণ কৰাৰ উপৰিও সাংবাদিক অতনু বৰা, উৎপল দত্তকে ধৰি বহু কেইগৰাকী সাংবাদিক আৰু তেওঁলোকৰ পৰিয়ালৰ সদস্য সকলে বহুকেইটা গীত, নৃত্য পৰিবেশন কৰাৰ লগতে কবিতা আবৃত্তি কৰি সাংস্কৃতিক অনুষ্ঠানটো অধিক জীপাল কৰি তুলে।

## দৰঙত সুচাৰুৰূপে আগবাঢ়িছে ভোটাৰ তালিকাৰ বিশেষ সংশোধনী

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১১ জানুৱাৰী ঃ** দৰং জিলাৰ ভোটাৰ তালিকাৰ বিশেষ সংশোধনৰ(SR) ৰ কাম-কাজ নিয়াৰিকৈ কৰি থকা হৈছে আৰু ভাৰতৰ নিৰ্বাচন আয়োগে জাৰি কৰা সকলো নীতি-নিৰ্দেশনা কঠোৰভাৱে পালন কৰা হৈছে। দৰঙৰ জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া পূবালী গোহাঁইয়ে জনোৱা মতে, জিলাখনৰ সকলো বিধানসভা সমষ্টিতে বিশেষ সংশোধনৰ(SR) অধীনত ঘৰে ঘৰে পৰীক্ষণ সফলভাৱে সম্পূৰ্ণ হৈছে। পুনৰীক্ষণ প্ৰক্ৰিয়াৰ অংশ হিচাপে সকলো সমষ্টিৰ নিৰ্বাচনী পঞ্জীয়ন বিষয়া (ই আৰ অ') আৰু সহকাৰী নিৰ্বাচনী পঞ্জীয়ন বিষয়া (এ ই আৰ অ')য়ে তেওঁলোকৰ অধীনস্থ ভোটকেন্দ্ৰসমূহ পৰিদৰ্শন কৰি তৃণমূল পৰ্যায়ত তীক্ষ্ণ নিৰীক্ষণ কৰিছে। ইয়াৰ উপৰিও ভোটাৰ তালিকাৰ সঠিকতা অধিক নিশ্চিত কৰিবলৈ নিৰ্বাচনী পঞ্জীয়ন বিষয়াই আকস্মিক পুনৰীক্ষণো কৰে। জিলা নিৰ্বাচনী বিষয়াই কয় যে বিশেষ সংশোধনৰ অধীনত সকলো কাম-কাজ ভাৰতীয় নিৰ্বাচন আয়োগৰ নীতি-নিৰ্দেশনা অনুসৰি চলোৱা হৈছিল যাতে স্বচ্ছ, নিকা আৰু ত্ৰুটিমুক্ত ভোটাৰ তালিকা প্ৰস্তুত কৰাটো নিশ্চিত কৰিব পৰা যায়। ইয়াৰ উপৰিও ছিপাঝাৰৰ সম জিলা আয়ুক্ত তথা নিৰ্বাচনী পঞ্জীয়ন বিষয়া পাপৰি দাসে জিলাখনৰ ছিপাঝাৰৰ গৰুখুটি উচ্ছেদিত এলেকা পৰিদৰ্শন কৰি বিশেষ সংশোধনৰ (এছ আৰ)ৰ অধীনত সঠিক পৰীক্ষণৰ অন্তত নিৰ্ধাৰিত প্ৰক্ৰিয়া অনুসৰি যোগ্য ভোটাৰৰ নাম নিজ নিজ ভোটগ্ৰহণ কেন্দ্ৰলৈ স্থানান্তৰ কৰা হ'ব বুলিও জনায়। জিলা নিৰ্বাচনী কাৰ্যালয়ে ভোটাৰ তালিকাৰ বিশেষ সংশোধন ন্যায্য, স্বচ্ছ আৰু প্ৰণালীবদ্ধভাৱে চলোৱাৰ দায়বদ্ধতাৰ কথা উল্লেখ কৰে।

## যোৰহাট পুলিবৰ ডেকাগাঁৱত 'তাওতিন' শুভাৰম্ভ

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ১১ জানুৱাৰী ঃ** 'তাওতিন' টাই ভাষাৰ শব্দ। ইয়াৰ অৰ্থ হ'ল 'অস্তিত্ব'। যোৰহাট পুলিবৰ ডেকাগাঁৱত 'তাওতিন' আজি শুভাৰম্ভ কৰে স্থানীয় পঞ্চায়তৰ সভাপতি বিনন্দ সদাৰে। পুলিবৰ ডেকাগাঁৱৰ নিৱাসী ডাঃ কিশোৰ কুমাৰ গগৈয়ে স্থানীয় যুৱক-যুৱতীসকলৰ সহযোগত উত্তৰাধিকাৰী সূত্ৰে লাভ কৰা ২৫ কঠা ভূমিত প্ৰতিষ্ঠা কৰিছে 'তাওতিন'। ৰাষ্ট্ৰীয় পথৰ পৰা মাত্ৰ ৩০০ মিটাৰ দূৰত্বত সুচল যাতায়াতৰ লগতে ভূমি খণ্ডৰ মাজতে থকা আঁঠুভগা জানৰ দুয়োপাৰে প্ৰাকৃতিক পৰিৱেশত গঢ়ি তুলিছে এই 'তাওতিন'। তেওঁ জনোৱা মতে 'তাওতিন'ত ইথিনি' তাই আহোম ইক' হাৰ্বেল ৰিজৰ্ট গঢ়ি তোলা হ'ব। সুস্বাদু খাদ্যৰ লগতে থলুৱা শাক-পাচলিৰে প্ৰস্তুত খাদ্য-সম্ভাৰ পোৱাৰ উপৰি ৰন্ধা-বঢ়া কৰিও গ্ৰহণ কৰিব পাৰিব। তাই আহোম জনগোষ্ঠী প্ৰাৰ্থনা গৃহৰ লগতে শিশু উদ্যান, পুখুৰীত থকা আলংকৰিক মাছ দৰ্শন কৰাৰ লগতে নৌকা চালনা কৰিব পাৰিব। তদুপৰি, বিবাহ, উৎসৱ-জন্মদিন পাল, সভা-সমিতি আদিও অনুষ্ঠিত কৰিব পাৰিব। বনভোজৰ বাবেও সুবিধাজনক কৰি গঢ়ি তোলা হৈছে 'তাওতিন'। সপোনৰ প্ৰকল্প 'তাওতিন'ত তাই জনগোষ্ঠীৰ কৃষ্টি-সংস্কৃতিৰ প্ৰচাৰ-প্ৰসাৰ কৰাৰ লগতে সংৰক্ষণৰ ব্যৱস্থা কৰিব। জাতি-মাটি-ভেটি ৰক্ষা কৰাৰ লগতে স্থানীয় যুৱক-যুৱতীসকলক সংস্থাপনৰ ব্যৱস্থা কৰিব। আজি 'তাওতিন'ৰ শুভাৰম্ভ কৰাৰ পাছতে দুটা গছপুলি ৰোপণ কৰে ক্ৰমে ডাঃ ৰাণা সন্দিকৈ আৰু ৰমেন শইকীয়াই। চিত্ৰকলা বিদ্যালয় আৰু আৰ্ট গেলেৰীৰ শুভাৰম্ভ কৰে অংকুৰ বৰগোহাঞিয়ে। শুভেচ্ছামূলক বক্তব্য প্ৰদান কৰে জ্যেষ্ঠ সাংবাদিক দিগন্ত বুঢ়াগোহাঁই আৰু স্থানীয় পঞ্চায়তৰ আঞ্চলিক সদস্য জ্যোতি বৰাই। 'তাওতিন'ৰ শুভাৰম্ভণী অনুষ্ঠানত স্থানীয় বহু সংখ্যক লোক উপস্থিত থাকে। 'তাওতিন'ৰ সন্দৰ্ভত সবিশেষ জানিবলৈ ইচ্ছুকসকলক ফোন-৮৬৩৮৮-২৩৫৫২ত যোগাযোগ কৰিবলৈ আহবান জনাইছে।

## আজমেৰ এগ্ৰো প্ৰাইভেট লিমিটেডৰ বিহালীত ৰাইজ ব্ৰাণ্ড চয়াবিন তেল উদ্যোগৰ শুভ উদ্বোধন

**অসম বাৰ্তা, জিনজিয়া, ১১ জানুৱাৰী ঃ** থান বিহালীৰ কমাৰ পুখুৰীত প্ৰধান মন্ত্ৰী কৃষি সম্পাদনা বিকাশ যোজনাৰ উদ্যোগত স্থাপিত আজমেৰ এগ্ৰো প্ৰাইভেট লিমিটেডৰ আজি ৰাইজ ব্ৰাণ্ড আৰু চয়াবিন তেল উদ্যোগৰ শুভ উদ্বোধন কৰে শোণিতপুৰ লোক সভা সমষ্টিৰ সাংসদ ৰঞ্জিত দত্তই আনুষ্ঠানিক ভাৱে উদ্বোধন কৰে। বিশ্বনাথৰ জেষ্ঠ সাংবাদিক তথা সমাজ কৰ্মী নিৰঞ্জন হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে নন্দিতা শৰ্মাই। উদ্বোধনী সভাত সাংসদ গৰাকীয়ে কেন্দ্ৰীয় চৰকাৰৰ ৰাজসাহায্য যুক্ত ধনেৰে নিৰ্মিত এই কোম্পানীত চোয়া অইল, ৰাইচ ব্ৰেণ্ড অইল উৎপাদন হ'ব। ইয়াত ডেৰ/দুই শ শ্ৰমিকে কাম কৰাৰ সুবিধা লাভ কৰাৰ লগতে অঞ্চলটোত চয়া খেতি কৰি লাভবান হ'ব পাৰিব বুলি উল্লেখ কৰে। লগতে অঞ্চলটোত এখন বজাৰো সৃষ্টি হ'ব। আনহাতে বিশ্বনাথ জিলা কৃষি বিষয়া বানেশ্বৰ বেই বিশ্বনাথৰ ৪০টা ফাৰ্মাৰ কোম্পানীক চয়া খেতি কৰাৰ বাবে আহ্বান জনোৱাৰ লগতে জিলা কৃষি বিভাগৰ দ্বাৰা সহায় কৰাৰ আশ্বাস প্ৰদান কৰে। বিশ্বনাথ জিলাৰ জিলা আয়ুক্ত লক্ষ্মীনন্দন চহৰীয়াই বিহালীত হোৱা এই ফেক্টৰীৰ দ্বাৰা অঞ্চলটোৰ উন্নয়ন হোৱাৰ উপৰিও জিলা প্ৰশাসনৰ দ্বাৰা সকলোধৰণৰ সহযোগ কৰাৰ আশ্বাস প্ৰদান কৰে। অসম বীজ নিগমৰ অধ্যক্ষ প্ৰবীন হাজৰিকাই বিহালী চাহখেতিৰ যোগেদি উন্নত হোৱাৰ লগতে এই ফেক্টৰীৰ দ্বাৰাও অঞ্চলটোৰ ৰাইজ উপকৃত হব বুলি উল্লেখ কৰে। আজিৰ সভাত ব্যৱসায়ী চত্ৰ সিং পাৱাৰ, প্ৰভু সিং, সমাজ কৰ্মী ৰবীন্দ্ৰ সিং, শিক্ষাবিদ স্বৰাজ হাজৰিকা, মোৱাৰক হুছেইন, প্ৰেমলাল গঞ্জু, সুভাষ আগৰৱালা, বিহালী প্ৰেছক্লাবৰ সভাপতি ভুবন লুইটেল সহ বহু গণ্য মান্য ব্যক্তিয়ে অংশ গ্ৰহণ কৰে।

## জাঁজীত চোৰৰ উপদ্ৰৱ; আতংকিত গঞা

**অসম বাৰ্তা, জাঁজী, ১১ জানুৱাৰী ঃ** শিৱসাগৰ জিলাৰ জাঁজী জামুগুৰি অঞ্চলত বিগত কিছুদিন ধৰি চোৰৰ উপদ্ৰৱ বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। চোৰে কেইবাটাও বাসগৃহৰ লগতে ব্যৱসায়িক প্ৰতিষ্ঠানত লুটপাট চলোৱাৰ অভিযোগ উঠিছে। যোৱা ৮ জানুৱাৰীৰ নিশা জাঁজী জামুগুৰিৰ এখন চাহৰ দোকানৰ পৰা চোৰৰ দলে গেছৰ চিলিণ্ডাৰ, গেচ ষ্টভ, ফেন, প্ৰেছাৰ কুকাৰকে ধৰি বহুতো সামগ্ৰী চুৰি কৰি নিয়ে। দোকানৰ স্বত্বাধিকাৰী অৰূপ বৰাই পিছদিনা পুৱা ঘটনা সন্দৰ্ভত গৌৰীসাগৰ আৰক্ষীক লিখিত ভাবে অৱগত কৰে। আৰক্ষীয়ে দুৰ্বৃত্তৰ সন্ধানত অনুসন্ধানত নামি পৰে আৰু সমীপৰ ব্যৱসায়িক প্ৰতিষ্ঠানৰ চিচি কেমেৰাৰ ফুটেজ পৰীক্ষা কৰে। চিচি কেমেৰাৰ ফুটেজত দুটা দুৰ্বৃত্তই চাহৰ দোকান খনৰ পৰা সামগ্ৰী চমুহ লুটি নিয়াটো ধৰা পৰে। আৰক্ষীয়ে এই সন্দৰ্ভত জোৰ তদন্ত চলাই থকাৰ মাজতে যোৱা নিশা চোৰে দোকান খনত চুৰি কৰি নিয়া সামগ্ৰী সমূহ ঘূৰাই দি থৈ যায়। আজি পুৱা সামগ্ৰীখিনি দোকানৰ কাষত প্ৰত্যক্ষ কৰি অৰূপ বৰাই আৰক্ষী খৱৰ দিয়ে।

## বৰক্ষেত্ৰীৰ ৰামপুৰত প্ৰাক্তন বিধায়ক নাৰায়ণ ডেকাৰ শুভাৰম্ভ নৱনিৰ্মিত গৃহৰ

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ১১ জানুৱাৰী ঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত ৰামপুৰস্থিত 'ৰামপুৰ জনতা উচ্চ মাধ্যমিক বিদ্যালয়ত গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন পুঁজি-৩০ (আৰ.আই.ডি.এফ) ২০২৪-২৫ ৰ অধীনত নিৰ্মাণ হ'বলগীয়া নতুন ভৱনৰ আজি শুভ গৃহাৰম্ভ কৰে প্ৰাক্তন বিধায়ক নাৰায়ণ ডেকাই। উল্লেখ্য যে বৃহত্তৰ পশ্চিম বৰক্ষেত্ৰী অঞ্চলৰ শিক্ষাৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰা শিক্ষানুষ্ঠানখনৰ নতুন ভৱনটোৰ নিৰ্মাণে শিক্ষাৰ্থীসকলৰ মনোবল বৃদ্ধি কৰাৰ লগতে শিক্ষা প্ৰদানত শিক্ষক-শিক্ষয়িত্ৰীসকলৰো সহায়ক হ'ব বুলি জানিব দিয়ে ডেকাই। এই অনুষ্ঠানতে অসম চৰকাৰৰ দ্বাৰা শিক্ষাৰ্থীসকলৰ বিদ্যালয়লৈ অহা যোৱা কৰাত সুবিধাজনক হোৱাৰ বাবে প্ৰদান কৰা চাইকেলসমূহ আনুষ্ঠানিকভাৱে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিতৰণ কৰে। অনুষ্ঠানটোত উপস্থিত থাকে ৰামপুৰ জনতা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক পদ্মধৰ দাস, ৰামপুৰ জনতা হাইস্কুলৰ বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি হিতেশ গোস্বামী, প্ৰাক্তন সভাপতি প্ৰশান্ত কুমাৰ গোস্বামী, লোকনিৰ্মাণ বিভাগৰ কাৰ্যকৰী অভিযন্তা নিকুঞ্জ গোস্বামীৰ লগতে বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়ত্ৰীসকল। আনহাতে, অনুষ্ঠানটোত উপস্থিত থাকে ভালেমান স্থানীয় গণ্য মান্য লোকৰ লগতে বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকল।

## বিধানসভা নিৰ্বাচনৰ বাবে ইস্তাহাৰ প্ৰস্তুতি; গুৱাহাটীত

অংশ হিচাপে গুৱাহাটীত ব্যাপক গণসংযোগ আৰু পৰামৰ্শ সংগ্ৰহৰ কাৰ্যসূচী অনুষ্ঠিত হৈছে। এই অভিযানৰ জৰিয়তে দলে ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ বাবে ৰাইজৰ মতামতৰ ওপৰত ভিত্তি কৰি এক জনমুখী ইস্তাহাৰ প্ৰস্তুত কৰাৰ লক্ষ্য ৰাখিছে। ৬ ডিচেম্বৰত ডিব্ৰুগড়ৰ পৰা আৰম্ভ হোৱা এই মাহেকীয়া অভিযানৰ অন্তিম পৰ্যায় গুৱাহাটীত অনুষ্ঠিত হৈছে। দেওবাৰে গুৱাহাটীৰ কঁহুৱা বন ৰিজৰ্টত গুৱাহাটী মহানগৰ জিলা কংগ্ৰেছে দুখন গুৰুত্বপূৰ্ণ বৈঠকৰ আয়োজন কৰে। এই বৈঠকত ৰাজ্যৰ বিভিন্ন জাতীয় সংগঠন, নাগৰিক সমিতি, বুদ্ধিজীৱী আৰু গণ্য-মান্য ব্যক্তিৰ সৈতে মত বিনিময় কৰা হয়। বৈঠকত অংশগ্ৰহণ কৰা বিশিষ্ট ব্যক্তিসকলৰ ভিতৰত আছিল — ড° হীৰেন গোহাঁই, আব্দুল মান্নান, হৰেকৃষ্ণ ডেকা, ড° দীনেশ বৈশ্য, পৰেশ মালাকাৰ, ডাঃ নৱনীল বৰুৱা আৰু উদয়ন হাজৰিকা। এইসকলে কংগ্ৰেছৰ ইস্তাহাৰত কোনবোৰ বিষয় সন্নিৱিষ্ট কৰিব লাগে, বৰ্তমান চৰকাৰৰ দুৰ্নীতি, অনিয়ম আৰু অবিচাৰৰ বিৰুদ্ধে দলৰ স্থিতি কেনেকুৱা হ'ব লাগে সেই সন্দৰ্ভত মূল্যৱান পৰামৰ্শ আগবঢ়ায়। বিশিষ্ট বুদ্ধিজীৱী ড° হীৰেন গোহাঁয়ে এই অভিযানক ইতিবাচক বুলি অভিহিত কৰি কয় যে, দলৰ নিজা চিন্তা-চৰ্চাতকৈ ৰাইজৰ মতামতক অধিক গুৰুত্ব দি ইস্তাহাৰ প্ৰস্তুত কৰাটো গণতন্ত্ৰৰ বাবে এক ইতিবাচক দিশ। তেওঁ লগতে কয় যে বিৰোধী দল হিচাপে কংগ্ৰেছে বৰ্তমান চৰকাৰৰ অনিয়ম আৰু দুৰ্নীতিৰ বিৰুদ্ধে দৃঢ় আৰু সঠিক স্থিতি গ্ৰহণ কৰিব লাগিব। বৈঠকত উপস্থিত থকা ইস্তাহাৰ কমিটিৰ অধ্যক্ষ প্ৰদ্যুৎ বৰদলৈ, অসম বিধানসভাৰ বিৰোধী দলপতি দেবব্ৰত শইকীয়া, নিখিল ভাৰত কংগ্ৰেছ কমিটীৰ সম্পাদক মনোজ চৌহান, প্ৰাক্তন অধ্যক্ষ পৃথ্বি মাঝি আদি নেতাসকলে এই পৰামৰ্শসমূহ সংগ্ৰহ কৰি ইস্তাহাৰ প্ৰস্তুতৰ কাম আগবঢ়াই নিব। গৌৰৱ গগৈয়ে সাংবাদিকৰ আগত কয় যে, অসমৰ ৰাইজক কংগ্ৰেছে সন্মান কৰে বাবেই বিভিন্ন জিলালৈ গৈ দল-সংগঠন আৰু সাধাৰণ ৰাইজৰ মতামত সংগ্ৰহ কৰা হৈছে। অভিযানৰ এক গুৰুত্বপূৰ্ণ অংশ হিচাপে জনজাতীয় অধ্যয়ন গোটে গৌৰৱ গগৈৰ হাতত এক বিস্তৃত প্ৰতিবেদন দাখিল কৰে। এই গোটে ডিমৰীয়া, বকো, দুধনৈ আৰু গোৱালপাৰা পশ্চিম বিধানসভা সমষ্টিত ক্ষেত্ৰভিত্তিক সমীক্ষা চলাই ৰাভা, গাৰো, বড়ো, হাজং, আমৰি কাৰ্বি, তিৱা, মিছিং আদি জনজাতিৰ সংগঠন আৰু ব্যক্তিৰ সৈতে আলোচনা কৰিছিল। প্ৰতিবেদনত উত্থাপিত মূল সমস্যা আৰু দাবীসমূহৰ ভিতৰত আছে —জনজাতি ভূমি আৰু বন অধিকাৰৰ উলংঘা, অজনজাতীয়ৰ দ্বাৰা ভূমি হস্তান্তৰ, ৰাজনৈতিক প্ৰতিনিধিত্বৰ অভাৱ, আদিবাসী সংস্কৃতি আৰু পৰিচয়ৰ প্ৰতি ভাবুকি। দাবীসমূহৰ ভিতৰত — জনজাতি ভূমি সুৰক্ষা, ভূমি পট্টা প্ৰদান, জনজাতীয় বিশ্ববিদ্যালয় স্থাপন, আমৰি কাৰ্বি সমাজক এছটি মৰ্যাদা প্ৰদান, বাকী থকা বড়ো ৰাজহ গাঁওক বিচিডব্লিউএচিৰ অন্তৰ্ভুক্ত কৰা আৰু ভৈয়ামৰ জনজাতিৰ বাবে উন্নয়ন পৰিষদ গঠন আদি অন্যতম।

## মুখ্যমন্ত্ৰী আৰু ১৫০০ টকীয়া ট্ৰলৰ মাজত কোনো

পিছতে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে গৌৰৱ গগৈয়ে। মুখ্যমন্ত্ৰীয়ে পূৰ্বতে ছেপ্টেম্বৰত দিয়াৰ কথা থকা এই তথ্য এতিয়া ১৫-১৮ জানুৱাৰী বা ২৪-৩১ জানুৱাৰীৰ ভিতৰত প্ৰকাশ কৰাৰ কথা সদৰি কৰিছেদেওবাৰে সাংবাদিকৰ সৈতে কথা পাতি গৌৰৱ গগৈয়ে কয়, "আপোনালোকে আমনি নকৰিব। কৈ থাকক। মই খুব স্‌স্ফূৰ্তি পাওঁ। মুখ্যমন্ত্ৰীৰ এইবোৰ কথা শুনি মজা লাগে। ৰাইজেও গম পাইছে যে তেওঁৰ কথাবোৰৰ কোনো গ্ৰহণযোগ্যতা নাই। মুখ্যমন্ত্ৰী হিচাপে কথাবোৰ গম্ভীৰ আৰু দায়িত্বশীল হ'ব লাগে। আজিৰ তাৰিখত অসমৰ মুখ্যমন্ত্ৰী আৰু ১৫০০ টকীয়া ট্ৰ'লৰ মাজত কোনো পাৰ্থক্য দেখা পোৱা নাই। তেওঁৰ কিছুমান কথা ৰাইজে ব্লক কৰি দিয়ে।" গগৈয়ে আৰু কয় যে, মুখ্যমন্ত্ৰীয়ে নিজৰ বিফলতা, দুৰ্নীতি আৰু ভ্ৰষ্টাচাৰৰ পৰা ৰাইজৰ দৃষ্টি আঁতৰাবলৈ এই ধৰণৰ বিতৰ্ক সৃষ্টি কৰিছে। তেওঁ ক'ভিড কালীন সময়ৰ অৱস্থাৰ কথা উল্লেখ কৰি লগতে কয় যে, বিজেপি দল আৰু মুখ্যমন্ত্ৰীৰ পৰিয়ালৰ প্ৰাইড ইষ্ট কোম্পানী একেলগে অনুষ্ঠান পাতিছে। ইয়াৰ অৰ্থ স্পষ্ট যে সমগ্ৰ বিজেপি দলে মুখ্যমন্ত্ৰীৰ পৰিয়ালৰ কোম্পানীক লাভ দিয়াৰ বাবে কাম কৰি আছে। সাংসদ গগৈয়ে প্ৰশ্ন উত্থাপন কৰে যে— হিমন্ত বিশ্ব শৰ্মা মুখ্যমন্ত্ৰী হোৱাৰ পিছত পাঁচ বছৰত প্ৰাইড ইষ্ট কোম্পানীয়ে বিজ্ঞাপনৰ নামত কিমান চৰকাৰী ধন লাভ কৰিছে? কোম্পানীটোৱে চৰকাৰৰ পৰা কিমান ঠিকা লাভ কৰিছে? মুখ্যমন্ত্ৰীৰ পৰিয়াল আৰু ল'ৰাৰ নামত থকা কোম্পানীসমূহে কিমান চৰকাৰী ধন আৰু ঠিকা লাভ কৰিছে? তেওঁ দাবী কৰে যে চৰকাৰী ধন মুখ্যমন্ত্ৰীৰ ব্যক্তিগত ধন নহয়, ই অসমৰ জনসাধাৰণৰ ধন। তেওঁ শ্বেতপত্ৰ প্ৰকাশৰ দাবী উত্থাপন কৰি কয় যে কংগ্ৰেছ চৰকাৰ গঠন হ'লে এই সকলো বিষয়ৰ তদন্ত কৰি অবৈধভাৱে বিতৰণ কৰা মাটি জনসাধাৰণৰ মাজত বিতৰণ কৰা হ'ব। গৌৰৱ গগৈয়ে এই ঘটনাক মুখ্যমন্ত্ৰীৰ পৰা ৰাইজৰ দৃষ্টি আঁতৰোৱাৰ এক কৌশল বুলি অভিহিত কৰি কয় যে এই ধৰণৰ কথাৰে ৰাইজৰ মাজত বিভাজন সৃষ্টি কৰিব বিচৰা হৈছে। তেওঁৰ মতে, অসমৰ জনসাধাৰণে এই সকলো বিষয় ভালদৰে বুজি পাইছে। এই প্ৰতিক্ৰিয়াই ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে ৰাজ্যৰ ৰাজনৈতিক উত্তাপ আৰু অধিক বৃদ্ধি কৰিছে।

## বন্ধ কোঠাৰ মজিয়াত

শোৱনি কোঠাৰ মজিয়াত অচেতন অৱস্থাত পৰি থকা অৱস্থাত আৰক্ষীয়ে উদ্ধাৰ কৰি তেওঁক তৎকালীনভাৱে গুৱাহাটীৰ ৰহমান হাস্পাতালত ভৰ্তি কৰায়। বৰ্তমান তেওঁ সেই হাস্পাতালতে চিকিৎসাধীন হৈ আছে। প্ৰাপ্ত তথ্য অনুসৰি, ১৯৩৫ চনৰ ১৪ মাৰ্চত জন্মগ্ৰহণ কৰা এলি আহমেদৰ বয়স এতিয়া প্ৰায় ৯০ বছৰ অতিক্ৰম কৰিছে। অবিবাহিতা এইগৰাকী বিশিষ্ট মহিলাই দীৰ্ঘদিন ধৰি চানমাৰিৰ উক্ত ঘৰটোত একাই বাস কৰি আহিছে। শুকুৰবাৰে (৯ জানুৱাৰী) বনকৰা মহিলাগৰাকী ঘৰৰ পৰা ওলাই যোৱাৰ পিছৰে পৰা এলি আহমেদৰ কোনো খবৰ নাছিল। গোৱালে দিবলৈ অহা গাখীৰ বাহিৰতে পৰি আছিল আৰু ঘৰৰ ভিতৰৰ পৰা কোনো সঁহাৰি নাছিল। ইয়াৰ ফলত ঘৰৰ ওচৰৰ আবাসীসকলৰ মাজত সন্দেহৰ সৃষ্টি হয়। তেওঁলোকে ফোন কৰি বাৰে বাৰে যোগাযোগ কৰাৰ চেষ্টা কৰিলেও কোনো উত্তৰ নাপায়। দেওবাৰে দুৱাৰত টোকৰ মাৰি চিঞৰি-বাখৰি কৰিলেও কোনো সঁহাৰি নোপোৱাত আবাসীসকলে লগে লগে চানমাৰি থানাত খবৰ দিয়ে। খবৰ পাই চানমাৰি থানাৰ সহকাৰী উপ-পৰিদৰ্শক কলিতাৰ নেতৃত্বত আৰক্ষীৰ এটা দল তৎক্ষণাত ঘটনাস্থলীত উপস্থিত হয়। প্ৰথমে দুৱাৰত টোকৰ মাৰি চিঞৰি-বাখৰি কৰাৰ পিছতো কোনো সঁহাৰি নোপোৱাত আৰক্ষীয়ে বহু কষ্ট কৰি দুৱাৰখন খুলিবলৈ সক্ষম হয়। ঘৰৰ ভিতৰলৈ সোমাই আৰক্ষীয়ে দেখে যে শোৱনি কোঠাৰ মজিয়াত অচেতন অৱস্থাত পৰি আছে এলি আহমেদ। আৰক্ষীক দেখি লেখিকাগৰাকীয়ে কম্পিত স্বৰেৰে কয়, "মোক এখন কাপোৰ দিয়া, বৰ ঠাণ্ডা লাগিছে।" তৎকালীনভাৱে এম্বুলেন্স মাতি বিশিষ্ট লেখিকাগৰাকীক ভি আই পি ৰোডৰ ৰহমান হাস্পাতালত ভৰ্তি কৰোৱা হয়। চিকিৎসকসকলে তেওঁৰ স্বাস্থ্য পৰীক্ষা কৰি চিকিৎসা আৰম্ভ কৰিছে। উল্লেখযোগ্য যে, এলি আহমেদে শিশু সাহিত্যৰ ক্ষেত্ৰত অৱদানৰ বাবে ২০১৫ চনত শিশু সাহিত্য অকাডেমী বঁটা আৰু ২০১৭ চনত ভাৰত চৰকাৰৰ পদ্মশ্ৰী সন্মান লাভ কৰিছিল। শিশু সাহিত্যৰ লগতে সুন্দৰ গীত ৰচনাৰ বাবেও তেওঁ বিশেষ পৰিচিত। দীৰ্ঘ জীৱনৰ সাহিত্য সাধনাৰ বাবে অসমীয়া সাহিত্য জগতত তেওঁৰ সন্মান অপৰিসীম। অকলশৰীয়াকৈ বাস কৰা এই ৯০ বছৰীয়া মহীয়সীৰ আজিৰ এই অৱস্থাই সাহিত্যানুৰাগী তথা সমাজৰ বহু লোকৰ মনত গভীৰ বেদনাৰ সৃষ্টি কৰিছে। সকলোৱে তেওঁৰ আশু আৰোগ্য কামনা কৰিছে।

## অভিনেতা, INDIA IDOL

পৰিয়ালৰ সূত্ৰ আৰু ঘনিষ্ঠজনৰ পৰা পোৱা তথ্য অনুসৰি, প্ৰশান্তে পূৰ্বৰ দিনটো স্বাভাৱিকভাৱে কটাইছিল আৰু ৰাতি ভালেই আছিল। কিন্তু পুৱা প্ৰায় ৯ বজাত তেওঁৰ হৃদযন্ত্ৰৰ ক্ৰিয়া আকস্মিকভাৱে বন্ধ হয়। পৰিয়ালে তৎক্ষণাত্ তেওঁক দিল্লীৰ এখন হাস্পতাললৈ লৈ যায় যদিও চিকিত্সকসকলে তেওঁক মৃত বুলি ঘোষণা কৰে। পৰিয়ালে নিশ্চিত কৰিছে যে এইটো এক স্বাভাৱিক মৃত্যু আছিল আৰু কোনো অস্বাভাৱিক কাৰণ নাই। প্ৰশান্ত তামাঙৰ জন্ম হৈছিল ১৯৮৩ চনৰ ৪ জানুৱাৰীত পশ্চিমবঙ্গৰ দাৰ্জিলিঙত। পিতৃ মদন তামাং আৰু মাতৃ ৰূপা তামাঙৰ সন্তান প্ৰশান্তই সৰু বয়সতেই পিতৃক এক দুৰ্ঘটনাত হেৰুৱাইছিল। পিতৃৰ মৃত্যুৰ পিছত পৰিয়ালৰ অৱস্থা কঠিন হৈ পৰিছিল যদিও তেওঁ সংগীতৰ প্ৰতি থকা আকৰ্ষণ এৰি নিদিলে। পৰৱৰ্তী সময়ত তেওঁ কলকাতা আৰক্ষী বিভাগত কনিষ্টবল হিচাপে যোগদান কৰে। আৰক্ষী চাকৰিৰ সময়তে তেওঁ আৰক্ষী অৰ্কেষ্ট্ৰাত অংশগ্ৰহণ কৰি নিজৰ সুমধুৰ কণ্ঠৰ বিকাশ ঘটায়। এই অভিজ্ঞতাই তেওঁৰ সংগীত জীৱনৰ মজবুত ভিত্তি গঢ় দিয়ে। ২০০৭ চনত প্ৰশান্তে ছ'নি টেলিভিজনৰ জনপ্ৰিয় ৰিয়েলিটি শ্ব' ইণ্ডিয়ান আইডলৰ তৃতীয় ছিজনত অংশগ্ৰহণ কৰি বিজয়ী হয়। প্ৰায় ৭ কোটি ভোট লাভ কৰি তেওঁ এক নতুন ইতিহাস ৰচনা কৰে। তেওঁৰ মধুৰ কণ্ঠ আৰু আৱেগপূৰ্ণ গানে সমগ্ৰ দেশৰ লাখ লাখ দৰ্শকৰ হৃদয় জয় কৰে। এই জয়ে তেওঁৰ বাবে সংগীত জগতৰ নতুন দুৱাৰ মুকলি কৰে। জয়ৰ পিছত তেওঁ ধন্যবাদ আদি জনপ্ৰিয় এলবাম মুকলি কৰে আৰু ভাৰতৰ লগতে বিদেশতো বিভিন্ন অনুষ্ঠানত অংশগ্ৰহণ কৰে। তেওঁৰ গানবোৰে বিশেষকৈ গোৰ্খা সম্প্ৰদায়ৰ মাজত অতি জনপ্ৰিয়তা লাভ কৰে। সংগীতৰ সমান্তৰালভাৱে প্ৰশান্তই অভিনয় জগততো খোজ দিয়ে। ২০১০ চনত নেপালী ছবি গোৰ্খা পল্টনৰ জৰিয়তে তেওঁ বলিউড আৰু নেপালী চিনেমাত আত্মপ্ৰকাশ কৰে। পিছলৈ তেওঁ পাতাল লোক ছিজন-২তো গুৰুত্বপূৰ্ণ চৰিত্ৰত অভিনয় কৰি প্ৰশংসা বুটলিছিল। তেওঁৰ এই আকস্মিক প্ৰস্থানত সহশিল্পী, ভক্ত আৰু বিভিন্ন প্ৰখ্যাত ব্যক্তিত্বই শোক প্ৰকাশ কৰিছে। পশ্চিমবঙ্গৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীৰ লগতে বহুতে তেওঁৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাইছে। প্ৰশান্ত তামাঙৰ অমৰ কণ্ঠ আৰু প্ৰতিভাই সদায় ভক্তৰ হৃদয়ত জীয়াই থাকিব। তেওঁৰ আত্মাৰ শান্তি কামনা কৰোঁ। ওম শান্তি।

## মই এজন মিডল ক্লাছ

প্ৰয়োজনীয়তাই নাই আৰু ইয়াৰ জৰিয়তে কংগ্ৰেছে অসমীয়া জাতিৰ প্ৰতি অসন্মান প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয়, "হু ইজ হিমন্ত বিশ্ব শৰ্মা বুলি ইমান ডাঙৰকৈ ক'বলৈ কি দৰকাৰ? মই দেউতা-মাৰ সন্তান। মই এজন সাধাৰণ ল'ৰা। মই ইমান গুৰুত্বপূৰ্ণ মানুহ নহয় যে অসমীয়া মানুহে মোক 'হু ইজ হিমন্ত' বুলি সুধিব লাগে।" তেওঁ লগতে কয় যে, "হিমন্ত বিশ্ব শৰ্মা সাধাৰণ অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ ল'ৰা। তাতকৈ জাতিৰ পৰিচয় ডাঙৰ। অসমীয়াত্ব ডাঙৰ। এজন অসমীয়া মানুহক 'হু ইজ' বুলি সোধা হ'ব নেকি? তেন্তে মিঞা বদৰুদ্দিন আৰু অসমীয়া হিমন্ত একে হৈ গ'ল নেকি? কাইলৈ কোনোবাই অসমত প্ৰদীপ বৰাকো 'হু ইজ প্ৰদীপ বৰা' বুলি সুধিব পাৰিব নেকি?" গৌৰৱ গগৈয়ে দেওবাৰে গুৱাহাটীত অনুষ্ঠিত কংগ্ৰেছৰ যোগদান অনুষ্ঠানত মুখ্যমন্ত্ৰীক সমালোচনা কৰি কৈছিল যে, "মোৰ পিতৃ তৰুণ গগৈয়ে কৈছিল 'হু ইজ বদৰুদ্দিন'। আজি অসম একত্ৰিত হৈ ক'ব 'হু ইজ হিমন্ত?'" এই মন্তব্যক প্ৰত্যুত্তৰ দি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয়, "অসমতে অসমীয়াক 'হু ইজ' বুলি সোধা হ'ব নেকি? গৌৰৱ গগৈয়ে মিঞাক তো নোসোধে। দেউতাকে 'হু ইজ বদৰুদ্দিন' বুলি কৈছিল, আজি পুতেকে ক'ব লাগিছিল 'হু ইজ হিমন্ত'। আজি তেওঁৰ প্ৰশ্ন হ'ব লাগিছিল- মোৰ দেউতাই 'হু ইজ বদৰুদ্দিন' বুলি কৈছিল, মই ক'ম 'হু ইজ ৰেজাউল কৰিম', 'হু ইজ ৰকিবুল'? কিন্তু তেওঁ ওলোটাই কৈছে 'হু ইজ হিমন্ত বিশ্ব শৰ্মা'।" মুখ্যমন্ত্ৰীয়ে নিজৰ পৰিচয় দি কয়, "মই প্ৰয়াত কৈলাস নাথ শৰ্মা আৰু মৃণালিনী দেৱীৰ পুত্ৰ। গুগলত 'হিমন্ত বিশ্ব শৰ্মা' সাৰ্চ কৰিলেই সকলো উত্তৰ পাব। আজি গৌৰৱ গগৈৰ এই প্ৰশ্নৰ পৰাই স্পষ্ট হৈ পৰিছে যে কংগ্ৰেছ অসমীয়াৰ লগত নাই।" দেওবাৰে গৌৰৱ গগৈয়ে পিতৃ তৰুণ গগৈৰ পুৰণি বাক্যক অনুকৰণ কৰি মুখ্যমন্ত্ৰীক আক্ৰমণ কৰাৰ পিছতে এই তীব্ৰ প্ৰত্যুত্তৰে ৰাজ্যৰ ৰাজনৈতিক পৰিৱেশত নতুন উত্তাপৰ সৃষ্টি কৰিছে। আগন্তুক বিধানসভা নিৰ্বাচনৰ প্ৰেক্ষাপটত এই ধৰণৰ বাক্য যুদ্ধই দুই পক্ষৰ মাজত বিভাজন আৰু অধিক গভীৰ কৰিব বুলি ৰাজনৈতিক বিশ্লেষকসকলে মত প্ৰকাশ কৰিছে।

## ৰংমহলত নতুন ন্যায়িক

সূৰ্যকান্তৰ উপস্থিতিত অনুষ্ঠিত এই কাৰ্যসূচীত মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাইও অংশগ্ৰহণ কৰে। প্ৰকল্পটোৰ মুঠ ব্যয় ধৰা হৈছে ১, ৭০৫ কোটি টকা। প্ৰথম পৰ্যায়ৰ নিৰ্মাণৰ বাবে অসম চৰকাৰে ইতিমধ্যে ৪৭৯ কোটি টকা মুকলি কৰিছে। ১২৮ বিঘা ভূমিত নিৰ্মাণ হ'বলগীয়া এই বিশাল চৌহদত থাকিব: ৩১টা আদালত কক্ষ (ভৱিষ্যতে আৰু ১৫টা যোগ কৰাৰ সুবিধা), ৩০০টা অধিবক্তা চেম্বাৰ, একে সময়তে ২০০০জন অধিবক্তাই কাম কৰিব পৰা ব্যৱস্থা, ৬৫খন চিভিল ক'ৰ্ট, সহস্ৰাধিক লোক বহিব পৰা সভাকক্ষ, ৪ লেনযুক্ত প্ৰৱেশ পথ, ১০০০টা গাড়ী আৰু ৪০০টা মটৰ চাইকেলৰ পাৰ্কিং ব্যৱস্থা। প্ৰথম পৰ্যায়ৰ নিৰ্মাণ কাম ২৪ মাহৰ ভিতৰত সম্পূৰ্ণ হোৱাৰ আশা কৰা হৈছে। অনুষ্ঠানত ভাষণ প্ৰসংগত মুখ্য ন্যায়াধীশ সূৰ্যকান্তই এই নতুন ন্যায়িক আন্তঃগাঁথনিক নৱপ্ৰজন্মৰ বাবে উৎসৰ্গিত বুলি অভিহিত কৰি কয় যে, এই প্ৰকল্পৰ বিৰোধিতা কৰাসকলে হয় ভুল তথ্যৰ ওপৰত ভিত্তি কৰি কাম কৰিছে, নহয় নৱ অধিবক্তাসকল আৰু ভৱিষ্যতৰ প্ৰজন্মৰ প্ৰয়োজনীয়তা বুজি নোপোৱা। তেওঁ কঠোৰভাৱে কয়, "আধাৰশিলা অনুষ্ঠান চলি থকাৰ সময়তো লতাশিলস্থিত বৰ্তমানৰ চৌহদৰ সন্মুখত প্ৰতিবাদ কৰি থকা অধিবক্তাসকলে কেৱল নিজৰ পুৰণি কাৰ্যালয়ৰ সুবিধাৰ কথা ভাবিছে। নিজৰ ন্যস্ত স্বাৰ্থৰ বাবে আধুনিক যুগৰ ভৱিষ্যদৰ্শী আন্তঃগাঁথনিৰ ক্ষতি কৰা উচিত নহয়।" মুখ্য ন্যায়াধীশে ৰাজ্যৰ মুখ্যমন্ত্ৰী আৰু গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশক আহ্বান জনাই কয় যে, আৰ্থ-সামাজিক আৰু বৃত্তিগত জ্যেষ্ঠতা নেওচি প্ৰতিগৰাকী যুৱ অধিবক্তাক ওকালতি কৰিবলৈ পৰ্যাপ্ত সুবিধা নিশ্চিত কৰা হওক। আনহাতে আধাৰশিলা অনুষ্ঠান চলি থকাৰ সময়তেই গুৱাহাটী বাৰ এছ'চিয়েশ্যনৰ কিছুমান সদস্যই লতাশিলত প্ৰতিবাদ সাব্যস্ত কৰি অনশন ধৰ্মঘট চলাই আছিল। এই প্ৰতিবাদক মুখ্য ন্যায়াধীশে "অযুক্তিক আৰু স্বাৰ্থপৰ" বুলি তীব্ৰ ভাষাৰে নিন্দা কৰে। এই নতুন ন্যায়িক চহৰ নিৰ্মাণৰ জৰিয়তে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ স্থানান্তৰৰ দীৰ্ঘদিনীয়া বিতৰ্কৰ অন্ত পৰিব বুলি আশা কৰা হৈছে। এই প্ৰকল্পক অসমৰ ন্যায় ব্যৱস্থাৰ আধুনিকীকৰণৰ এক বলিষ্ঠ পদক্ষেপ হিচাপে বিবেচনা কৰা হৈছে।

## ৰাজ্যৰ বিভিন্ন প্ৰান্তত মাঘ

ধৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ বজাৰসমূহ বিহুৰ সামগ্ৰীৰে ভৰি পৰিছে। অসমীয়াৰ হেঁপাহৰ ভোগালী বিহুক আদৰাৰ বাবে ব্যাপক প্ৰস্তুতি চলি আছে। ঠায়ে ঠায়ে বিভিন্ন আৰ্হিৰে আটকধুনীয়া ভেলাঘৰ নিৰ্মাণ কৰাৰ লগতে ভোগালী মেলাৰো আয়োজন কৰা হৈছে। গ্ৰামাঞ্চলসমূহত জীয়ৰী-বোৱাৰীয়ে ভোগালীত অতিথি আপ্যায়ণৰ বাবে পিঠা-পনা, জা-জলপান প্ৰস্তুত কৰিছে। এই ভোগালী বিহুক কেন্দ্ৰ কৰি গৃহস্থৰ ঘৰে-ঘৰে আৰম্ভ হৈছে ব্যস্ততা। কোনোবাই বজাৰত গৈ খাদ্য সামগ্ৰী ক্ৰয় কৰিছে, কোনোবাই আকৌ ঘৰত উৰুকাৰ বাবে প্ৰস্তুতি চলাই আছে। বিশেষকৈ উৰুকাৰ ভেলাঘৰত নাইবা নিজ ঘৰতে পৰিয়াল সহিতে একেলগে বহি এসাজ খোৱাৰ আনন্দই ভোগালী বিহুক অনন্য ৰূপ প্ৰদান কৰে। নামনি অসমৰ বৃহৎ আৰু জনপ্ৰিয় বজাৰ হিচাপে পৰিচিত বা'ী জিলাৰ বৰমা বজাৰত আজি পুৱা পৰাই দেখা গৈছে ব্যাপক ভিৰ। এই সাপ্তাহিক বজাৰত দূৰ-দূৰণিৰ পৰা অহা ৰাইজে বিহুৰ বজাৰ কৰিবলৈ ভিৰ কৰা পৰিলক্ষিত হৈছে। বিভিন্ন দূৰ দূৰণিৰ পৰা অহা সকলো ৰাইজে বজাৰত উপস্থিত হৈ নিজৰ প্ৰয়োজনীয় সামগ্ৰী ক্ৰয় কৰা দেখা গৈছে।

## কোকৰাঝাৰত ধৰ্ষণৰ

গুলীচালনা কৰি আহত কৰা হৈছে। এই ঘটনা ৰাণিঘুলী এলেকাৰ পৰা কোকৰাঝাৰৰ চি জে এম ক'ৰ্টলৈ অভিযুক্তজনক লৈ যোৱাৰ সময়ত সংঘটিত হয়। আৰক্ষীৰ সূত্ৰত প্ৰকাশ যে, শনিবাৰে ঘটনাৰ পিছত সৃষ্টি হোৱা তীব্ৰ জনৰোষ আৰু প্ৰতিবাদৰ পৰিপ্ৰেক্ষিতত নিৰাপত্তাৰ কথা বিবেচনা কৰি ৰফিকুল ইছলামক ৰাণিঘুলীত এটা নিৰাপদ স্থানত ৰখা হৈছিল। দেওবাৰে সন্ধিয়া তেওঁক কোকৰাঝাৰৰ চি জে এম ক'ৰ্টলৈ লৈ যোৱাৰ সময়ত গাড়ীখন ৰখাই দিয়া হয় কাৰণ অভিযুক্তই শৌচ কৰিব বিচাৰিছিল। এই সুযোগতে ৰফিকুল ইছলামে লগত থকা আৰক্ষীৰ অস্ত্ৰ কাঢ়ি ল'বলৈ চেষ্টা কৰে আৰু আৰক্ষীক আক্ৰমণ কৰি পলায়নৰ প্ৰচেষ্টা চলায়। পৰিস্থিতি নিয়ন্ত্ৰণলৈ অনাৰ বাবে আৰক্ষীয়ে গুলীচালনা কৰে যাৰ ফলত ৰফিকুলৰ বাওঁভৰিত এটা গুলী লাগে। ঘটনাত আৰক্ষীৰ দুজন জোৱানো সামান্য আহত হোৱা বুলি জানিব পৰা গৈছে। আহত অভিযুক্তক প্ৰথমে কোকৰাঝাৰৰ আৰ এন বি অসামৰিক চিকিৎসালয়লৈ লৈ যোৱা হয়। তাত প্ৰাথমিক চিকিৎসা দিয়াৰ পিছত চিকিৎসকে অধিক উন্নত চিকিৎসাৰ প্ৰয়োজন বুলি কোকৰাঝাৰ চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰে। উল্লেখ্য যে, ধুবুৰী জিলাৰ চাপৰ নিবাসী ৰফিকুল ইছলাম এজন নিৰ্মাণ সংস্থা 'আছাম এজেন্সী'ৰ মহৰী হিচাপে কোকৰাঝাৰত কাম কৰি আহিছিল। অভিযোগ অনুসৰি তেওঁ মানসিকভাৱে অসুস্থ যুৱতীগৰাকীক ফুচুলাই এটা কোঠালৈ লৈ গৈ ধৰ্ষণ কৰে আৰু ঘটনা গোপন কৰিবলৈ চেষ্টা চলায়। এই ঘটনা ৰাজহুৱা হোৱাৰ পিছতে কোকৰাঝাৰত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। বহুলোকে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰি জনজীৱন অচল কৰি তোলে আৰু অভিযুক্তৰ বিৰুদ্ধে এনকাউণ্টাৰ অথবা ফাঁচীৰ দাবী উত্থাপন কৰে। এনে উত্তপ্ত পৰিৱেশৰ মাজতে দেওবাৰে সন্ধিয়া এই এনকাউণ্টাৰৰ দৰে ঘটনা সংঘটিত হয়। আৰক্ষীয়ে ঘটনাৰ তদন্ত আৰম্ভ কৰিছে আৰু পৰিস্থিতি নিয়ন্ত্ৰণত ৰখাৰ বাবে প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

## কংগ্ৰেছত যোগদান আমছুৰ

মানৱেন্দ্ৰ শৰ্মা চৌহদত অনুষ্ঠিত এক আনুষ্ঠানিক যোগদান সভাত সুদীৰ্ঘ সময় ধৰি সদৌ অসম সংখ্যালঘু ছাত্ৰ সন্থা (আমছু)ৰ সভাপতি হিচাপে দায়িত্ব পালন কৰা ৰেজাউল কৰিম সৰকাৰে অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈৰ উপস্থিতিত কংগ্ৰেছ দলত যোগদান কৰে। ৰেজাউল কৰিম সৰকাৰৰ লগতে আমছুৰ প্ৰাক্তন উপদেষ্টা আজিজুৰ হক, প্ৰাক্তন উপ-সভাপতি দিলৱাৰ হুছেইন, প্ৰাক্তন নেতা খান হুছেইন জামান আৰু ছিৰাজুল সৰকাৰেও একেলগে কংগ্ৰেছত যোগদান কৰে। ইয়াৰ উপৰিও বিজেপিৰ প্ৰাক্তন নেতা মনোজ কুমাৰ মহন্ত, মিচিং মাইনৰিটি কাউঞ্চিল (এম এম কে)ৰ প্ৰাক্তন সভাপতি ৰূপ কুমাৰ মেদক, ইউ পি পি এলৰ শীলা বসুমতাৰী, অৰুণ বসুমতাৰী, অধিবক্তা অলকেশ মেধি, বাবুল চহৰীয়াসহ কেইবাজনো বিশিষ্ট ব্যক্তিয়ে দলত যোগদান কৰে। যোগদানকাৰীসকলক আদৰণি জনাই গৌৰৱ গগৈয়ে তীব্ৰ ভাষাৰে বৰ্তমানৰ ৰাজ্য চৰকাৰক আক্ৰমণ কৰে। তেওঁ কয়, "আজি অসমৰ মাটি আৰু জাতি সংকটৰ মাজত পৰিছে। প্ৰতিগৰাকী মানুহৰ মনত অশান্তি আৰু ভয়ৰ পৰিৱেশ সৃষ্টি কৰা হৈছে। আমি সংকল্প লৈছোঁ যে এই ভয়ৰ ৰাজনীতি অসমৰ পৰা নাইকিয়া কৰিম। অসমীয়া স্বাভিমানী। আমাৰ ইতিহাসত মোগলক পৰাজিত কৰাৰ গৌৰৱ আছে। বৰ অসম হৈ থাকিলেহে অসম শক্তিশালী হ'ব।" গগৈয়ে আৰু কয় যে, "বৰ্তমানৰ চৰকাৰে গম পাইছে যে ৰাইজ যদি ঐক্যবদ্ধ হয় তেন্তে হিমন্ত বিশ্ব শৰ্মাই মুখ্যমন্ত্ৰী হৈ নাথাকে। অসমৰ ৰাইজ যদি একত্ৰিত হয় তেন্তে তেওঁৰ বাবে ভয়ানক হ'ব। তেওঁ কোনো অহংকাৰী ৰজা নহয়, মাত্ৰ এজন সাধাৰণ ব্যক্তি। অসমৰ ৰাইজে আগন্তুক নিৰ্বাচনত দেখুৱাব যে কোনেও হিমন্ত বিশ্ব শৰ্মাক ভয় নকৰে। সেইদিনা ৰাইজে ক'ব—'হু ইজ হিমন্ত বিশ্ব শৰ্মা'। অসমত ৰাইজেহে ৰজাৰ দৰে থাকিব, কোনো ব্যক্তি ৰজা হ'ব নোৱাৰে।" যোগদান অনুষ্ঠানত ভাষণ দি থকাৰ সময়তে আজান বাজি উঠাত গৌৰৱ গগৈয়ে কিছু সময়ৰ বাবে বিৰতি লৈ আজান শেষ হোৱাৰ পিছত পুনৰ ভাষণ আগবঢ়ায়। আনহাতে কংগ্ৰেছত যোগদান কৰাৰ পিছত ৰেজাউল কৰিম সৰকাৰে কয়, "গৌৰৱ গগৈৰ নেতৃত্বত নতুন অসমৰ সপোন লৈ কংগ্ৰেছত যোগদান কৰিলোঁ। মই এই সপোনৰ এজন সেনানী হিচাপে কাম কৰিম। সংখ্যালঘু সম্প্ৰদায়ৰ বহু সমস্যা আছে, সেইবোৰ দলৰ মঞ্চত দাঙি ধৰিম। সকলো জাতি-জনগোষ্ঠীৰ সমন্বয়ৰে বৰ অসম গঢ়াৰ লক্ষ্য লৈ কাম কৰিম। দলে যি দায়িত্ব দিব, নিষ্ঠাৰে পালন কৰিম। হিমন্ত বিশ্ব শৰ্মাৰ সাম্প্ৰদায়িক ৰাজনীতিৰ পৰা অসমক ৰক্ষা কৰা আৰু বৰ অসম গঢ়াৰ বাবেই মোৰ যোগদান।" উল্লেখযোগ্য যে, আজি যোগদান কৰা বাবুল চহৰীয়া বিজেপি নেত্ৰী তথা ৪২ নং ৱাৰ্ডৰ পাৰিষদ মাচুমা বেগমৰ স্বামী। পত্নী বিজেপিত থকাৰ বিপৰীতে স্বামী কংগ্ৰেছত যোগদান কৰাৰ ঘটনাই ৰাজনৈতিক মহলত চৰ্চাৰ সৃষ্টি কৰিছে। যোগদান সভাত নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ সম্পাদক মনোজ চৌহান, বিধায়িকা নন্দিতা দাস, শিৱামণি বৰা, বিধায়ক নুৰুল হুদা, আব্দুল ৰচিদ মণ্ডলকে ধৰি দলৰ বহুকেইজন বিধায়ক আৰু জ্যেষ্ঠ নেতা উপস্থিত থাকে। এই যোগদানক অসম কংগ্ৰেছে ২০২৬ৰ নিৰ্বাচনত বিজেপিৰ বিৰুদ্ধে শক্তিশালী প্ৰতিদ্বন্দ্বিতাৰ বাবে এক গুৰুত্বপূৰ্ণ সফলতা বুলি অভিহিত কৰিছে।

## আঞ্চলিক দলক 'গোলাম'

হৈ পৰিছে। অসম জাতীয় পৰিষদৰ (অজাপ) সম্পাদক চিত্তৰঞ্জন বসুমতাৰীয়ে শনিবাৰে যোৰহাটত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক লক্ষ্য কৰি তীব্ৰ ভাষাৰে সমালোচনা কৰে। দলৰ যোৰহাট জিলা কাৰ্যালয়ত অনুষ্ঠিত এক পৰ্যালোচনা সভাৰ পিছত সংবাদ মাধ্যমৰ আগত বসুমতাৰীয়ে কয় যে, বৰ্তমান বিজেপিৰ অৱস্থা অতি দুৰ্বল হৈ পৰিছে আৰু বিৰোধী দলসমূহৰ ঐক্যবদ্ধতা দেখি মুখ্যমন্ত্ৰী শংকিত হৈ পৰিছে। বিশেষকৈ অজাপৰ সভাপতি লুৰীণজ্যোতি গগৈৰ প্ৰতি মুখ্যমন্ত্ৰীৰ শেহতীয়া কঠোৰ মন্তব্যক লৈ তেওঁ কয়, "লুৰীণজ্যোতি গগৈ যি সমষ্টিতে ইচ্ছা কৰে নিৰ্বাচনত অৱতীৰ্ণ হ'ব পাৰে। দলৰ সাংগঠনিক স্থিতি যদি সবল বুলি অনুমান কৰিব পাৰে তেন্তে ৰাজ্যৰ যিকোনো সমষ্টিতে তেওঁ প্ৰতিদ্বন্দ্বিতা কৰিব পাৰে। এনে সবল নেতাৰ প্ৰতি ভয় খাই ৰাজ্য এখনৰ মুখ্যমন্ত্ৰীয়ে এটা চৰকাৰী অনুষ্ঠানত আই-মাতৃসকলৰ সন্মুখত ইমান তৰল মন্তব্য কৰিব নালাগে।" মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক পটভূমিৰ প্ৰতি আঙুলিয়াই চিত্তৰঞ্জন বসুমতাৰীয়ে কয়, "ছাত্ৰ সন্থাৰ পৰা আৰম্ভ কৰি কেতিয়া আলফা-ছালফা হ'ল, কেতিয়া কংগ্ৰেছী হ'ল, আকৌ কংগ্ৰেছত মুখ্যমন্ত্ৰী হ'ব নোৱাৰি বিজেপিত যোগদান কৰিলে। এতিয়া বিভিন্ন কেলেংকাৰী আৰু পুঁজিপতিৰ হাতত অসমৰ ভূমি গতাই দি আছে। গতিকে মুখ্যমন্ত্ৰীয়ে প্ৰথমে নিজৰ স্থিতি স্পষ্ট কৰক। এইবাৰ যদি বিজেপিৰ চৰকাৰ নাহয় তেন্তে তেওঁ ক'ত থাকিব? তেওঁ অসমৰ বাবে কাম কৰিছে নে আদানী, আম্বাণী বা অমিত শ্বাহৰ পুত্ৰৰ স্বাৰ্থত কাম কৰিব বিচাৰে? ৰাজ্যৰ উন্নয়ন বিচাৰে নে মন্ত্ৰী অশোক সিংহলৰ দ্বাৰা অসম বিক্ৰী কৰিব বিচাৰে?" বিৰোধী দলসমূহৰ ঐক্যৰ বিষয়ে আলোচনা কৰি তেওঁ কয় যে, বিজেপিয়ে বিৰোধী ঐক্যত আউল লগাবলৈ যিমানেই চেষ্টা কৰক, সকলো চেষ্টা বিফল হৈছে। "বিৰোধী ঐক্য ইতিমধ্যে সম্পূৰ্ণ হৈছে, মাত্ৰ আনুষ্ঠানিক ঘোষণা বাকী। অসমৰ ৩৪টা সমষ্টিত অজাপৰ স্থিতি সবল। আলোচনাৰ জৰিয়তে আসনৰ ভাগ-বাটোৱাৰা হ'ব।" আনহাতে তেওঁ দাবী কৰে যে, বৰ্তমান বিজেপিৰ সকলো মিত্ৰদলে দলটোৰ পৰা ওলাই আহিব বিচাৰিছে। কাৰণ বিজেপিয়ে আঞ্চলিক দলসমূহক কেৱল 'গোলাম' হিচাপে ব্যৱহাৰ কৰে। তেওঁ লগতে কয়, "দুই-তিনিদিনৰ ভিতৰত অজাপত কেইবাজনো নেতা যোগদান কৰিব। মাঘ বিহুৰ পিছত বিধায়ক পৰ্যায়ৰ নেতা আৰু অগপ-বিজেপিৰ কৰ্মীসকলো যোগদান কৰিব। বিজেপিৰ নিস্তাৰ নাই।" শেষত ভোটাৰ তালিকা সংশোধনীৰ প্ৰসংগ উত্থাপন কৰি চিত্তৰঞ্জন বসুমতাৰীয়ে কয় যে, বাহিৰৰ অচিনাকি লোকক অন্তৰ্ভুক্ত কৰাৰ চেষ্টা চলি আছে। সেয়েহে ৰাজ্যৰ সকলো দল-সংগঠনে ইয়াৰ বিৰুদ্ধে জাগ্ৰত হৈ প্ৰতিবাদ কৰা উচিত। এই মন্তব্যই ২০২৬ৰ নিৰ্বাচনৰ পূৰ্বে বিজেপিৰ বিৰুদ্ধে বিৰোধী শিবিৰৰ আক্ৰমণাত্মক ৰণনীতিৰ ইংগিত দিছে।

## বিভিন্ন জাতি-জনগোষ্ঠীৰ

সমাপ্ত হয়। অন্তিম দিনটোত হাজাৰ হাজাৰ সাহিত্যপ্ৰেমী ৰাইজৰ উপস্থিতিত লোকে লোকাৰণ্য হ'ল অধিবেশনস্থলী। এই অধিৱেশনৰ অন্তিম দিনৰ কাৰ্যসূচী অনুসৰি পুৱা উলিওৱা বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰাত বিভিন্ন জাতি-জনগোষ্ঠীৰ কলা সংস্কৃতিৰ মিলনস্থলীলৈ ৰূপান্তৰিত হয়। বড়ো সাহিত্য সভাৰ থেংফাংখ্ৰী পথাৰৰ মুখ্য প্ৰৱেশদ্বাৰৰ সন্মুখৰ পৰা উলিওৱা বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা পতাকা জোকাৰি উদ্বোধন কৰে বড়ো সাহিত্য সভাৰ উপ সভাপতি প্ৰশান্ত বড়োই। উক্ত সাংস্কৃতিক শোভাযাত্ৰাত বড়ো জনগোষ্ঠীৰ লগতে মিচিং, হাজং, ৰাভা, তিৱা, ডিমাছা, গাৰো, কোচ, নেপালী, ত্ৰিপুৰী আদি জাতি জনগোষ্ঠীৰ উপৰি চুবুৰীয়া ৰাষ্ট্ৰ ভুটানৰ পৰাও এটা সাংস্কৃতিক দলে সাংস্কৃতিক শোভাযাত্ৰাত অংশগ্ৰহণ কৰে। ইয়াৰ পিছতে বড়ো সাহিত্য সভাৰ সভাপতি সুৰথ নাৰ্জাৰীৰ সভাপতিত্বত অনুষ্ঠিত হোৱা মুকলি সভা উদ্বোধন কৰে বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীয়ে। ইফালে উক্ত সভাত অংশগ্ৰহণ কৰি হাগ্ৰামা মহিলাৰীয়ে সংবাদ মাধ্যমৰ আগত কোকৰাঝাৰ চহৰত এজনী বিশেষভাৱে সক্ষম মহিলাক ধৰ্ষণ কৰাকলৈ কোকৰাঝাৰত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হোৱা ঘটনা সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। হাগ্ৰামা মহিলাৰীয়ে কয় যে সকলো জাতিৰ মাজত বেয়া মানুহ আছে। এই বেয়া মানুহক ধৰি শাস্তি দিয়াটো প্ৰশাসনৰ দায়িত্ব। এজন দুজন বেয়া মানুহৰ বাবে গোটেই জাতিটোক বদনাম কৰিব নালাগে। বেয়া কাম কৰা ব্যক্তিক ধৰি শাস্তি প্ৰদান কৰাটো প্ৰশাসনৰ দায়িত্ব। কিন্তু ইয়াৰ বাবে গোটেই সমাজক দোষ দিব বিচৰাটো ঠিক নহয়। উক্ত সভাত মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা মুখ্য অতিথি হিচাপে উপস্থিত থাকি ভাষণ প্ৰসংগত কয় বড়ো সাহিত্য সভা অসমীয়া জাতীয় জীৱনৰ এটা শক্তিশালী অংগ। আগন্তুক দিনত বড়ো সাহিত্য সভাই সাহিত্য জগত শক্তিশালী কৰিব পাৰিব। চৰকাৰে সকলো প্ৰকাৰে সহায় সহযোগিতা কৰিব। উক্ত সভাতে বড়ো সাহিত্য সভা, গান্ধী হিন্দুস্তানী সাহিত্য সভা, এবছুৰ, বড়ো অধ্যয়ন কেন্দ্ৰৰ যৌথ উদ্যোগত প্ৰকাশ কৰি উলিওৱা মহাত্মা গান্ধীৰ জীৱনী উন্মোচন কৰে মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই। উল্লেখ্য যে মুকলি সভাত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা উপস্থিত থকাৰ কথা আছিল যদিও বিশেষ কাৰণত উপস্থিত থাকিব নোৱাৰাত চৰকাৰৰ প্ৰতিনিধি হিচাপে মন্ত্ৰী জয়ন্তমল্ল বৰুৱা উপস্থিত হৈ আমি অসমৰ প্ৰতিটো জাতি জনগোষ্ঠীয়ে সমন্বয়ৰ মাজেৰে নিজৰ ভাষা সংস্কৃতি আগুৱাই নিব লাগিব বুলি সংবাদ মাধ্যমৰ আগত মন্তব্য কৰে। তেওঁ আৰু কয় যে বড়ো সাহিত্য সভাৰ অৱিহণাক আমি স্বীকাৰ কৰিব লাগিব। বড়ো সাহিত্য সভাই বড়ো ভাষা সংস্কৃতি আগুৱাই লৈ যাওক মই কামনা কৰিছোঁ। উক্ত সভাত এবছুৰ সভাপতি দ্বীপেন বড়ো অংশগ্ৰহণ কৰি সংবাদ মাধ্যমৰ আগত বড়ো সাহিত্য সভাৰ প্ৰতিনিধি সভাৰ বিষয় বাছনি সভাত আগন্তুক ২০২৬-২৮ বৰ্ষৰ বাবে সভাপতি নিৰ্বাচনক লৈ উদ্ভৱ হোৱা পৰিস্থিতি লৈ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। এই সন্দৰ্ভত সভাপতি দ্বীপেন বড়োৱে কয় যে বড়ো সাহিত্য সভাৰ দৰে এটা পবিত্ৰ অনুষ্ঠানৰ বিষয় বাছনি সভাত একাংশ অচিনাক্ত লোকে মুখত কলা কাপোৰ বান্ধি অনাধিকাৰ প্ৰৱেশ কৰি বিষয় বাছনি সভা চলাই থকা ড° সুৰথ নাৰ্জাৰীৰ হাতৰ পৰা মাইক্ৰফোন কাঢ়ি লৈ সভা বন্ধ কৰাৰ দৰে যি ঘটনা সংঘটিত কৰিছে সেয়া বড়ো জাতিৰ বাবে দুৰ্ভাগ্যজনক। উল্লেখ্য যে বিজনীৰ বৰলাউগাঁৱৰ থেংফাখ্ৰী পথাৰত অনুষ্ঠিত বড়ো সাহিত্য সভাৰ ৬৫ সংখ্যক কেন্দ্ৰীয় অধিবেশনৰ কালি নিশা অনুষ্ঠিত বহু প্ৰত্যাশিত প্ৰতিনিধি সভাত বড়ো সাহিত্য সভাৰ নতুন সমিতি গঠনত অথন্তৰ সৃষ্টি হয়। মাজনিশা সভাপতি ড° সুৰথ নাৰ্জাৰীয়ে নিৰ্বাচনৰ মাধ্যমেৰে নতুন সমিতি গঠন কৰিবলৈ যো-জা কৰি থকাৰ সময়তে কোনো অচিনাকি ব্যক্তিৰ এটি দলে প্ৰতিনিধি সভাস্থলীত প্ৰৱেশ কৰি মাইক্ৰফোন কাঢ়ি নি ভাঙি দিয়ে আৰু লগে লগে প্ৰতিনিধি সভাস্থলীত অনাকাংক্ষিত অপ্ৰীতিকৰ পৰিস্থিতি সৃষ্টি হয়। প্ৰতিনিধি সভাত বড়ো সাহিত্য সভাৰ পৰৱৰ্তী সভাপতি পদৰ বাবে সম্ভাব্য দাবীদাৰ হিচাপে কোকৰাঝাৰৰ গোপীনাথ বৰগয়াৰী আৰু শালবাৰীৰ সীতাৰাম বসুমতাৰীৰ নাম প্ৰস্তাৱ আগবঢ়োৱা হৈছিল। উপ সভাপতিৰ দুটা আসনৰ বাবে ড° প্ৰেমান্দ মোছাহাৰী, প্ৰশান্ত বড়ো, বিনয় কুমাৰ নাৰ্জাৰী আৰু কমলাকান্ত মোছাহাৰীৰ নাম প্ৰস্তাৱ আগবঢ়াইছিল। উপ সভানেত্ৰীৰ সংৰক্ষিত এটা আসনৰ বাবে নিলিমা বসুমতাৰীৰ নাম প্ৰস্তাৱ আগবঢ়াই। সাধাৰণ সম্পাদক হিচাপে নীলকান্ত গয়াৰীৰ নাম প্ৰস্তাৱ আগবঢ়াই। সম্পাদকৰ চাৰিটা আসনৰ বাবে অম্বিকা হাজোৱাৰী, হৰেশ্বৰ নাৰ্জাৰী, জোংছাৰ নাৰ্জাৰী, দিলীপ বসুমতাৰী, প্ৰণৱ জ্যোতি নাৰ্জাৰী, ছহেন্দ্ৰ নাথ বসুমতাৰী, ৰাজেন বসুমতাৰী আৰু হৰিমল দৈমাৰীৰ নাম প্ৰস্তাৱ আগবঢ়াই। সম্পাদিকা এটা আসনৰ বাবে ছোৰজিলা ওৱাৰীৰ নাম প্ৰস্তাৱ আগবঢ়োৱা হৈছিল। কিন্তু বাহিৰ পৰা একাংশ লোকে প্ৰতিনিধি সভাত অনাধিকাৰ প্ৰৱেশ কৰি মাইক্ৰফোন কাঢ়ি লৈ ভাঙি দিয়াৰ পিছত যি অপ্ৰীতিকৰ পৰিস্থিতি সৃষ্টি হৈছিল সেয়া পুৱতি নিশা চাৰি বজালৈকে সমস্যা সমাধানৰ প্ৰয়াস কৰা হয় যদিও কিন্তু শেষলৈকে সেয়া সম্ভৱ হোৱা নাছিল। পুৱতিনিশা লৈকে বড়ো সাহিত্য সভাৰ নতুন সমিতি গঠনত অমীমাংসিত অৱস্থাতে প্ৰতিনিধি সভা সমাপ্ত হয়। বড়ো সাহিত্য সভাৰ অভ্যৰ্থনা সমিতিৰ সভাপতি তথা প্ৰাক্তন বিধায়ক কমলসিং নাৰ্জাৰীয়ে আদৰণী ভাষণ প্ৰদান কৰা উক্ত সভাত মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, গান্ধী হিন্দুস্তানী সাহিত্য সভাৰ সভাপতি ৰমেশ ভৰদ্বাজ, ৰাজ্যসভাৰ সাংসদ ৰণগৌৰা নাৰ্জাৰী, কোকৰাঝাৰ লোকসভা সমষ্টিৰ সাংসদ জয়ন্ত বসুমতাৰী, বিধায়ক লৰেন্স ইছলাৰী, বিধায়ক জিৰণ বসুমতাৰী, বিধায়ক নিৰ্মল ব্ৰহ্ম, প্ৰাক্তন সাংসদ ছানচুমা খুংগুৰ বৌসৌমুথিয়াৰী, ট্ৰাইবেল সংঘৰ সাধাৰণ সম্পাদক আদিত্য খাখলাৰী সহ অন্যান্য অতিথিবৃন্দ উপস্থিত থাকে।

## ২০২৬ নিৰ্বাচনৰ পূৰ্বে কাৰ্বি

চমু চাপি আহিছে, সিমানেই কাৰ্বি পাহাৰ অঞ্চলত বিজেপিৰ যোগদানৰ ৰাজনীতিয়ে তুংগত উঠিছে। এই কৌশলৰ জৰিয়তে বিজেপিয়ে কাৰ্বি আংলং আৰু পশ্চিম কাৰ্বি আংলং জিলাৰ কংগ্ৰেছ আৰু অল পাৰ্টি হিল লিডাৰ্ছ কনফাৰেন্স (এপিএইচএলচি) দলৰ পৰম্পৰাগত ভেঁটিৰ ওপৰত যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰিছে। সম্প্ৰতি পশ্চিম কাৰ্বি আংলঙৰ ডংকামোকামত অনুষ্ঠিত এক বিশেষ অনুষ্ঠানত কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ (কেএএচি) মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙৰ উপস্থিতিত তিনি সহস্ৰাধিক কংগ্ৰেছ আৰু এপিএইচএলচিৰ নেতা-কৰ্মী তথা সমৰ্থকে বিজেপিত যোগদান কৰে। এই যোগদান অনুষ্ঠানক ৰাজনৈতিক মহলত এক বৃহৎ সফলতা হিচাপে গণ্য কৰা হৈছে। পৰ্যবেক্ষকসকলৰ মতে, বিজেপিয়ে ইতিমধ্যে কাৰ্বি আংলঙৰ এটা প্ৰান্তৰ পৰা আনটো প্ৰান্তলৈকে (ইমূৰৰ পৰা সিমুৰলৈকে) ধাৰাবাহিকভাৱে যোগদানৰ এই কাৰ্যসূচী চলাই আহিছে। ফলত বিৰোধী দলসমূহৰ মাজত যথেষ্ট ভীতিৰ সৃষ্টি হৈছে আৰু বিজেপিয়ে নিজৰ সাংগঠনিক শক্তি আৰু প্ৰভাৱ প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছে। অনুষ্ঠানত ভাষণ প্ৰসংগত তুলিৰাম ৰংহাঙে দৃঢ়তাৰে দাবী কৰে যে, ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত কাৰ্বি আংলং আৰু পশ্চিম কাৰ্বি আংলঙৰ অধীনৰ মুঠ পাঁচটা বিধানসভা সমষ্টিতে বিজেপিয়ে বৃহৎ জয় লাভ কৰিব। তেওঁ লগতে কয় যে, দলৰ কেন্দ্ৰীয় নেতৃত্বই (হাইকমাণ্ডে) যদি টিকেট প্ৰদান কৰে তেন্তে তেওঁ নিজে বিজেপিৰ প্ৰাৰ্থী হিচাপে নিৰ্বাচনত অৱতীৰ্ণ হ'বলৈ সম্পূৰ্ণৰূপে প্ৰস্তুত আছে। এই যোগদানৰ ঢলৰ ফলত কাৰ্বি পাহাৰ অঞ্চলত বিজেপিৰ গ্ৰাছৰুট পৰ্যায়ৰ সংগঠন অধিক মজবুত হৈ পৰিছে। দলৰ নেতৃত্বই ইয়াক ২০২৬ৰ নিৰ্বাচনত পাহাৰীয়া অঞ্চলসমূহত 'ক্লিন ছুইপ' (সকলো আসন দখল)ৰ লক্ষ্য পূৰণৰ এক গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি অভিহিত কৰিছে। অন্যহাতে, কংগ্ৰেছ আৰু এপিএইচএলচিৰ নেতৃত্বই এই ধাৰাবাহিক যোগদানৰ প্ৰতি প্ৰতিক্ৰিয়া প্ৰকাশ কৰি নিজৰ ভেঁটি ৰক্ষা কৰিবলৈ কঠোৰ প্ৰচেষ্টা চলোৱাৰ কথা জানিব পৰা গৈছে। তথাপি বৰ্তমানৰ পৰিস্থিতিত বিজেপিৰ এই আক্ৰমণাত্মক কৌশলে কাৰ্বি পাহাৰৰ ৰাজনৈতিক দৃশ্যপটত যথেষ্ট পৰিৱৰ্তন আনিব বুলি ৰাজনৈতিক বিশে-ষকসকলে মত প্ৰকাশ কৰিছে। আগন্তুক দিনকেইটাৰ ভিতৰত যোগদানৰ এই ধাৰা অব্যাহত থাকিব বুলি আশংকা কৰা হৈছে, যিয়ে ২০২৬ৰ নিৰ্বাচনত কাৰ্বি অঞ্চলত বিজেপিৰ আধিপত্যক আৰু অধিক সুসংহত কৰি তুলিব।

বহুলোকৰ সমাগম চাবলৈ

# মাজদিয়াত জুবিনে ভালপোৱা ঢোল, পেঁপা, জাপিৰ আকৃতিৰ ভেলাঘৰ

**অসম বাৰ্তা, নলবাৰী, ১১ জানুৱাৰী ঃ** মাঘ বিহু, উৰুকালৈ দুদিন বাকী। প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যু আৰু মূল্যবৃদ্ধিৰ বাবে ৰাইজে কিছু ঠমকিছে যদিও তাৰ মাজতে উৰুকাৰ নিশা ভোজভাত (দলভাত) খোৱাৰ বাবে ইতিমধ্যে নলবাৰী জিলাৰ বিভিন্ন প্ৰান্তত আটকধুনীয়াকৈ ভেলাঘৰ সাজি উলিয়াইছে গঞা ৰাইজে। জিলাখনৰ মাজদিয়াতো এটি ঢোল, পেপা, জাপি আকৃতিৰ ভেলাঘৰ আজি নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰি তুলিছে। গাঁওখনৰ ডেকা, বুঢ়া, শিশুকে ধৰি সকলোৰে এই ভেলাঘৰটো নিৰ্মাণত সহযোগ কৰিছে। গাঁওখনৰ ফনীন্দ্ৰ হালৈ, চিৰিশ বৈশ্য, মনেশ্বৰ হালৈ, অতুল কলিতা, লাৱন্য হালৈ, ধৰ্মেন্দ্ৰ দাস, গোলক হালৈ, গগন কলিতা, কেশৱ কলিতা, জিতু কলিতা, হিৰেণ হালৈ, পৰমেশ্বৰ ভট্টাচাৰ্য, ৰুচিনাথ শৰ্মা, চবিন দাস, বীৰেণ শৰ্মা, গজেন হালৈ, হীৰক কলিতা, ৰঞ্জিত কলিতা, নৱ দাস, উত্তম দাস, নৱদ্বীপ হালৈ, উৎপল হালৈ, ভৰত কলিতা, টুটু নাথ, চিত্তৰঞ্জন বৈশ্য, ধীৰেণ হালৈ, ৰবীন দাস, গৌতম দাস, ৰবীন হালৈ, ৰাজদ্বীপ দাস, কুলদ্বিপ দাস, অৰনী দাস, দশৰথ হালৈ, নীলমনি কলিতা, লক্ষ্মণ দাস, অনন্ত বৰ্মন, হিমাংশু দাস, জয়ন্ত হালৈ, অমৰ দাস, দিলীপ দাস, নিয়ৰ বৈশ্য, অবিনাশ হালৈ, সমীৰণ হালৈ, হৰেন হালৈৰ নেতৃত্বত আটকধুনীয়াকৈ ভেলাঘৰটো নিৰ্মাণ কৰা হৈছে। উল্লেখ্য যে গঞা ৰাইজে জনোৱা মতে ভেলাঘৰটো মূলত প্ৰাণৰ শিল্পী জুবিন গাৰ্গে ভালপোৱা বা অসমীয়া সংস্কৃতিৰ অন্যতম ঢোল পেপা, জাপি আকৃতিৰ হিচাপে তৈয়াৰ কৰা হৈছে। উক্ত ভেলাঘৰটো আকৰ্ষণিয় কৰি তোলাত দাতি কাষৰিয়া ৰাইজে চাবলৈ ভিৰ কৰা পৰিলক্ষিত হৈছে। মাজদিয়া নিবাসী শিক্ষক তথা অন্যতম উদ্যেক্তা চিৰিছ বৈশ্যই জনোৱা মতে অসমীয়া সংস্কৃতিৰ বিভিন্ন দিশৰ একোটা বাছনি কৰি ভেলাঘৰ নিৰ্মাণৰ জৰিয়তে মাজদিয়াবাসীয়ে নৱপ্ৰজন্মক উৎসাহ যোগোৱাৰ প্ৰয়াস কৰি আহিছে। এইবেলি ভেলাঘৰ নিৰ্মাণ আৰু মাঘ বিহুৰ উৎসৱ নৰম বৰ্যত ভৰি দিলে। মাঘ বিহু বিভিন্ন কাৰ্যসূচীৰে পালন কৰা হব। ইয়াৰে ভিতৰত মাঘ বিহুৰ দিনা প্ৰাণৰ শিল্পী জুবিন গাৰ্গক শ্ৰদ্ধাঞ্জলি আৰু বিভিন্ন লোক সংগীতেৰ সাংস্কৃতিক অনুষ্ঠান আৰু বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনোৱা হব। মাঘৰ এক তাৰিখেও চলিব এই অনুষ্ঠান। মুঠতে জিলাখনৰ বিভিন্ন প্ৰান্তত গঞাবাসীয়ে অসমীয়াৰ কৃষ্টি সংস্কৃতি, পৰম্পৰা ৰক্ষাৰ ক্ষেত্ৰত কৃপণালি নকৰে।

মহিলাসকলক আৰ্থিকভাৱে স্বাৱলম্বী কৰাৰ লক্ষ্য; ১০ জনীয়া দলৰ জৰিয়তে ঋণ প্ৰদানৰ বিশেষ আঁচনি ঘোষণা

# কাশীডোবা জিলা নামঘৰ প্ৰাঙ্গনত শ্ৰীমন্ত শঙ্কৰদেব সঙঘৰ 'আই মাতৃ' গোটৰ বিশাল জাগৰণ সভা

**অসম বাৰ্তা, বঙাইগাঁও, ১১ জানুৱাৰী ঃ** "জয় গুৰু শঙ্কৰ" ধ্বনিৰে মুখৰিত হৈ পৰিল বঙাইগাঁও জিলাৰ কাশীডোবা জিলা নামঘৰ প্ৰাঙ্গন। আজি শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ থ্ৰিফ্‌ট এণ্ড ক্ৰেডিট কো-অপাৰেটিভ চ'চাইটি লিমিটেডৰ উদ্যোগত আই মাতৃ গোটৰ এক গুৰুত্বপূৰ্ণ 'জাগৰণ সভা' সম্পন্ন হয়। ১১ জানুৱাৰী দেওবাৰে অনুষ্ঠিত এই সভাত জিলাখনৰ সহস্ৰাধিক ভকত-বৈষ্ণৱ তথা আই মাতৃয়ে অংশগ্ৰহণ কৰে। উক্ত জাগৰণ সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ পদাধিকাৰ ভবেন্দ্ৰ নাথ ডেকা। তেখেতে গুৰুজনাৰ আদৰ্শৰে সমাজখনক আগুৱাই নিয়াৰ লগতে মহিলাসকলক আধ্যাত্মিক আৰু আৰ্থিকভাৱে সবল হোৱাৰ আহ্বান জনায়। সভাৰ মুখ্য আকৰ্ষণ হিচাপে উপস্থিত থাকে শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ থ্ৰিফ্‌ট এণ্ড ক্ৰেডিট কো-অপাৰেটিভ চ'চাইটি লিমিটেডৰ অধ্যক্ষ হৰেন্দ্ৰ বৰা। সভাৰ মূল উদ্দেশ্য: আজিৰ এই জাগৰণ সভাৰ মূল লক্ষ্য আছিল সমাজৰ আই মাতৃসকলক আৰ্থিকভাৱে স্বনিৰ্ভৰশীল কৰি তোলা। সভাৰ জৰিয়তে ঘোষণা কৰা হয় যে, মহিলাসকলে ঋণৰ সুবিধা লাভ কৰিবলৈ অন্ততঃ ১০ জনীয়া একোটা গোট গঠন কৰিব লাগিব। এই গোটসমূহৰ জৰিয়তে চ'চাইটিয়ে সহজ চৰ্তত ঋণ প্ৰদান কৰি তেওঁলোকক ক্ষুদ্ৰ উদ্যোগ বা স্ব-নিয়োজনৰ পথ প্ৰশস্ত কৰাত সহায় কৰিব। জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা অহা আই মাতৃসকলে এই সজাগতামূলক সভাত অংশ লৈ সমবায় সমিতিখনৰ বিভিন্ন আঁচনিৰ বিষয়ে সম্যক জ্ঞান লাভ কৰে। সঙ্ঘৰ জ্যেষ্ঠ বিষয়াসকলৰ উপস্থিতিত অনুষ্ঠিত এই সভাই বঙাইগাঁও জিলাত শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ সাংগঠনিক আৰু অৰ্থনৈতিক ভেটি অধিক মজবুত কৰিব বুলি আশা প্ৰকাশ কৰা হৈছে।

# ছাতিপুৰত ধৰ্মীয় সংখ্যালঘু পৰিষদ চমুকৈ আৰএমচিৰ বাৰ্ষিক অধিৱেশন

**অসমবাৰ্তা, বিজনী, ১১ জানুৱাৰী ঃ** চিৰাং জিলাৰ ছাতিপুৰত দেওবাৰে ধৰ্মীয় সংখ্যালঘু পৰিষদ চমুকৈ আৰএমচিৰ বাৰ্ষিক অধিৱেশন অনুষ্ঠিত হয়। অনুষ্ঠানত বিটিচিৰ কাৰ্যবাহী সদস্য পানীৰাম ব্ৰহ্ম অংশগ্ৰহণ কৰি কয় কোকৰাঝাৰৰ ঘটনা সন্দৰ্ভত কয় বিটিচিত কাৰো দাদাগিৰি নচলিব কোকৰাঝাৰত যি ঘটনা সংঘটিত হ'ল তাক নিন্দা জনাইছোঁ লগতে কয় আমি অশান্তি নিবিচাৰোঁ সকলো জাতি জনগোষ্ঠীৰ মাজত শান্তি বিচাৰোঁ ইয়াত কাৰো দাদাগিৰি নচলিব। অধিৱেশনত উপস্থিত থকা অতিথি সকলে শিক্ষা, বাল্য বিবাহ, সমাজত প্ৰচলিত কুসংস্কাৰ, অন্ধবিশ্বাস আৰু বিভিন্ন দিশত ভাষণ প্ৰদান কৰে। অনুষ্ঠানত বিটিচিৰ বন বিভাগৰ কাৰ্য্যবাহী সদস্য পানীৰাম ব্ৰহ্ম, USTM ৰ সহকাৰী প্ৰৱক্তা আব্দুল ৰাহদুদ শেখ, ধৰ্মীয় সংখ্যালঘু পৰিষদ চমুকৈ আৰএমচিৰ প্ৰতিষ্ঠাপক সভাপতি বক্তাৰ আলীসহ বিশিষ্ট অতিথি সকল উপস্থিত থাকে।

# গোৱালপাৰাৰ টিপলাইৰ হৰমোহন নাথলৈ "সমাজ সতীৰ্থ বঁটা ২০২৫"

**ষ্টাফ ৰিপ'ৰ্টাৰ, দুধনৈ, ১১ জানুৱাৰী ঃ** গোৱালপাৰা জিলাৰ টিপলাইৰ বিশিষ্ট শিক্ষাবিদ, সমাজসেৱক, ক্ৰীড়া সংগঠক হৰমোহন নাথক শিক্ষা আৰু সমাজসেৱাৰ ক্ষেত্ৰত দীৰ্ঘদিন ধৰি আগবঢ়াই অহা সেৱাৰ স্বীকৃতি স্বৰূপে "সমাজ সতীৰ্থ বঁটা ২০২৫" প্ৰদান কৰা হয়। আজি মহানগৰীৰ গুৱাহাটী প্ৰেছ ক্লাবত আয়োজিত 'পাব্লিক প্ৰেছ' সংবাদ মাধ্যমৰ অষ্টম বৰ্ষপূৰ্তি অনুষ্ঠানত এই বঁটা তেখেতক আনুষ্ঠানিকভাৱে প্ৰদান কৰা হয়। উল্লেখযোগ্য যে, হৰমোহন নাথ পাটপাৰা বড়ো হাই স্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক। শিক্ষাজীৱনত দীৰ্ঘদিন ধৰি সেৱা আগবঢ়োৱাৰ উপৰি তেখেতে সমাজসেৱাৰ বিভিন্ন ক্ষেত্ৰতো সক্ৰিয় ভূমিকা পালন কৰাৰ লগতে ক্ৰীড়াৰ ক্ষেত্ৰত দীৰ্ঘদিন ফুটবল খেলৰ পৰিচালকৰ দায়িত্ব পালন কৰিছিল। তেখেত বৰ্তমান ৰামচন্দ্ৰ বিগ্ৰহ, টিপলাইৰ সভাপতি আৰু অন্যান্য পিছপৰা শ্ৰেণী সন্মিলনী, গোৱালপাৰা জিলা শাখাৰ সভাপতি হিচাপে দায়িত্ব পালন কৰি আছে। শিক্ষা ক্ষেত্ৰত নৈতিকতা, শৃংখলা আৰু মূল্যবোধৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ লগতে সমাজৰ সৰ্বস্তৰৰ লোকৰ সৈতে সম্পৃক্ত হৈ বিভিন্ন সামাজিক কাম-কাজত তেখেত জড়িত হৈ আহিছে। এইবোৰ কাৰণতে তেখেতক উক্ত বঁটাৰ বাবে নিৰ্বাচন কৰা বুলি অনুষ্ঠানত জানিবলৈ দিয়ে আয়োজক পক্ষই। উক্ত বঁটা প্ৰদান অনুষ্ঠানত নাৰী শক্তি অসমৰ সভানেত্ৰী নম্ৰতা শৰ্মা আৰু পাব্লিক প্ৰেছৰ পৰিচালন সঞ্চালক অনিৰ্বাণ সেনে হৰমোহন নাথক "সমাজহিতোষী বঁটা ২০২৫" প্ৰদান কৰে। অনুষ্ঠানত উপস্থিত বিশিষ্ট ব্যক্তি, সাংবাদিক আৰু অতিথিসকলে তেখেতক আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰে। তেখেতৰ এই স্বীকৃতিত উৎফুল্ল হৈ পৰিছে টিপলাইবাসী।

ৰবীন্দ্ৰ ভৱনত নাট্যপ্ৰেমীৰ অভূতপূৰ্ব সহাঁৰি; দৰ্শকক মন্ত্ৰমুগ্ধ কৰিলে সমৰ জ্যোতি সৰকাৰৰ বলিষ্ঠ পৰিচালনাই

# ২৬ তম্‌ বঙাইগাঁও নাট্য উৎসৱ; মঞ্চ কপালে বৰপাৰা নৱজেউতি ক্লাবৰ হৃদয়স্পৰ্শী নাট 'অনাথ'এ

**অসম বাৰ্তা, বঙাইগাঁও, ১১ জানুৱাৰী ঃ** বঙাইগাঁও চহৰৰ সাংস্কৃতিক প্ৰাণকেন্দ্ৰ পালপাৰাস্থিত ৰবীন্দ্ৰ ভৱনত বৰ্ণিল কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে ২৬ তম বঙাইগাঁও নাট্য উৎসৱ ২০২৬। যোৱা ৯ জানুৱাৰীৰ পৰা আৰম্ভ হোৱা এই তিনিদিনীয়া উৎসৱৰ দ্বিতীয় দিনটোত অৰ্থাৎ ১০ জানুৱাৰীত মঞ্চস্থ হোৱা নাটকসমূহে নাট্যপ্ৰেমী দৰ্শকৰ ব্যাপক সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। উৎসৱৰ দ্বিতীয় দিনাৰ প্ৰথমখন নাটক হিচাপে মঞ্চস্থ হয় বঙাইগাঁৱৰ অগ্ৰণী সাংস্কৃতিক গোষ্ঠী বৰপাৰা নৱজেউতি ক্লাবৰ নিবেদন "অনাথ"। পংকজ শৰ্মাৰ ৰচনা আৰু সমৰ জ্যোতি সৰকাৰৰ সুদক্ষ পৰিচালনাৰে ১ ঘণ্টা ৫ মিনিট দৈৰ্ঘ্যৰ নাটকখনে দৰ্শকক আৱেগিক কৰি তোলাৰ লগতে যথেষ্ট সঁহাৰি লাভ কৰে। বিশেষকৈ জনপ্ৰিয় অভিনেতা যোগীৰাজ চক্ৰৱৰ্তী বিশেষভাৱে জড়িত থকা এই নাটকখনৰ সংগীত পৰিচালনাও আছিল সমৰ জ্যোতি সৰকাৰৰ। নাটকখনত পোহৰ ব্যৱস্থাপনাৰে বিশেষ মাত্ৰা প্ৰদান কৰে ধ্ৰুৱজ্যোতি তালুকদাৰে। নাটকখনৰ বিভিন্ন চৰিত্ৰত পংকজ শৰ্মা, শংকৰ সৰকাৰ, কৃষ্ণান্ত দাস, উমানন্দ পাঠক, সঞ্জীৱ অধিকাৰী, প্ৰীতি তামোলী দাস, ডেইজী শইকীয়া, নভস্বান কলিতা, যথাৰ্থ প্ৰতীম, তন্মত্ৰ তথাকত, পৰিমল সিংহ, মনোৰঞ্জন দাস আৰু য়াছিন আনচাৰিয়ে প্ৰাণৱন্ত অভিনয় কৰি দৰ্শকৰ ভূয়সী প্ৰশংসা বুটলিবলৈ সক্ষম হয়। কালি আবেলি ৬ বজাত নাটকখন আৰম্ভ হোৱাৰ পৰাই ৰবীন্দ্ৰ ভৱন দৰ্শকেৰে উপচি পৰা দেখা গৈছিল। উল্লেখ্য যে, প্ৰতি বছৰৰ দৰে এইবেলিও নৱজেউতি ক্লাবৰ অভিনৱ প্ৰচেষ্টাক নাট্যপ্ৰেমী ৰাইজে মুকলি হৃদয়েৰে আদৰণি জনাইছে। ১১ জানুৱাৰীত এই তিনিদিনীয়া নাট্য উৎসৱৰ সামৰণি পৰিব।

পাঁচগৰাকী মহিলাক দিছে সংস্থাপন

# দেৰগাঁৱৰ এগৰাকী উদ্যমী মহিলাই দেখুৱাইছে স্বাৱলম্বিতাৰ নিদৰ্শন

**অসম বাৰ্তা, দেৰগাঁও, ১১ জানুৱাৰী ঃ** যি সময়ত একাংশ মহিলাই কেৱল চৰকাৰী আঁচনিৰ ধন লাভৰ আশাত বৈ থাকে আৰু ম'বাইল ফ'নত ব্যস্ত হৈ অবাবত সময় নষ্ট কৰিছে, তেনে সময়তে দেৰগাঁৱৰ জেলেহুৱা গাঁৱৰ এগৰাকী উদ্যমী মহিলা কমী বৰাই দেখুৱাইছে উপাৰ্জনৰ এক নিদৰ্শন। তেওঁ আত্মসহায়ক গোটৰ লগত জড়িত হৈ ২০১৯ চনৰে পৰা পিঠা পনা আৰু আচাৰ ব্যৱসায় আৰম্ভ কৰি এতিয়া বহুতৰ বাবে আদৰ্শ হৈ পৰিছে। ৰুমী এণ্টাৰপ্ৰাইজ নামেৰে এটা উৎপাদন গোট গঠন কৰি তিল পিঠা, ঘিলা পিঠা, সুতুলি পিঠা, টেকেলি পিঠা, ইদলি, নাৰিকলৰ লাড্ডু, তিলৰ লাড্ডু, নিমকি, পৰম্পৰাগত সকলোধৰণৰ পিঠা পনাৰ লগতে বিভিন্ন আচাৰ, খাৰলি, পানী টেঙা, বুটৰ গুড়ি, সান্দহ তৈয়াৰ কৰি বজাৰ দখল কৰিছে। প্ৰথম অৱস্থাত দেৰগাঁৱৰ সৰুসুৰা সভা সমিতি, সকাম, বিয়া আদিত যোগানেৰে আৰম্ভ কৰা ব্যৱসায়টো বৰ্তমান গুৱাহাটী পৰ্যন্ত প্ৰসাৰিত কৰিবলৈ সক্ষম হৈছে। দেৰগাঁৱৰ বিভিন্ন চৰকাৰী, বেচৰকাৰী সভা-সমিতিৰ উপৰি যোৰহাট, গোলাঘাট, শেহতীয়াকৈ গুৱাহাটীত অনুষ্ঠিত চৰকাৰী কাৰ্যসূচীৰ বাবেও ৰুমী এণ্টাৰপ্ৰাইজে অৰ্ডাৰ লাভ কৰিছে। আনকি প্ৰধানমন্ত্ৰী, মুখ্যমন্ত্ৰীৰ সভাৰ বাবেও পিঠাপনা ৰুমী এণ্টাৰপ্ৰাইজে যোগান ধৰি আহিছে। প্ৰথম অৱস্থাত ৰুমী বৰাই নিজে আৰু পাছলৈ মূলা গাভৰু গ্ৰাম্য সংগঠনৰ পাঁচগৰাকী সদস্যা ক্ৰমে পুতলী বৰা, দুলুমণি বৰা, নিপামণি শইকীয়া, পাপৰি বৰুৱা, অমিয়া বৰাক লগত লৈ আগবাঢ়িছে। ৰুমী এণ্টাৰপ্ৰাইজৰ কাম-কাজত কাকডোঙা উন্নয়ন খণ্ডই সহযোগিতা আগবঢ়াই আহিছে। কাকডোঙা উন্নয়ন খণ্ডৰ গ্ৰাম্য জীৱিকা অভিযানৰ তৰফৰ পৰা পি এম এফ এম ই আঁচনিৰ অধীনত ১ লাখ ৫৭ হাজাৰ টকাৰ সামগ্ৰী, পিঠাগুড়ি মেচিন, পেকেটিং মেচিন আৰু এটা ড্ৰাই মেচিন যোগান ধৰিছে। বৰ্তমান এই মেচিনসমূহ লাভ কৰি দৈনিক অধিক উৎপাদনৰ লক্ষ্যৰে ৬ গৰাকী সদস্যাই কাম কৰাত ব্যস্ত হৈ পৰিছে। ভোগালী বিহুৰ বাবেও গ্ৰাহকক সন্তুষ্ট কৰিবলৈ বিভিন্ন পিঠাপনা প্ৰস্তুত কৰি সাজু হৈ উঠিছে কমী এণ্টাৰপ্ৰাইজ।

# মিচিচিপিত বন্দুকধাৰীয়ে

হত্যা কৰে। দেশখনত আলোড়নৰ সৃষ্টি কৰিছে এই ঘটনাই। লোকজনে তেওঁৰ পিতৃ, ভাতৃ, ককাক, ৭ বছৰীয়া এটি শিশু, গীৰ্জাৰ এজন পাষ্টৰ আৰু পাষ্টৰৰ ভাতৃক শুকুৰবাৰে নিশা তিনিটা ভিন্ন স্থানত গুলীয়াই হত্যা কৰে। হত্যাকাৰী ডাৰিকা এম মূৰ নামৰ লোকজনক ইতিমধ্যে আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে আৰু জেৰা অব্যাহত ৰাখিছে। শনিবাৰে এখন সংবাদমেলত ক্লে কাউণ্টীৰ শ্বেৰিফ এডি স্কটে কয় যে প্ৰমাণ আৰু সাক্ষীয়ে ইংগিত দিয়ে যে ডাৰিকা এম মূৰেই একমাত্ৰ শ্যুটাৰ আছিল। স্কটে কয়, "পৰিয়ালৰ এজন সদস্যই নিজৰ পৰিয়ালক আক্ৰমণ কৰিছে। কাৰণ যিয়েই নহওক কিয়, আমি আশা কৰিছো যে আমি গম পাম।" জেকচনৰ পৰা প্ৰায় ১২৫ মাইল (২০০ কিলোমিটাৰ) উত্তৰ-পূবে থকা পথাৰ, হাবিতলীয়া এটা অঞ্চলত মূৰে প্ৰথমে নিজৰ পিতৃ ৬৭ বছৰীয়া গ্লেন মূৰ, ভাতৃ ৩৩ বছৰীয়া কুইণ্টন মূৰ আৰু ককাক ৫৫ বছৰীয়া উইলি এড গিন্সক হত্যা কৰিছিল।

আদিবাসী ৩৬ অনুসূচীত জনজাতি ঐক্য মঞ্চ অসমৰ ক্ষোভ

# ছয় জনগোষ্ঠীৰ জনজাতিকৰণ প্ৰসংগত আদিত্য খাকলাৰীৰ মন্তব্যৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ

**অসম বাৰ্তা, ঢেকীয়াজুলি, ১১ জানুৱাৰী ঃ** ছয় জনগোষ্ঠীৰ জনজাতিকৰণ সন্দৰ্ভত আদিত্য খাকলাৰীয়ে কৰা বিৰূপ মন্তব্যক লৈ অসমত আদিবাসী সমাজত তীব্ৰ প্ৰতিক্ৰিয়া সৃষ্টি হৈছে। এই মন্তব্যৰ বিৰুদ্ধে ক্ষোভিত হৈ পৰিছে আদিবাসী ৩৬ অনুসূচীত জনজাতি ঐক্য মঞ্চ, অসম। সংগঠনটোৰ কেন্দ্ৰীয় সভাপতি ডঃ বানেশ্বৰ মিৰ্ধাই আজি সংবাদ মাধ্যমৰ আগত এই সন্দৰ্ভত কঠোৰ মন্তব্য আগবঢ়ায়। ডঃ বানেশ্বৰ মিৰ্ধাই কয় যে আদিত্য খাকলাৰীয়ে আদিবাসী সমাজৰ ইতিহাস আৰু পৰিচয় সম্পৰ্কে একো নাজানে। আদিবাসী সকলৰ অসমত প্ৰায় ৩ হাজাৰ বছৰৰ পুৰণি ইতিহাস আছে বুলি উল্লেখ কৰি তেওঁ কয়, এনে এটা প্ৰাচীন জনগোষ্ঠীৰ বিষয়ে সঠিক জ্ঞান নথকাকৈ কোনো ব্যক্তিয়ে বিৰূপ মন্তব্য কৰাটো অতি দুঃখজনক আৰু অগ্ৰহণযোগ্য। তেওঁ লগতে কয়, অসমত বসবাস কৰা আদিবাসী সকলৰ জনজাতিৰ মৰ্যাদা লাভ কৰাটো জন্মগত অধিকাৰ। এই অধিকাৰত কোনোবাই বাধা দিব নোৱাৰে। আদিবাসী সমাজৰ অধিকাৰৰ প্ৰসংগত আদিত্য খাকলাৰীৰ দৰে ব্যক্তিয়ে মন্তব্য কৰাৰ কোনো নৈতিক বা সামাজিক অধিকাৰ নাই বুলি তেওঁ স্পষ্ট কৰে। ডঃ মিৰ্ধাই সংবাদ মাধ্যমৰ জৰিয়তে প্ৰশ্ন উত্থাপন কৰি কয়- আদিবাসী সমাজৰ অধিকাৰত হস্তক্ষেপ কৰাৰ আদিত্য খাকলাৰী কোন? এই প্ৰশ্নৰ জৰিয়তে তেওঁ আদিবাসী সমাজৰ অনুভৱ আৰু ক্ষোভক প্ৰতিফলিত কৰে। শেষত তেওঁ ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰকো আহ্বান জনাই কয় যে আদিবাসী সমাজৰ জনজাতিকৰণৰ দাবী তৎক্ষণাৎ বাস্তৱায়ন কৰা উচিত আৰু এই বিষয়ত কোনো ধৰণৰ অপমানজনক মন্তব্য সহ্য কৰা নহ'ব। অন্যথা আগন্তুক ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত বিজেপি চৰকাৰকো উচিত শিক্ষা দিয়া হ'ব বুলি হুংকাৰ দিয়ে ডঃ বানেশ্বৰ মিৰ্ধাই।

ৰাজহুৱা খেলপথাৰত আত্মসহায়ক গোটৰ থলুৱা সামগ্ৰীৰ সমাহাৰ; ১১ জানুৱাৰীলৈ চলিব মেলা

# বিধায়িকা দীপ্তিময়ী চৌধুৰীৰ হাতেৰে বঙাইগাঁৱত 'অসমী ভোগালী মেলা'ৰ শুভ উদ্বোধন

**অসম বাৰ্তা, বঙাইগাঁও, ১১ জানুৱাৰী ঃ** চেনেহৰ মাঘ বিহুটো সুকলমে উদযাপন কৰাৰ লক্ষ্যৰে বঙাইগাঁও জিলা প্ৰশাসন আৰু জিলা অভিযান পৰিচালনা শাখাৰ উদ্যোগত আজিৰে পৰা আৰম্ভ হৈছে 'অসমী ভোগালী মেলা'। বঙাইগাঁও ৰাজহুৱা খেলপথাৰত আয়োজিত এই বিশেষ মেলাখন আজি আনুষ্ঠানিকভাৱে উদ্বোধন কৰে বঙাইগাঁও বিধানসভা সমষ্টিৰ বিধায়িকা দীপ্তিময়ী চৌধুৰীয়ে। উদ্বোধন কৰি বিধায়িকা গৰাকীয়ে আত্মসহায়ক গোটৰ মহিলাসকলৰ এই প্ৰচেষ্টাৰ শলাগ লয়। অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান (ASRLM), পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ তত্ত্বাৱধানত আয়োজিত এই মেলাৰ মুখ্য আকৰ্ষণ হৈছে স্থানীয় আত্মসহায়ক গোটসমূহৰ দ্বাৰা উৎপাদিত বিশুদ্ধ থলুৱা সামগ্ৰী। বিহুৰ জলপান, তিল পিঠা, ঘিলা পিঠা, লাড়ুৰ পৰা আৰম্ভ কৰি হাতে বোৱা গামোচা আৰু অন্যান্য কুটিৰ শিল্পৰ সামগ্ৰী মেলাত গ্ৰাহকৰ বাবে উপলব্ধ কৰা হৈছে। গাঁৱৰ মহিলাসকলে নিজ হাতে প্ৰস্তুত কৰা এই সামগ্ৰীসমূহে ভোগালীৰ বজাৰখনক এক সুকীয়া মাত্ৰা প্ৰদান কৰিব বুলি উদ্যোক্তাসকলে আশা প্ৰকাশ কৰিছে। উল্লেখ্য যে, আজি অৰ্থাৎ ৯ জানুৱাৰীৰ পৰা আৰম্ভ হোৱা এই মেলাখন অহা ১১ জানুৱাৰী ২০২৬ লৈকে চলিব। জিলাখনৰ চহা শিল্পী আৰু মহিলা উদ্যমীসকলক আৰ্থিকভাৱে স্বাৱলম্বী কৰাৰ লগতে ৰাইজক একেখন চালিৰ তলতে বিহুৰ প্ৰয়োজনীয় সকলো সামগ্ৰী যোগান ধৰাৰ উদ্দেশ্যে এই মেলাৰ আয়োজন কৰা হৈছে। জিলা প্ৰশাসনে বঙাইগাঁওবাসী ৰাইজক মেলাখনলৈ আহি আমাৰ থলুৱা উৎপাদনসমূহ ক্ৰয় কৰিবলৈ আৰু আত্মসহায়ক গোটসমূহক সহায় কৰিবলৈ বিনম্ৰ অনুৰোধ জনাইছে।

নিৰ্মল চন্দ্ৰ বৰা সোঁৱৰণী সাংবাদিকতা বঁটা আৰু বিশিষ্ট সমাজকৰ্মী থানেশ্বৰ গোস্বামী সোঁৱৰণী সাংবাদিকতা বঁটা প্ৰদানৰ সিদ্ধান্ত

# মাজুলী জিলা আপকুৰ কাৰ্যনিৰ্বাহক সভা

**অসম বাৰ্তা, উজনী মাজুলী, ১১ জানুৱাৰী ঃ** মাজুলী জিলা আপকুৰ নৱ নিৰ্বাচিত সমিতিৰ দ্বিতীয়খন কাৰ্যনিৰ্বাহক সভা আজি মাজুলীৰ বনগাঁও স্থিত পৰিদৰ্শন বাংলাত অনুষ্ঠিত হয়। দিনৰ ১.৩০ বজাৰ পৰা সন্থাৰ সাধাৰণ সম্পাদক তীৰ্থ ভূঞাই আঁত ধৰা কাৰ্যনিৰ্বাহক সভাখনত সভাপতিৰ অনুপস্থিতিত সভাৰ আহ্বান ক্ৰমে সভাপতিত্ব কৰে আপকুৰ কেন্দ্ৰীয় উপ-সভাপতি জীৱন বৰুৱাই। সম্পাদকে গত সভাৰ কাৰ্যবিৱৰণীখন পাঠ কৰাৰ পিছতেই সভাত সন্থাৰ অৰ্ধনিৰ্মিত হৈ থকা কাৰ্যালয়টি কম দিনতে নিৰ্মাণ সম্পূৰ্ণ কৰাৰ বাবে ল'বলগীয়া প্ৰয়োজনীয় কাৰ্যব্যৱস্থাৰ লগতে সাংগঠনিক দিশত কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰে। ইয়াৰ ভিতৰত আগন্তুক দিন মাজুলী জিলা আপকুৱে দুটাকৈ সাংবাদিকতা বঁটা প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰে। প্ৰথম অৱস্থাত মাজুলী ভিত্তিত প্ৰদান কৰিবলগীয়া বঁটা দুটা ক্ৰমে প্ৰাক্তন সাংবাদিক নিৰ্মল চন্দ্ৰ বৰা সোঁৱৰণী সাংবাদিকতা বঁটা আৰু বিশিষ্ট সমাজকৰ্মী থানেশ্বৰ গোস্বামী সোঁৱৰণী সাংবাদিকতা বঁটা নামেৰে নামকৰণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। এই বঁটা সমূহ চলিত বৰ্ষৰ নৱেম্বৰ মাহত হ'বলগীয়া জিলা আপকুৰ দ্বি-বাৰ্ষিক অধিবেশনত প্ৰদান কৰা হ'ব বুলি সিদ্ধান্ত গ্ৰহণ কৰে। ইয়াৰ উপৰিও মাজুলী জিলা আপকু সাংবাদিক সতীৰ্থ ন্যাস গঠনটো সভাই সৰ্ব সন্মত সিদ্ধান্ত গ্ৰহণ কৰে আৰু এখন ন্যাস সমিতি গঠন কৰে। জিলা আপকুৰ সভাপতি - সম্পাদক পদেনৰ সদস্য হিচাপে থাকিবলগীয়া সমিতি খনত আৰু ক্ৰমে জ্যেষ্ঠ সাংবাদিক জীৱন বৰুৱা, জ্যোতিষ কুমাৰ তামোলী, ৰূপজ্যোতি বৰা আৰু প্ৰাঞ্জল খাউণ্ডক সদস্য হিচাপে নিৰ্বাচিত কৰে। সভাত মাজুলী জিলা আপকুৰ সাংগঠনিক ভেটি শক্তিশালী কৰাৰ বাবে ল'ব লগা পদক্ষেপ সন্দৰ্ভতো জ্যেষ্ঠ সাংবাদিক ক্ৰমে জ্যোতিষ কুমাৰ তামোলী, ভাস্কৰ বৰা, প্ৰাঞ্জল খাউণ্ড, সঞ্জিত অসম বৰা, পৰাণজ্যোতি বৰা, উৎপল বৰা, ৰূপজ্যোতি বৰা, যদুমনি শইকীয়া আদি কৰি কেইবাজনো সদস্যই বক্তব্য প্ৰদান কৰে। আনহাতে সন্থাই সাংবাদিকতাৰ সমান্তৰালকৈ সমাজৰ সকলো শ্ৰেণীৰ জনসাধাৰণৰ কল্যাণৰ হকে কাম কৰাৰ পোষকতা কৰি কেইবাটাও সিদ্ধান্ত গ্ৰহণ কৰে।

সংগীতা গোস্বামীৰ অনুগল্প সংকলন গ্ৰন্থ 'কিশলয়' উন্মোচন

# দেৰগাঁও লেখিকা সমাৰোহ সমিতিৰ গ্ৰন্থ উন্মোচনী সভা

**অসম বাৰ্তা, দেৰগাঁও, ১১ জানুৱাৰী ঃ** সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ দেৰগাঁও শাখাৰ সৌজন্যত আজি দেৰগাঁও সাহিত্য সভা ভৱনত এখনি গ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত হয়। এই উপলক্ষে সভাৰ পূৰ্বে অসমীয়াৰ হিয়াঁৰ স্পন্দন জুবিন গাৰ্গ, ডঃ ভূপেন হাজৰিকা, লেখিকা সংগীতা গোস্বামীৰ শহুৰ উমেশ গোস্বামী, পিতৃ ৰমনী শৰ্মা আৰু আইতাক কমলা দেৱীৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি নিবেদন কৰে ক্ৰমে দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষা বীনা ঠাকুৰ বেজবৰুৱা, দেৰগাঁও লেখিকা সমাৰোহ সমিতিৰ উপ সভানেত্ৰী লীনা বৰা, গ্ৰন্থ লেখিকাৰ শাহুৰ মীৰা গোস্বামী, মাতৃ প্ৰতিভা দেৱী আৰু লেখিকা সংগীতা গোস্বামীয়ে। ইয়াৰ পাছতে দেৰগাঁও লেখিকা সমাৰোহ সমিতিৰ কাৰ্যকৰী সভানেত্ৰী কল্পনা বৰা দত্তৰ সভাপতিত্বত অনুষ্ঠিত হয় গ্ৰন্থ উন্মোচনী সভা। ছায়াংক গোস্বামীয়ে পৰিৱেশন কৰা এটি ভক্তিমূলক গীতৰে শুভাৰম্ভণী কৰা সভাখনিৰ আঁত ধৰে সমিতিৰ সম্পাদিকা অনিমা দেৱী বৰঠাকুৰে। অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰাণ গোপাল বৰঠাকুৰ, চিকিৎসক ডাঃ মঞ্জিল গোস্বামী, লেখিকা অৱনী বৰঠাকুৰ, যুতিমালা বৰঠাকুৰ, জ্যোতি ৰাজখোৱা, অৰ্চনা পূজাৰী প্ৰমুখ্যে শতাধিক সাহিত্যনুৰাগী আৰু দেৰগাঁও লেখিকা সমাৰোহ সমিতিৰ বিষয়-ববীয়া উপস্থিত থকা সভাখনিত সংগীতা গোস্বামীৰ অনুগল্প সংকলন কিশলয় উন্মোচন কৰে লেখক, শিক্ষক দেৱদ্বীপ কলিতাই। উন্মোচক দেৱদ্বীপ কলিতাই বৰ্তমান সময়ত অনুগল্প সাহিত্যৰ ওপৰত চৰ্চা আৰু জনপ্ৰিয়তা বৃদ্ধি পোৱাকে ধৰি অনুগল্প পঢ়ুৱৈৰ সংখ্যা বৃদ্ধি পোৱা কথা সদৰি কৰি অনুগল্প সাহিত্যৰ বাবে বৰগছৰ ছাঁ-স্বৰূপ বুলি উল্লেখ কৰে। সভাখনিত দেৰগাঁও লেখিকা সমাৰোহ সমিতিৰ মুখ্য উপদেষ্টা বীনা ঠাকুৰ বেজবৰুৱা, দেৰগাঁও শিশু নিকেতনৰ প্ৰাক্তন প্ৰধান আচাৰ্য দীপক বৰাকে ধৰি কেইবাগৰাকীও লোকে অনুভৱ প্ৰকাশ কৰে। গ্ৰন্থ খনিৰ লেখিকা সংগীতা বৰঠাকুৰে কি দৰে গ্ৰন্থখনি লিখিবলৈ আৰম্ভ কৰিলে কোনে এই ক্ষেত্ৰত অনুপ্ৰেৰণা যোগালে সভাখনিত নিজৰ অনুভৱ প্ৰকাশ কৰে। এই সভাতে বিশিষ্ট কণ্ঠশিল্পী আমান আহমেদে গীত পৰিৱেশন আৰু প্ৰস্তুতি শৰ্মাই কবিতা আবৃত্তি কৰে। উল্লেখ্য যে সংগীতা গোস্বামীৰ এই অনুগল্প সংকলন কিশলয়খনে অংকুৰন পাণ্ডুলিপি প্ৰতিযোগিতা ২০২৫ত প্ৰথম স্থান লাভ কৰিছিল।




# গৰুৱাঝাৰত ৰাষ্ট্ৰীয় গোকুল অভিযান আৰু এএলডিৰ অধীনত কৃত্ৰিম প্ৰজনন সম্পৰ্কে সচেতনতা শিবিৰ

**অসম বাৰ্তা, টংলা, ১১ জানুৱাৰী ঃ** ওদালগুৰি জিলাৰ গৰুৱাঝাৰ ভিচিডিচিৰ অন্তৰ্গত মাথখোলাত অনুষ্ঠিত হয় ৰাষ্ট্ৰীয় গোকুল অভিযান আৰু অসম পশুধন উন্নয়ন অভিকৰণৰ অধীনত কৃত্ৰিম প্ৰজনন সুবিধাসমূহৰ বিষয়ে এক সচেতনতা শিবিৰ অনুষ্ঠিত হয়। পশু চিকিৎসক ডঃ লিওস্মীতা বৰগোঁহাইৰ নেতৃত্বত এদিনীয়া কাৰ্য্যসূচীৰে যোৱা ৮ জানুৱাৰীত শিবিৰটি অনুষ্ঠিত হয়। উক্ত শিবিৰত উপস্থিত থাকে পশ্চিম পটলা ৰাজ্যিক পশু চিকিৎসালয়ৰ চিকিৎসক ডাঃ লিওস্মীতা বৰগোহাঁই, গৰুৱাঝাৰ ভিচিডিচিৰ অধ্যক্ষ চাহিদুল খন্দেকৰ, গৰুৱাঝাৰ প্ৰাথমিক সমিতি বিপিএফৰ সভাপতি মোমিদুল ইছলাম। উক্ত শিবিৰত প্ৰায় এশ গৰাকী উৎসাহী আৰু প্ৰগতিশীল কৃষকে অংশগ্ৰহণ কৰে। প্ৰায় ১০০গৰাকী পশুপালক কৃষকৰ সৈতে অন্তৰংগমূলক আলোচনা আৰু ঔষধ বিতৰণ কৰা হয়।

### মন্ত্ৰী অশোক সিংহলৰ নেতৃত্বত সেউজীয়া অভিযানক উষ্ম আদৰণি

# পানবাৰী চাহ বাগিছাত নিৰ্মীয়মাণ শিৱ মন্দিৰ প্ৰাংগনত বৃক্ষৰোপণ কাৰ্যসূচী



**অসম বাৰ্তা, ঢেকীয়াজুলি, ১১ জানুৱাৰী ঃ** শোণিতপুৰ জিলাৰ অন্তৰ্গত ঢেকীয়াজুলি বিধানসভা সমষ্টিৰ পানবাৰী চাহ বাগিছাত নিৰ্মীয়মাণ শিৱ মন্দিৰৰ প্ৰাংগনত আজি পুৱা এক মহত্বপূৰ্ণ বৃক্ষৰোপণ কাৰ্যসূচী অনুষ্ঠিত হয়। ৬৫ নং ঢেকীয়াজুলি বিধানসভা সমষ্টিৰ বিধায়ক তথা অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী অশোক সিংহলৰ উদ্যোগত এই সেউজীয়া অভিযান ৰূপায়ণ কৰা হয়, যাৰ মূল উদ্দেশ্য আছিল পৰিৱেশ সংৰক্ষণৰ লগতে সমাজৰ মাজত প্ৰকৃতিৰ প্ৰতি সচেতনতা বৃদ্ধি কৰা। কাৰ্যসূচীৰ শুভাৰম্ভ কৰি মন্ত্ৰী অশোক সিংহলে কয় "গছ থাকিলেহে মানৱ জাতি জীয়াই থাকিব। পৰিৱেশ সংৰক্ষণ মানৱ সভ্যতাৰ ভৱিষ্যৎ সুৰক্ষাৰ একমাত্ৰ পথ।" তেওঁৰ এই বক্তব্যই উপস্থিত সকলৰ মাজত গভীৰ প্ৰভাৱ পেলায়। এই বৃক্ষৰোপণ কাৰ্যসূচীত অসম গণ পৰিষদ দলৰ শোণিতপুৰ জিলাৰ সভাপতি ৰাতুল কুমাৰ নাথ, জ্যেষ্ঠ বিজেপি নেতাজন শইকীয়া, সমাজকৰ্মী নাৰায়ণ বৰা, গোলাপ দাস পানিকা, প্ৰভুধ কুমাৰ দাস, শিক্ষয়িত্ৰী জুৰি ওজা, মহুৱা দাস, গৌতম ৰাজবংশী, শিক্ষাগুৰু যতীন বৰা, অজিত দত্ত, অৱসৰপ্ৰাপ্ত শিক্ষক মনজিৎ ডেকা, সৰ্বানন্দ ঠাকুৰীয়া, অজয় সেন, ৰামকৃষ্ণ সেৱা আশ্ৰম পৰিচালনা সমিতিৰ হাৰাধন ধৰ, ৰবী দাস, তাপশ মুখাৰ্জী, স্বপ্না সৰকাৰ, দেৱজিৎ সৌৰ, পিণ্টু বিশ্বাস, নিৰ্মল দাস, কৃতাৰ্থ ঘোষ, শিক্ষক ৰাজ পিণ্টু গোৱালা, অজিত দত্ত, সমাজকৰ্মী দেৱেন চাচনী, তপন দাস, শিক্ষাবিদ ৰাণা শৰ্মা, ব্যৱসায়ী মহেন্দ্ৰ কুমাৰ চান্দক, কমল মহন্ত, বাসুদেৱ সেন, বাপ্পা ৰয়, দীনেশ পাৰিক, সন্তোষ ঠাকুৰ, গবিন্দ কানু, সমাজকৰ্মী দেৱী প্ৰসাদ অধীকাৰী, অৰুণ খতিৱৰা, নাৰায়ণ ফয়েল, ইন্দ্ৰ প্ৰসাদ ফয়েল, অসীম কুমাৰ দাসৰ লগতে ভাৰতীয় জনতা পাৰ্টিৰ গুপ্তেশ্বৰ মণ্ডলৰ সভাপতি তথা ঢেকীয়াজুলি আঞ্চলিক পঞ্চায়তৰ সভাপতি হেমন্ত ডেকা, ভাৰতীয় জনতা পাৰ্টিৰ ঢেকীয়াজুলি মণ্ডল সভাপতি কাজু দ্বীপ, ঢেকীয়াজুলি পৌৰসভাৰ পৌৰনেত্ৰী সুস্মিতা দাস, পৌৰসভাৰ ৱাৰ্ড কমিচনাৰসকল ক্ৰমে ত্ৰিদীপ নাথ, অঞ্জু দেৱী, বিজেপি যুৱ মৰ্চাৰ ঢেকীয়াজুলি মণ্ডল সভাপতি উপাংকৰ কপালীসহ বহু সংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত আছিল। উপস্থিত সকলোৱে এজোপাকৈ গছপুলি ৰোপণ কৰি পৰিৱেশ সুৰক্ষাৰ সংকল্প গ্ৰহণ কৰে। এই কাৰ্যসূচীৰ জৰিয়তে মন্দিৰ প্ৰাংগন এখন সেউজীয়া আৰু পৱিত্ৰ পৰিৱেশত ৰূপান্তৰ কৰাৰ লগতে আগন্তুক প্ৰজন্মৰ বাবে প্ৰকৃতিৰ এক সুন্দৰ উপহাৰ দিয়াৰ লক্ষ্য স্থিৰ কৰা হয়। মন্ত্ৰী অশোক সিংহলৰ এই ব্যতিক্ৰমী আৰু প্ৰশংসনীয় উদ্যোগক স্থানীয় ৰাইজে উষ্ম আদৰণি জনাইছে আৰু এনে সেউজীয়া আন্দোলনে সমাজত ইতিবাচক পৰিৱৰ্তন আনিব বুলি সকলোৱে আশাবাদ ব্যক্ত কৰে।

# হেঁপাহৰ ভোগালী বিহুলৈ সাজু মুকালমুৱাৰ এঠা দৈ, ক্ৰীম

## বিহুৰ বজাৰত উভৈনদী হ'ব খাটি ম'হৰ দৈ

**অসম বাৰ্তা, দৌলাশাল, ১১ জানুৱাৰী ঃ** অসমীয়াৰ হেঁপাহৰ উৎসৱ ভোগালী বিহু সমাগত। প্ৰাণৰ উৎসৱ হেঁপাহৰ ভোগালী বিহুলৈ মাজত মাত্ৰ তিনিটা দিন বাকী। এই তিনিটা দিন বাকী থকা অৱস্থাত এতিয়া ব্যস্ত হৈ পৰিছে প্ৰতিজন অসমীয়া। গাঁৱৰ জীয়ৰী-বোৱাৰীসকলে ঢেকীশাল আৰু জুশালত পিঠা-পনা, সান্দহ বনোৱাত ব্যস্ত হৈ থকাৰ সমান্তৰালভাৱে ডেকা-বুঢ়াসকলে মেজি নিৰ্মাণ কৰিবলৈ উঠিপৰি লাগিছে। ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ সমান্তৰালভাৱে নলবাৰী জিলাৰ বৰক্ষেত্ৰী অঞ্চলতো ভোগালী বিহুৰ ব্যাপক উৎসুকতা দেখিবলৈ পোৱা গৈছে। বৰক্ষেত্ৰীৰ প্ৰতিগৰাকী স্বাভিমানী অসমীয়াৰ ঘৰৰ জুশালত পিঠা-পনা, ঢেকীশালত ঢেকীৰ গুমগুমনি আৰু পথাৰত মেজি সাজি থকা পৰিলক্ষিত হৈছে। ভোগালী বিহুটিক উদ্‌যাপন কৰিবলৈ সকলো আয়োজন সাজু কৰি তুলি স্বাভিমানী প্ৰতিগৰাকী অসমীয়াই। সমান্তৰালভাৱে বৰক্ষেত্ৰীৰ দুগ্ধ উৎপাদকসকলৰো ব্যস্ততাৰ অন্ত নাই। দুগ্ধ ব্যৱসায়ীসকলে ভোগালী বিহুত ৰাজ্যৰ বজাৰ দখল কৰিবলৈ সাজু কৰি তুলিছে বৰক্ষেত্ৰীৰ এঠা দৈ। নলবাৰী জিলাৰ বৰক্ষেত্ৰী অঞ্চলৰ এঠা দৈৰ সোৱাদ ৰাইজক দিবলৈ তৎপৰ হৈ পৰিছে বৰক্ষেত্ৰীৰ বিভিন্ন প্ৰান্তৰ দুগ্ধ উৎপাদকসকল। বৰক্ষেত্ৰীৰ গাখীৰৰ ব্যৱসায়ীসকলে ইতিমধ্যেই বৰক্ষেত্ৰীৰ চৰাঞ্চলকে ধৰি বিভিন্ন অঞ্চলৰ গো-পালকৰ পৰা এৰা গাখীৰ সংগ্ৰহ কৰি আৰম্ভ কৰিছে এঠা দৈ প্ৰস্তুত কৰা প্ৰক্ৰিয়া। প্ৰাপ্তখবৰ অনুসৰি এই ভোগালী বিহুতেই বৰক্ষেত্ৰী অঞ্চলৰ পৰা ৰাজ্যৰ বিভিন্ন গ্ৰাহক আৰু বজাৰলৈ ৰপ্তানি হ'ব তিনিশ কুইণ্টল দৈ আৰু ৫০ কুইণ্টল ক্ৰীম। ভোগালী বিহুক লৈ ব্যস্ততাৰ অন্ত নাই বৰক্ষেত্ৰীৰ মুকালমুৱাৰ সাপকাটা গাঁৱৰ বিশেষকৈ দুই দুগ্ধ উৎপাদনকাৰীৰ। ৰাজ্যৰ গ্ৰাহকক এঠা দৈ আৰু ক্ৰীমৰ সোৱাদ দিবলৈ এতিয়া গাঁওখনৰ ভূপেন ডেকা আৰু প্ৰশান্ত তালুকদাৰৰ সীমাহীন ব্যস্ততা। পুৱাৰে পৰা নিশালৈকে ব্যস্ত হৈ পৰিছে এঠা দৈ উৎপাদনৰ বাবে। স্থানীয় গ্ৰাহকসকলে ইতিমধ্যেই এপষেক পূৰ্বৰ পৰা এঠা দৈ আৰু ক্ৰীম বিচাৰি গাখীৰৰ ব্যৱসায়ী দুগৰাকীৰ বাসগৃহত ভিৰ কৰা পৰিলক্ষিত হৈছে। স্থানীয় গ্ৰাহকসকলে এপষেক পূৰ্বৰে পৰা ৩ লিটাৰ পৰা ১০ লিটাৰ পৰ্যন্ত এঠা দৈ বুকিং কৰা বুলি জানিব পৰা গৈছে। উৰুকাৰ দিনাৰে পৰা পহিলা মাঘলৈ গাঁওখনৰ দুয়োটি পৰিয়ালত পূৰ্বৰ দৰে এইবেলিও দূৰ-দূৰণিৰ গ্ৰাহকে গাখীৰ নিবলৈ আহি উৎসৱমুখৰ পৰিৱেশৰ সূচনা কৰিব। পৰিয়াল দুটিত প্ৰতিদিনাই পাঁচ/ছয়জনকৈ লোকে এঠা দৈ উৎপাদনৰ বাবে ব্যস্ত হৈ থকা বুলি জানিব পৰা গৈছে। প্ৰতিদিনাই বৰক্ষেত্ৰীৰ বিভিন্ন গাঁৱৰ বিশ/পঁচিছ গৰাকী গো-পালকে পৰিয়াল দুটিত যোগান ধৰি আহিছে খাটি ম'হৰ দৈ। বিহুৰ এই সময়চোৱাত প্ৰাশান্ত তালুকদাৰে ৩০/৩৫ কুইণ্টন দৈ আৰু ৩/৪ কুইণ্টল ক্ৰীম বজাৰলৈ উলিয়াই দিব। আনহাতে ভূপেন ডেকাই ৬০/৭০ কুইণ্টল দৈ আৰু ৩০/৩৫ কুইণ্টল ক্ৰীম বিক্ৰী কৰাৰ লক্ষ্য কৰি লৈছে। তদুপৰি মুকালমুৱাৰ হাউলীঘাট, দৰংগিপাৰা, লোহাৰকাঠা, গলদীঘলা, লাউপাৰা, ভেলামাৰী, বৰতলা, কালদি, কাপলাবড়ি, হিদিলাট্টাৰী, ৰামপুৰ, লচিমা ইত্যাদি অঞ্চলৰ দুগ্ধ উৎপাদনকীসকলেও বিহুক লৈ ব্যস্ত হৈ পৰা পৰিলক্ষিত হৈছে। কালদি নতুন লাউপাৰা গাঁৱৰ দুগ্ধ উৎপাদনকাৰী দেবে কলিতা, বৰতলা গাঁৱৰ ক্ৰমে উমেশ ডেকা, জগবন্ধু বৰ্মন, দীনবন্ধু বৰ্মন, ৰজনী ডেকা, প্ৰদীপ ডেকা, দেৱৰাজ বৰ্মন, চবিন দাস, গিৰিশ দাস, কালদি গাঁৱৰ প্ৰফুল্ল তালুকদাৰ, লাউপাৰাৰ ভেলামাৰীৰ বনমালি বৰ্মনে বৰক্ষেত্ৰীৰ চৰ-চাপৰি, সৰ্থেবাৰীৰ আমৃখোৱা, বৰপেটা জিলাৰ জনিয়াৰ কাদং আদি অঞ্চলৰ পৰা খাটি ম'হৰ এৰা গাখীৰ সংগ্ৰহ কৰি এঠা দৈ প্ৰস্তুতৰ বাবে বিহুলৈ সাজু হৈ পৰিছে। লাউপাৰা ভেলামাৰীৰ বনমালি বৰ্মনে ৩ কুইণ্টল দৈ আৰু ৫০ লিটাৰ ক্ৰীম বিক্ৰীৰ বাবে সাজু কৰি ৰাখিছে। ঠিক একেদৰে কালদি লাউপাৰা গাঁৱৰ দেবে কলিতাই ৩ কুইণ্টল দৈ আৰু ৩০ লিটাৰ ক্ৰীম বিক্ৰীৰ পৰিকল্পনা কৰিছে।

### স্বামী হন্তা পত্নীৰ আৰক্ষী থানাত আত্মসমৰ্পণ

# হাজোত পত্নীয়ে হত্যা কৰিলে নিজ স্বামীক

**অসম বাৰ্তা, হাজো, ১১ জানুৱাৰী ঃ** কামৰূপ জিলাৰ হাজো আৰক্ষী থানাৰ অন্তৰ্গত নতুন দিহিনাত নিশা সংঘটিত হয় এক চাঞ্চল্যকৰ হত্যাকাণ্ড। পত্নীয়ে লোৰ ৰডেৰে কোবাই হত্যা কৰিলে নিজ স্বামীক। এই ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে সমগ্ৰ তীৰ্থ নগৰী হাজোত। পত্নীৰ হাতত মৃত্যু হোৱা লোকজন দামোদৰ দাস(৪৮)বুলি জানিব পৰা গৈছে। ঘটনাৰ সবিশেষ জানিব পৰা মতে নতুন দিহিনাৰ দামোদৰ দাস আৰু তেওঁৰ পত্নী ভানু দাসৰ সামাজিক ভাৱে প্ৰায় ত্ৰিশ বছৰ আগতে বিবাহ সম্পন্ন হৈছিল। পেচাত ৰিস্কা চালক দামোদৰ দাসে মদ খাই প্ৰায়েই নিজ সন্তান দুটিৰ লগতে পত্নীক দীৰ্ঘ দিন ধৰি শাৰীৰিক আৰু মানসিক অত্যাচাৰ কৰি আহিছিল। স্বামী হন্তা পত্নী ভানু দাসে জনোৱা অনুসৰি স্বামীৰ অত্যাচাৰ সহিব নোৱাৰি নিজ সন্তান সহিতে কিছুদিন নিজ মাতৃ গৃহত আশ্ৰয় লব লগীয়াও হৈছিল। আনকি ঘটনা সংঘটিত হোৱাৰ এসপ্তাহ পূৰ্বে স্বামী দামোদৰ দাসে পত্নীক বেয়াকৈ মাৰধৰ কৰাত চিকিৎসাধীন হ'ব লগীয়া হৈছিল ভানু দাস। ঘটনাৰ নিশাও দামোদৰ দাসে নিশা মদ খাই আহি বিহুৰ পিঠা পনা যোগাৰ কৰি থকা পত্নীক বেয়াকৈ মাৰধৰ কৰাৰ লগতে গালি গালাজ পাৰিবলৈ আৰম্ভ কৰে। অৱশেষত পত্নী ভানু দাসে খঙত হিতাহিত জ্ঞান হেৰুৱায় ওচৰতে থকা এডাল লোৰ ৰডৰে স্বামী দামোদৰ দাসক মূৰত আঘাত কৰাত স্বামী দামোদৰ দাসৰ থিতাতে মৃত্যু হয়। স্বামীক হত্যা কৰি পত্নী ভানু দাসে অনুতপ্ত হৈ হাজো আৰক্ষী থানালৈ আহি আত্মসমৰ্পণ কৰে। লগেলগে হাজো আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহ থানালৈ আনি মৰোণোত্তৰ পৰীক্ষাৰ বাবে আজি গুৱাহাটী চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰাৰ লগতে স্বামী হত্যাকাৰী ভানু দাসক আটক কৰে।

# সৃজগ্ৰাম সমষ্টিৰ পৰা আমছুৰ প্ৰাক্তন সভাপতি ৰেজাউল কৰিম সৰকাৰক প্ৰাৰ্থী হিচাপে আগবঢ়োৱাৰ সন্দৰ্ভত প্ৰদেশ কংগ্ৰেছলৈ বঙাইগাঁও জিলা কংগ্ৰেছৰ আপত্তি

**অসম বাৰ্তা, অভয়াপুৰী, ১১ জানুৱাৰী ঃ** আসন্ন ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনৰ প্ৰাক মুহূৰ্তত সৃজনগ্ৰাম বিধানসভা সমষ্টিৰ পৰা প্ৰাক্তন আমছু সভাপতি ৰেজাউল কৰিম সৰকাৰক কংগ্ৰেছ দলত যোগদান কৰাই প্ৰাৰ্থী হিচাপে আগবঢ়োৱাৰ সম্ভাৱনাক লৈ অসম প্ৰদেশ কংগ্ৰেছ কমিটি (এপিচিচি)ৰ সভাপতিলৈ গম্ভীৰ আপত্তি উত্থাপন কৰা হৈছে। বঙাইগাঁও জিলা কংগ্ৰেছ কমিটিৰ সভাপতি গিৰিশ বৰুৱাই এই সন্দৰ্ভত এপিচিচিৰ সভাপতিলৈ এখন লিখিত আবেদন প্ৰেৰণ কৰি কয় যে, কংগ্ৰেছ দলে সদায় অন্তৰ্ভুক্তিমূলক আৰু গণতান্ত্ৰিক ৰাজনীতিৰ পোষকতা কৰি আহিছে যদিও সৃজনগ্ৰামৰ দৰে সামাজিকভাৱে সংবেদনশীল সমষ্টিত প্ৰাৰ্থী নিৰ্বাচনৰ ক্ষেত্ৰত বাস্তৱতা আৰু ভোটাৰৰ মনোভাৱ গুৰুত্বসহ বিবেচনা কৰাটো অত্যন্ত প্ৰয়োজনীয়। আবেদনত উল্লেখ কৰা মতে, ৰেজাউল কৰিম সৰকাৰক প্ৰাৰ্থী হিচাপে আগবঢ়ালে কংগ্ৰেছৰ বিৰুদ্ধে হিন্দু ভোট একত্ৰিত হোৱাৰ সম্ভাৱনা বৃদ্ধি পাব পাৰে। বিশেষকৈ বিজেপিয়ে এই বিষয়টোক লৈ কংগ্ৰেছক মুছলিম নেতৃত্বনিৰ্ভৰ দল হিচাপে চিত্ৰিত কৰিবলৈ শক্তিশালী প্ৰচাৰ চলাব পাৰে, যাৰ প্ৰভাৱ সমগ্ৰ অসমত পৰিব পাৰে বুলি আশংকা প্ৰকাশ কৰা হৈছে। আনহাতে, বিগত লোকসভা নিৰ্বাচনৰ সময়ত ৰেজাউল কৰিম সৰকাৰৰ নিৰ্দেশত আমছুৰ কৰ্মীসকলে কংগ্ৰেছ প্ৰাৰ্থীৰ বিৰুদ্ধে কাম কৰা বুলিও আবেদনত উল্লেখ কৰা হৈছে। তথাপিও কংগ্ৰেছ প্ৰাৰ্থী ১০ লাখতকৈ অধিক ভোটৰ ব্যৱধানত বিজয়ী হৈছিল যাৰ দ্বাৰা ৰেজাউল কৰিম সৰকাৰৰ তৃণমূল স্তৰত কোনো শক্তিশালী প্ৰভাৱ বা সংগঠনমূলক আধাৰ নথকাৰ কথাও স্পষ্ট হয় বুলি আবেদনত উল্লেখ কৰা হৈছে। বঙাইগাঁও ডিচিচিৰ মতে, সৃজনগ্ৰাম সমষ্টিত ইতিমধ্যে কংগ্ৰেছ সাংগঠনিকভাৱে শক্তিশালী অৱস্থাত আছে। এনে অৱস্থাত বাহিৰৰ এজন নেতাক হঠাৎ প্ৰক্ষেপ কৰিলে তৃণমূল কৰ্মীসকলৰ মাজত অসন্তোষ, হতাশা আৰু বিদ্ৰোহৰ সৃষ্টি হ'ব পাৰে। ইয়াৰ ফলত বুথ, মণ্ডল কংগ্ৰেছ কমিটী আৰু ব্লক পৰ্যায়ত দলীয় সংগঠন দুৰ্বল হোৱাৰ আশংকা আছে। ইয়াৰ উপৰিও, ৰেজাউল কৰিম সৰকাৰে নিজৰ কাৰ্যকালত শাসক পক্ষৰ সৈতে গোপন বুজাবুজি ৰাখিছিল বুলি তৃণমূল কৰ্মীসকলৰ মাজত ধাৰণা আছে বুলিও আবেদনত উল্লেখ কৰা হৈছে। এনে পৰিস্থিতিত তেওঁৰ কংগ্ৰেছত যোগদানে দল আৰু সমগ্ৰ অসমত ৰাজনৈতিকভাৱে ক্ষতিগ্ৰস্ত হ'ব পাৰে আৰু বিশেষকৈ এআইইউডিএফে ইয়াক ৰাজনৈতিক অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিব পাৰে বুলিও সতৰ্ক কৰা হৈছে। এই সকলো দিশ বিবেচনা কৰি বঙাইগাঁও জিলা কংগ্ৰেছৰ সভাপতি গিৰিশ বৰুৱাই এপিচিচিৰ সভাপতিলৈ অনুৰোধ জনাইছে যে, ৰেজাউল কৰিম সৰকাৰক প্ৰাৰ্থী হিচাপে আগবঢ়োৱাৰ সিদ্ধান্ত পুনৰ বিবেচনা কৰা হওক অথবা জিলা নেতৃবৃন্দ আৰু তৃণমূল কৰ্মীসকলৰ সৈতে বিস্তৃত পৰামৰ্শৰ পিছতহে কোনো চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰা হওক। এই আবেদন ভাৰতীয় ৰাষ্ট্ৰীয় কংগ্ৰেছৰ বৃহত্তৰ স্বাৰ্থত আৰু আদৰ্শগত অংগীকাৰৰ সৈতে নিৰ্বাচনী বাস্তৱতাৰ সমন্বয় সাধনৰ আশাৰে দাখিল কৰা হৈছে বুলি আবেদনত বৰুৱাই স্পষ্ট কৰে।

### মৰিগাঁও মণ্ডলৰ উদ্বোধনী খেলত পুলিচ ক্লাৱৰ দুৰ্দান্ত জয়

# অসম প্ৰিমিয়াৰ ক্লাৱ চেম্পিয়নশ্বীপ

**ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ১১ জানুৱাৰী ঃ** অসম ক্ৰিকেট সন্থাৰ দ্বাৰা পৰিচালিত আৰু মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ সহযোগত ক্ৰিকেট উপশমিতিৰ তত্বাৱধানত আজিৰে পৰা ক্ষীৰোদ বৰুৱা ষ্টেডিয়ামত অনুষ্ঠিত হোৱা ৮ম সংখ্যক অসম প্ৰিমিয়াৰ ক্লাৱ চেম্পিয়নশ্বীপৰ মৰিগাঁও মণ্ডলৰ উদ্বোধনী খেলখনত মৰিগাঁও পুলিচ ক্লাৱে ৩ উইকেটৰ ব্যৱধানত অনায়াসে মৰিগাঁও নৱজ্যোতি ক্লাৱক পৰাস্ত কৰি সম্পূৰ্ণ পইণ্ট অৰ্জন কৰে। মৰিগাঁও পৌৰসভাৰ পৌৰপতি যোগেশ তামূলীয়ে শুভ উদ্বোধন কৰা আজিৰ খেলৰ আৰম্ভণিতে অসম ক্ৰিকেট সন্থাৰ পতাকা মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ সম্পাদক জিতু বৰদলৈয়ে আনুষ্ঠানিক ভাৱে উত্তোলন কৰে। মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ পতাকাখন উপ সভাপতি ৰমেন নাথে উত্তোলন কৰে। মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ যুটীয়া সম্পাদক নাচিৰ উদ্দিন আহমেদৰ তত্বাৱধানত আয়োজিত শুভ আৰম্ভণি অনুষ্ঠানত মায়ং ৰাজহ চক্ৰ বিষয়া প্ৰিয়ংকা গগৈ, দন্দুৱা জিলা পৰিষদৰ সদস্য সুৰেন দাস, জিলা ক্ৰীড়া সন্থাৰ উপসভাপতি নিপুন চন্দ্ৰ বৰা, সহকাৰী সম্পাদকদ্বয় ক্ৰমে সমুদ্ৰ নাৰায়ণ মেধী আৰু ইক্ৰামূল হুছেইন, মিডিয়া সমন্বয়ক মানস প্ৰতীম পাটৰ, ক্ৰিকেট সম্পাদক আলামুল ইয়াকিন, আম্পায়াৰ বৰ্ডৰ সম্পাদক নজৰুল হুছেইন, ভলীবল সম্পাদক বিশ্বজিত বৰদলৈ, জিমনাষ্টিক সম্পাদক যতীন বৰদলৈ লগতে অন্যান্য শাখা সম্পাদক আৰু বহুতো গণ্যমান্য ব্যক্তি উপস্থিতি থাকে। আজিৰ খেলখনত প্ৰথম বেটিং কৰি মৰিগাঁও নৱজ্যোতি ক্লাৱে মৰিগাঁও পুলিচ ক্লাৱৰ আকৰ্ষণীয় বলিঙ আৰু সুন্দৰ ফিল্ডিঙৰ সন্মুখত নতশিৰ হৈ ৩০-০০ অভাৱত বিশ্বজিত বৰদলৈৰ ১৬ আৰু ৰজনী কিলিঙৰ ১০ ৰাণৰ বৰঙনিৰ সহায়ত সকলো উইকেট হেৰুৱাই মাত্ৰ ৮২ ৰাণহে সংগ্ৰহ কৰিবলৈ সক্ষম হয়। বলিঙত মৰিগাঁও পুলিচ ক্লাৱৰ হৈ ৰোহিনী হাজৰিকা আৰু দেৱাশিস হাজৰিকাই ৩ টাকৈ উইকেট দখল কৰাৰ লগতে জিতুৰাজ ফুকন আৰু পৰাগ কুমাৰ মেধীয়ে ১ টাকৈ উইকেট লাভ কৰে। প্ৰতুত্তৰত সহজ লক্ষ্য অনুসৰণ কৰি মৰিগাঁও পুলিচ ক্লাৱে দেৱাশিস হাজৰিকাৰ দায়িত্বশীল ১৭ আৰু পৰাগ কুমাৰ মেধীৰ সময়োচিত ১১ ৰাণৰ অৱদানৰে ১৯-৩ অভাৱত ৭টা উইকেট হেৰুৱাই বিজয় লক্ষ্যত উপনীত হয়। নৱজ্যোতিৰ হৈ বলিঙত ৰবি ৰাজে ২ টা, ৰজনী কিলিং আৰু দীপাংকৰ বৰদলৈয়ে ১ টাকৈ উইকেট দখল কৰে। উল্লেখনীয় যে মৰিগাঁৱৰ অতিৰিক্ত আৰক্ষী অধীক্ষক(অপৰাধ শাখা) সমীৰণ বৈশ্যৰ নেতৃত্বত বিগত তিনি বছৰীয়া কষ্টসাধ্য প্ৰচেষ্টাৰ বলত এইবোৰ পুলিচ ক্লাৱে প্ৰথমখন খেলতে চমকপ্ৰদ জয়লাভ কৰি প্ৰতিযোগিতাৰ ছেমি ফাইনেলত প্ৰৱেশৰ সম্ভাৱনা উজলাই তুলিছে। তপন কুমাৰ নাথ আৰু নজৰুল ইছলামে পৰিচালনা কৰা আজিৰ খেলৰ শ্ৰেষ্ঠ খেলুৱৈ দেৱাশিস হাজৰিকাক অসম ফুটবল সন্থাৰ উপসভাপতি জিতু বৰদলৈৰ উপস্থিতিত মায়ং ৰাজহ চক্ৰ বিষয়া প্ৰিয়ংকা গগৈয়ে বঁটা প্ৰদান কৰে।

# দুধনৈ ডায়েটত গীতে-মাতে জীপাল হ'ল বকুল তলৰ সন্ধিয়া-২০২৬

**ষ্টাফ ৰিপ'ৰ্টাৰ, দুধনৈ, ১১ জানুৱাৰী ঃ** এখন চাৰ্টিফিকেট নতুবা এখন ডিপ্লোমাৰে এগৰাকী শিক্ষাৰ্থীৰ মানদণ্ড জুখিব নোৱাৰি। তেওঁলোকক বিকশিত কৰি তোলাৰ বাবে প্ৰধান ভূমিকা গ্ৰহণ কৰে তেওঁলোকক মাজত লুকাই থকা অনন্য প্ৰতিভাই। এই মন্তব্য দুধনৈ স্থিত গোৱালপাৰা জিলা শিক্ষণ আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ অধ্যক্ষ সীমান্ত বৰঠাকুৰৰ। শনিবাৰে দুধনৈস্থিত গোৱালপাৰা ডায়েটত অনুষ্ঠিত হোৱা "বকুল তলৰ সন্ধিয়া-২০২৬" অনুষ্ঠানত এনেদৰে কয় অধ্যক্ষ গৰাকীয়ে। গোৱালপাৰা ডায়েটত অধ্যয়নৰত বিএড দ্বিতীয় বৰ্ষৰ শিক্ষাৰ্থী গোটৰ উদ্যোগত আৰু শিক্ষক গোটৰ সহযোগত প্ৰতি বছৰে অনুষ্ঠিত হয় মনোৰম অনুষ্ঠান "বকুল তলৰ সন্ধিয়া"। এই অনুষ্ঠানত ডায়েটত অধ্যয়নৰত শিক্ষাৰ্থী সকলে গীত-মাত, নৃত্য, অভিনয়, কবিতা-আবৃতি পাঠ আদিৰে জীপাল কৰি তোলে বকুল তলৰ বাকৰি। এজোপা বকুল গছক কেন্দ্ৰ কৰি ছয়বছৰ পূৰ্বে দুধনৈস্থিত গোৱালপাৰা ডায়েটৰ বাকৰিত ছয় বছৰ পূৰ্বে অসমৰ বিশিষ্ট কবি ধীমান বৰ্মনৰ লগতে ডায়েটৰ শিক্ষক শিক্ষাৰ্থীয়ে প্ৰচেষ্টাত এই মনোৰম সন্ধিয়াৰ আৰম্ভ হৈছিল। শনিবাৰে সন্ধিয়া ডায়েটৰ অধ্যক্ষ সীমন্ত বৰঠাকুৰ, জাহ্নৱী ৰায়, মুকুট পাটগিৰী, প্ৰদ্যুম্ন ৰায়ে বন্তি প্ৰজ্বলন কৰি এই অনুষ্ঠানৰ শুভাৰম্ভ কৰে। ইয়াৰ পিচতে বকুল তলৰ সন্ধিয়াৰ লগত সংগতি ৰাখি ১০৮ চিকিৎসা সেৱাৰ আৰ্হিত ব্যতিক্ৰমী আৰু গুৰুত্বপূৰ্ণ প্ৰাথমিক চিকিৎসা সেৱা কক্ষৰ শুভ উদ্বোধন কৰে দুধনৈ উন্নয়ন কমিটিৰ সাধাৰণ সম্পাদক প্ৰেমচান্দ বসুমতাৰীয়ে। ইয়াৰ পিচতেই আৰম্ভ হয় সুন্দৰ আৰু মনোৰম অনুষ্ঠান 'বকুল তলৰ সন্ধিয়া-২০২৬। ডায়েটৰ বি-এড দ্বিতীয় বৰ্ষৰ শিক্ষাৰ্থী গোটৰ সম্পাদক নিৰ্মল কুমাৰ নাথে জনোৱা অনুসৰি জানুৱাৰী মাহৰ এই শীতৰ সন্ধিয়াত ডায়েটৰ শিক্ষাৰ্থী সকলে গীত-মাত, নৃত্য, অভিনয়ৰে জীপাল কৰি তোলে বকুল তলৰ সন্ধিয়া। অসমৰ বিশিষ্ট কবি ধীমান বৰ্মণৰ কবিতা, জাহ্নৱী ডেকা, গৰিমা ৰায়ৰ সুমধুৰ সংগীত, দ্বাৰা হাজোৱাৰীৰ গীত তথা মনশিতা মিশ্ৰ, ৰঞ্জনা ঠাকুৰীয়া আৰু হিমাক্ষী নাথৰ নৃত্য আৰু অভিনয়ে আপ্লুত কৰে উপস্থিত দৰ্শকক। এই অনুষ্ঠানত ডায়েটৰ বৰ্তমান অধ্যয়নৰত শিক্ষাৰ্থী আৰু প্ৰাক্তন শিক্ষাৰ্থী সকলে অংশগ্ৰহণ কৰে।

# লেংটিছিঙাত আজি ৰাইজৰ দলৰ এটা নতুন দলীয় কাৰ্যালয় মুকলি

**অসম বাৰ্তা, লেংটিছিঙা, ১১ জানুৱাৰী ঃ** বঙাইগাঁও জিলাৰ লেংটিছিঙাত আজি ৰাইজৰ দলৰ এটা নতুন দলীয় কাৰ্যালয় আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। ৰাইজৰ দলৰ সাংগঠনিক সম্পাদক পাৰভেজ ৰহমানে ফিতা কাটি কাৰ্যালয়টো উদ্বোধন কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত দলৰ বিভিন্ন স্তৰৰ নেতা-কৰ্মী, সমৰ্থক তথা স্থানীয় ৰাইজৰ উল্লেখযোগ্য উপস্থিতি পৰিলক্ষিত হয়। কাৰ্যালয় উদ্বোধনী অনুষ্ঠানত ভাষণ প্ৰদান কৰি পাৰভেজ ৰহমানে কয় যে, ৰাইজৰ দল সদায় সাধাৰণ ৰাইজৰ সমস্যা, অধিকাৰ আৰু স্বাৰ্থৰ বাবে সংগ্ৰাম কৰি আহিছে। নতুন কাৰ্যালয়টো মুকলি হোৱাৰ জৰিয়তে লেংটিছিঙা অঞ্চলত দলৰ সাংগঠনিক কাৰ্যকলাপ অধিক শক্তিশালী হ'ব বুলি তেওঁ আশাবাদ ব্যক্ত কৰে। লগতে তেওঁ কয় যে এই কাৰ্যালয়টো ৰাইজৰ বাবে সদায় খোলা থাকিব আৰু অঞ্চলটোৰ শিক্ষা, স্বাস্থ্য, ৰাস্তাঘাট, বান-খহনীয়া আদি জনজীৱনৰ জ্বলন্ত সমস্যাসমূহ দলৰ মঞ্চৰ জৰিয়তে চৰকাৰৰ দৃষ্টিগোচৰ কৰা হ'ব। অনুষ্ঠানত উপস্থিত অন্যান্য নেতাসকলে নতুন কাৰ্যালয় মুকলি হোৱাটো অঞ্চলবাসীৰ বাবে এক ইতিবাচক দিশ বুলি মন্তব্য কৰে। তেওঁলোকৰ মতে, ইয়াৰ ফলত দলৰ সৈতে ৰাইজৰ সম্পৰ্ক অধিক ঘনিষ্ঠ হ'ব আৰু তৃণমূল পৰ্যায়ত দলীয় কাৰ্যকলাপ অধিক গতিশীল হ'ব। শেষত দলীয় কৰ্মী-সমৰ্থকসকলৰ উৎসাহ-উদ্দীপনাৰ মাজত অনুষ্ঠানটো সমাপ্ত হয়। নতুন কাৰ্যালয়টো লেংটিছিঙা অঞ্চলত ৰাইজৰ দলৰ সংগঠনিক ভিত্তি অধিক সুদৃঢ় কৰিব বুলি সকলোৱে আশাবাদ ব্যক্ত কৰে।

## ডº ভূপেন হাজৰিকাৰ মানুহে মানুহৰ বাবে শীৰ্ষক গীতেৰে আৰম্ভ সভা

# কালীপুখুৰীত দুগৰাকী কৃতি ফুটবল খেলুৱৈক উষ্ম সম্বৰ্ধনা জ্ঞাপন

**অসম বাৰ্তা, বাসুগাঁও, ১১ জানুৱাৰী ঃ** কোকৰাঝাৰ জিলাৰ বৃহত্তৰ কালীপুখুৰী অঞ্চলৰ দুগৰাকী কৃতি ফুটবল খেলুৱৈক উষ্ম সম্বৰ্ধনা জনোৱা হয়। কালীপুখুৰী ইউনাইটেড ক্লাব আৰু কালীপুখুৰী আঞ্চলিক আক্ৰাছুৰ সৌজন্যত ৰাজ্যিক-ৰাষ্ট্ৰীয় পৰ্যায়ত সুখ্যাতি কঢ়িয়াই অনা বয়োজেষ্ঠ প্ৰাক্তন ফুটবল খেলুৱৈ মাণিক বৰ্মন আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰথম বাৰ্ষিকৰ ছাত্ৰী মিচ প্ৰাৰ্থনা ৰায়ক সম্বৰ্ধনা জনোৱা অনুষ্ঠানত সভাপতিত্ব কৰে কোকৰাঝাৰ জিলা সমিতি আক্ৰাছুৰ সভাপতি হেমেন ৰায়। কালীপুখুৰী ইউনাইটেড ক্লাবত অনুষ্ঠিত সভাৰ আৰম্ভণিতে অঞ্চলৰ বিশিষ্ট কণ্ঠশিল্পী কলেন ৰায় আৰু কোকৰাঝাৰ নিৱাসী নৃপেন ৰায়ে বিশ্ব বৰেণ্য সুধাকণ্ঠ



ডº ভূপেন হাজৰিকাৰ মানুহে মানুহৰ বাবে শীৰ্ষক গীতটি যৌথভাৱে পৰিবেশন কৰি উপস্থিত সকলোকে আপ্লুত কৰে। ইয়াৰ অন্তত খেলুৱৈ মাণিক বৰ্মন আৰু প্ৰাৰ্থনা ৰায়ক কোঁচ ৰাজবংশী জনগোষ্ঠীৰ জাতীয় হালধীয়া গামোছা, মানপত্ৰ, ট্ৰফী, শৰাই, জাচী আদি প্ৰদান কৰা হয়। সভাত বি টি চি পৰিষদৰ ভাৰপ্ৰাপ্ত কাৰ্যবাহী সদস্য কৰ্মেশ্বৰ ৰায়ে বয়োজেষ্ঠ, প্ৰাক্তন খেলুৱৈ মাণিক বৰ্মনক খেলৰ জৰিয়তে সমাজলৈ আগবঢ়োৱা অৱদানৰ বাবে কৃতজ্ঞতাৰে স্মৰণ কৰে। আন এগৰাকী উঠি অহা নতুন প্ৰজন্ম প্ৰাৰ্থনা ৰায়ক খেলৰ জৰিয়তে আগুৱাই যাবলৈ প্ৰেৰণা আৰু উৎসাহ-উদ্দীপনা আগবঢ়ায়। আনকি প্ৰাৰ্থনা ৰায় খেল আৰু শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত আগুৱাই যাওঁতে যিকোনো অসুবিধাৰ সৃষ্টি হ'লে অঞ্চলবাসী ৰাইজক আগুৱাই আহিবলৈ আহ্বান জনাই নিজৰ ফালৰ পৰাও সহায়-সহযোগ আগবঢ়াই যাব বুলি ভাষণ প্ৰসংগত ব্যক্ত কৰে কৰ্মেশ্বৰ ৰায়ে। কমতাপুৰ স্বায়ত্বশাসিত পৰিষদৰ অধ্যক্ষ হিতেশ্বৰ বৰ্মনে দুয়োগৰাকী খেলুৱৈক উষ্ম অভিনন্দন জনাই বিশেষকৈ প্ৰাক্তন, বয়োজেষ্ঠ খেলুৱৈ সম্প্ৰতি বাৰ্ধক্যজনিত কাৰণত শাৰীৰিক ভাৱে দুৰ্বল হৈ থকা মাণিক বৰ্মনে বিভিন্ন দেশ-বিদেশত খেলি অহা বাবে ৰাষ্ট্ৰীয় নহয় আন্তঃৰাষ্ট্ৰীয় খেলুৱৈ গৰাকী অঞ্চলটিত বহুতো দি গ'ল বুলি উল্লেখ কৰি তেওঁৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰে। প্ৰাৰ্থনা ৰায়কো আগুৱাই যাবলৈ অঞ্চল বাসীৰ দায়িত্ব আছে বুলি উল্লেখ কৰে। সভাত গীতৰ মাজে মাজে কলেন ৰায়, সমাজকৰ্মী ৰহেন ৰায়েও দুয়োগৰাকী খেলুৱৈৰ সম্পৰ্কে বক্তব্য দাঙি ধৰে। অৱশেষত শলাগৰ শৰাই আগবঢ়ায় সমাজকৰ্মী মাধৱ ৰায়ে।

# ভাৰতীয় জনতা পাৰ্টীৰ এছচি মৰ্চাৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য সুভাষ চন্দ্ৰ দাসৰ মাতৃৰ পৰলোক

**অসম বাৰ্তা, দেৰগাঁও, ১১ জানুৱাৰী ঃ** ভাৰতীয় জনতা পাৰ্টীৰ এছ চি মৰ্চাৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য সুভাষ চন্দ্ৰ দাসৰ মাতৃ সুকৃতি ৰাণী দাস(৬৯)ৰ আজি পৰলোক হয়। গোলাঘাট জিলাৰ দেৰগাঁও মিলনপুৰৰ ৭ নং ৱাৰ্ডৰ নিৱাসী সুকৃতি ৰাণী দাসৰ মৃত্যুৰ খবৰে সমগ্ৰ অঞ্চলযুৰি শোকৰ ছা পেলাইছে। বহুদিনৰে পৰা কৰ্কটৰোগত ভুগি থকা সুকৃতিৰাণীয়ে আজি পুৱা ৬ বজাত ত্ৰিপুৰাস্থিত জ্যেষ্ঠ পুত্ৰৰ বাসগৃহত শেষ নিশ্বাস ত্যাগ কৰে। বিভিন্ন ধৰ্মীয় অনুষ্ঠান প্ৰতিষ্ঠানৰ লগত জড়িত মহিলা গৰাকীয়ে মৃত্যুৰ সময়ত তিনি পুত্ৰ, কন্যা, বোৱাৰী, নাতি-নাতিনী সহ বহু আত্মীয় কুটুম্ব এৰি থৈ যায়। তেওঁৰ মৃত্যুত আপকুৰ সম্পাদক প্ৰণৱ চক্ৰৱৰ্ত্তী, দেৰগাঁও সাংবাদিক সংস্থাৰ সম্পাদক ইন্দুভূষন মহন্ত, দেৰগাঁও পৌৰসভা, আপকু দেৰগাঁও সমজিলা সমিতি, হৰিসেৱা সংঘ, অগ্ৰগামী বাঙালী মহিলা মঞ্চ আদি বিভিন্ন দল-সংগঠন আৰু বিভিন্ন ব্যক্তিয়ে শোক প্ৰকাশ কৰে।

# পিতৃয়ে ঘপিয়ালে দুই

মাতাল পিতৃয়ে নিজ ঘৰতে দাৰে আক্ৰমণ চলাই নিজৰ দুই নাবালক পুত্ৰ মাধূৰ্য দাস (৭) আৰু প্ৰীতম দাস (১২) সহ কুনি দাস, সবিতী দাস, ভদেশ্বৰী দাস আৰু ভাইকন দাসক গুৰুতৰভাৱে আহত কৰে। এই ঘটনাত গুৰুতৰভাৱে আহত হোৱা প্ৰীতম দাস আৰু মাধূৰ্য দাসৰ অৱস্থা সংকটজনক বুলি জানিব পৰা গৈছে। আহত সকলোকে ততালিকে ১০৮ এম্বুলেঞ্চৰ জৰিয়তে গড়মূৰৰ পিতাম্বৰ দেৱ গোস্বামী অসামৰিক চিকিৎসালয়লৈ লৈ যোৱা হয়। পৰৱৰ্তী সময়ত দুজন নাবালককে উন্নত চিকিৎসাৰ বাবে যোৰহাটলৈ প্ৰেৰণ কৰা হয়। ঘটনাৰ খবৰ পোৱাৰ লগে লগে ফুলনি আৰক্ষী চকীৰ আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ অভিযুক্ত প্ৰদীপ দাসক গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে ঘটনাটোক লৈ তদন্ত আৰম্ভ কৰিছে। ভোগালী বিহুৰ আনন্দময় পৰিবেশত সংঘটিত এই নৃশংস ঘটনাই সমগ্ৰ অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। ইপিনে উক্ত ঘটনাৰ খবৰ লাভ কৰি মাজুলী জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠক জিলা চিকিৎসালয়ত উপস্থিত হৈ আহত সকলৰ স্বাস্থ্য বুজ লোৱাৰ লগতে অতি ততপৰতাৰে আহতসকলক নাইত ভিজন নৌকা এম্বুলেঞ্চৰ জৰিয়তে যোৰহাট মেডিকেল কলেজলৈ প্ৰেৰণ কৰাই।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন